# Assam Legislative Assembly Debates

## OFFICIAL REPORT

FOURTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY
ASSEMBLED AFTER THE SEVENTH GENERAL ELECTION
UNDER THE SOVEREIGN DEMOCRATIC
REPUBLICAN CONSTITUTION OF
INDIA

## BUDGET SESSION


VOLUME—IV

NO. 9

The 15th March, 1984,

Price Rs. 14.50

CONTENTS

( BUDGET SESSION )

Volume—IV

No. 9

The 15th March, 1984


| | | Page |
|---|---|---|
| 1. | Questions And Answers .... ... | 1—14 |
| 2. | Voting on Demands for Grants ... | 14—73 |
| 3. | Calling Attention Notice ... .... | 73—75 |
| 4. | Adjournment .... ... | 76 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1984

## Thursday, March 15, 1984

The House met at ten of the Clock in the Assembly Chamber, Dispur with Mr. Speaker in the Chair.

## STARRED

## QUESTIONS AND ANSWERS

Starred Question No 53 was not put Member being absent

### বিষয়ঃ বুঢ়ীদিহিং নদীৰ খহনীয়া

শ্ৰীপূৰ্ণ বড়োৱে সুধিছে :

*৫৪। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) নাহৰকটীয়া নগৰৰ মাজবুকুত বুঢ়ীদিহিং নদীৰ, প্ৰচণ্ড গৰা খহনীয়া ৰোধ কৰাৰ বাবে চৰকাৰে ব্যৱস্থা লৈছেনে ?

(খ) যদি লৈছে, তেন্তে সেই খহনীয়া প্ৰতিৰোধৰ কাম কেতিয়া শেষ হ'ব ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক)—লৈছে ।

(খ)—খহনীয়া প্ৰতিৰোধৰ কাম ১৯৮৪-৮৫ চনত শেষ কৰা হ'ল ।

শ্ৰীপূৰ্ণ বড়ো : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে বুঢ়ীদিহিং নদীৰ গৰা খহনীয়া ৰোধ কৰাৰ কাৰণে ব্যৱস্থা লোৱা হৈছে। কথা হল গৰাখহনীয়া ৰোধ কৰাৰ কাৰণে অস্থায়ী আৰু স্থায়ী ভাৱে কেনে ধৰণৰ ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই নাহৰকটীয়া নগৰৰ মাজেদি নদীৰ গৰা খহনীয়া ৰোধ কৰাৰ কাৰণে আঁচনি লোৱা হৈছে ।

Cintinuous revetment of 80 mtr. length from ch. 900 mtr. to 980 mtr. on $1\frac{1}{2}$ to 1 slope with 2 key in cage with low water level and boulder cages on slope below low water level এইটো বোলদাৰ ৱৰ্ক হৈ আহিব। Strip revetment on $1\frac{1}{2}$ : 1 slope with toe key in cage at low water level and boulder cages

below low water level at 20 mtr. interval—17 Nos. from Ch. 450 mtr. to 850 mtr upstream and 17 Nos. from ch. 1000 to 1300 mtr. in downstream.

Length of protection 550 mtr.

**Re : Erosion of Pohumara River**

Shri Amir Hamcha Talukdar, asked :

*55. Will the Minister, Flood Control be pleased to state—

(a) Whether the Government is aware that the erosion of Pohumara river under Barpeta District greatly affected the homestead and agricultural Land lying in between Ata L. I. Scheme and Moricha Village ?

(b) The length of that river in between the Ata L. I. S. and Moricha Village ?

(c) Whether the Government have any Scheme to protect the area from erosion of the river in this financial year ?

Shri Ranandra Narayan Basumatary (Minister, Flood Control) replied :

(a)—Yes.

(b)—Approximately 6.00 Km.

(c)—No.

শ্ৰীদানেশ আলি : মাননীয় অধ্যক্ষ মহোদয়, পহুমৰা নদীত যি মঠাউৰী বন্ধা আছে সেইটো ধুমাৰকুৰৰ পৰা কিমান দূৰ বন্ধা হৈছে ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, পহুমৰা নদীটোৰ বেকা বেকী গতি আৰু ভূটানৰ পাদদেশৰ পৰা নামি আহিছে। পহুমৰা নদীত মঠাউৰী বন্ধা আছে আৰু যাতে মঠাউৰী চিঙিব নোৱাৰে তেনেকুৱা ৮ টা অংশত এনটি ইৰোচনৰ ব্যৱস্থা লোৱা হৈছে। তাত এতিয়ালৈ দিটেইল চাৰভে হোৱা নাই।

শ্ৰীদানেশ আলি : মাননীয় অধ্যক্ষ মহোদয়, মৰিছালৈ ৬ কিলোমিটাৰ বাষ্টা মঠাউৰী বন্ধাৰ কাম বাকী আছে নেকী ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, তেনেকুৱা ব্যৱস্থা নাই।

ইতিমধ্যে ৮ টা অংশ পহুমৰা নদীত ব্যৱস্থা লৈছে। মাননীয় সদস্য গৰাকীয়ে যিটো অংশৰ কথা কৈছে এই অংশত প্ৰতিৰোধ কৰাৰ কাৰণে দিটেইল চাৰভে কৰিম।

শ্ৰীমথুৰা ডেকা : মাননীয় অধ্যক্ষ মহোদয়, এই যে মঠাউৰীবিলাক কিয় ভাগে আৰু কেনেকৈ ভাগে সেইটো মন্ত্ৰী মহোদয়ে জনাব নেকি ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, ইয়াত টেকনোলোজিকেল প্ৰশ্ন জৰিত হৈ আছে। যিবিলাক নদী ভূটানৰ পৰা প্ৰত্যক্ষভাৱে নামি আহিছে সেই নদীবিলাকে লগত শিল লৈ আহে। এই নদী বেছি খৰস্ৰোতা কাৰণে তলৰ ফালে বাগৰে। সেই কাৰণে নদীৰ তলী তৰাং হৈ গৈছে আৰু পাৰ বাগৰি যায়।

শ্ৰীমথুৰা ডেকা : অধ্যক্ষ মহোদয়, সেই মঠাউৰী বিলাকত এন্দুৰৰ বাহ আছে। এন্দুৰৰ বাহৰ কাৰণে মঠাউৰী ভাঙে।

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, সেইটো এটা সৰু কাৰণ হব পাৰে।

শ্ৰীমথুৰা ডেকা : অধ্যক্ষ মহোদয়, এইটো সৰু কথা বুলি কলে দুখ লাগে। এইবিলাক কথা চৰকাৰে ভাবি চাব লাগে।

শ্ৰীআমিৰ হামচাহ তালুকদাৰ : মাননীয় অধ্যক্ষ মহোদয়, কিমান মানুহৰ ঘৰ-দুৱাৰ আৰু খেতি পথাৰ নষ্ট হৈছে অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আমি দিটেইল চাৰভে কৰা নাই। বহুতো মানুহৰ ঘৰবাৰী, খেতিপথাৰ যে নষ্ট হৈছে সেইটো আমাৰ চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। যিবিলাক ঘৰ অনিষ্ট হৈছে সেইবিলাক বেছিভাগ নদীৰ পাৰতে থকা। ইয়াৰ বাবে আমি আঁচনি লব পাৰো তাৰ বাবে ব্যৱস্থা যাতে কাৰ্য্যকৰী হয় অহা বছৰৰ ভিতৰত ব্যৱস্থা লম।

শ্ৰীমথুৰা ডেকা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এন্দুৰ মৰাৰ ব্যৱস্থা লব নেকি জনাবনে ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এন্দুৰ সকলো ঠাইতে আছে। এন্দুৰে যে কেৱল মঠাউৰীতে বাহ লয় এনে নহয়। এন্দুৰৰ বিৰুদ্ধে বিভাগে যুদ্ধ কৰাতো সম্ভৱ নহয়।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : মাননীয় অধ্যক্ষ মহোদয়, যি সকল মানুহৰ মাটি অধি-গ্ৰহণ কৰা হৈছে সেইবিলাকে ক্ষতি পূৰণ পইছে নে নাই ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, ইয়াৰ লগত এই প্ৰশ্নটোৰ

সম্পৰ্ক নাই। এতিয়ালৈকে ১৬ লাখ টকা ক্ষতিপূৰণ দিবলৈ আছে। এইবাৰ বাজেটত ৮ লাখ টকা ধৰিছে। তাৰে ৫০ শতাংশ মিত কৰিব পাৰিম।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : মাননীয় অধ্যক্ষ মহোদয়, যোৱা বছৰ ৩০ লাখ টকা ধৰা হৈছে। সেই টকা বিতৰণ হৈছে নেকি ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই খবৰ এতিয়া দিব নোৱাৰিম। সেই টকা মঞ্জুৰী হৈ ৰেভিনিউ একাউন্টত গৈছে। এইটো ৰেভিনিউৱে দিব পাৰে।

## বিষয় : ৰাটপথে ঘুৰি ফুৰা কুষ্ঠৰোগী

শ্ৰীমথুৰা ডেকাই সুধিছে :

*৫৬। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) চহৰ সমূহৰ বাটে পথে ভিক্ষা বিচাৰি ঘুৰি ফুৰা কুষ্ঠ ৰোগী সকলক জব্দ কৰি কোনো এটি চিকিৎসা শিবিৰত ৰখাৰ বাবে কোনো আঁচনি চৰকাৰৰ আছে নে ?

(খ) যদি নাই, এনেকুৱা এখন আঁচনি গ্ৰহণ কৰিব নে ?

(গ) এনে ধৰণে বাটে পথে ঘুৰি ফুৰা কুষ্ঠ ৰোগীৰ কোনো হিচাব আছে নে ?

(ঘ) বৰ্ত্তমানে অসমৰ কুষ্ঠ চিকিৎসালয়ত কুষ্ঠ ৰোগী কিমানজন আছে জনাব নে ?

ডাঃ ভূমিধৰ বৰ্মন ( স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক)—এই সম্পৰ্কে বিবেচনা কৰি থকা হৈছে।

(খ)—এনেকুৱা আঁচনি এখন কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰা হৈছে ও ই কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(গ)—এনেকৈ বাটে পথে ঘুৰি ফুৰা বেমাৰীৰ সংখ্যা ১৩০ জনলৈকে পোৱা হৈছে।

(ঘ)—১৩,৪৭৮ জন কুষ্ঠ ৰোগীক ধৰা পেলোৱা হৈছে, তাৰ ভিতৰত ১২,১৮৬ জনে চৰকাৰী চিকিৎসা গ্ৰহণ কৰিছে।

শ্ৰীমথুৰা ডেকা : অধ্যক্ষ মহোদয়, চৰকাৰী ফালৰ পৰা বিবেচনা শব্দটো যে কৈ আছে চৰকাৰে কেনেকৈ বিবেচনা কৰি আছে ?

শ্ৰীভূমিধৰ বৰ্ম্মণ ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এই সম্পৰ্কে কাছাৰৰ শিলচৰৰ ওচৰত লেপ্ৰোচি ৰিলিফ ইনষ্টিটিউট স্থাপনৰ কাম আগবাঢ়িছে। কিন্তু মাটিখিনি আমাৰ স্বাস্থ্য বিভাগে এতিয়ালৈকে চমজি লব পৰা নাই। সেই কাৰণে আমাৰ এইটো

কৰাত পলম হৈছে। মাটিখিনিৰ কাৰণে ওচৰৰ মানুহবিলাকে খুউব আপত্তি দিছে।

ওচৰৰ মানুহে লেপ্ৰোচি ৰোগী আছে বুলি ভয় খাইছে। এই মাটি কৰবাত কৰবাত দখলও কৰিছে। মাটি খিনি পালে কাম আৰম্ভ কৰা হব।

শ্ৰীমথুৰা মোহন ডেকা : কুষ্ঠ ৰোগী বিলাক বাটে পথে ঘূৰি ফুৰে, মন্ত্ৰী মহোদয়ে প্ৰায় এশ মান হব বুলি কৈছে। এই বিলাকক বন্ধ কৰি এঠাইত স্থায়ী কৰি ৰখাৰ ব্যৱস্থা কৰিব নোৱাৰেনে ?

শ্ৰীভূমিধৰ বৰ্ম্মণ (স্বাস্থ্যমন্ত্ৰী) : কুষ্ঠৰোগী সকলক চিকিৎসাৰ কাৰণে বলপুৰ্ব্বক ধৰি ৰখাৰ আইন নাই। কিন্তু যিবিলাক কেন্দ্ৰ আছে তাত চিকিৎসাৰ ব্যৱস্থা কৰা হয়। অলপ ভাল পালেই আৰু বেমাৰ আনলৈ বিয়পিব নোৱৰা হলেই এৰি দিয়া হয় কিয়নো চীট কম। কাচাৰত এইটো হলে বেছি সংখ্যক লোকক সংস্থাপন কৰিব পৰা হব।

শ্ৰীহেমেন দাস : কুষ্ঠ ৰোগ সেঁাচৰা হয় নে নহয়, যদি নহয় জন সাধাৰণৰ মাজত চলি থকা ভুল ধাৰণা আঁতৰাবলৈ চৰকাৰী ভাবে কি ব্যৱস্থা লৈছে ?

শ্ৰীভূমিধৰ বৰ্ম্মণ (স্বাস্থ্যমন্ত্ৰী) : ডাক্তৰী মতে ক্লজ কনটেষ্টত থাকিলেহে হব পাৰে। জনসাধাৰণৰ ধাৰণা আঁতৰাবলৈ হেল‌্থ বিভাগৰৰ পৰা কোৱা হৈছে আৰু অন্য ধৰণেও ব্যৱস্থা চলাই থকা হৈছে।

Shri Binoy Kumar Basumatari : Sir, the oldest and largest leprosey rehabilitation centre was opened by Christian Missionaries at Jorhat at a place called Borbheta. What is the amount of Government help to this institution ?

শ্ৰীভূমিধৰ বৰ্ম্মণ (স্বাস্থ্যমন্ত্ৰী) : মই এইটো খবৰ লৈহে কব পাৰিম।

Starred Question No. 57 was not put Member being absent

## Re : Destitute Pension

Shri Hemen Das asked :

*58. Will the Minister, Social Welfare be pleased to state—The number of persons given Destitute pension till January 1984 ?

( District-wise figure may be given ).

Shri Dipak Moormoo, ( Minister, Social Welfare ) replied :

The number of oldage pensions sanctioned upto 31st January 1984 is 12950.

( District-wise and Sub-division wise figures are placed on the table of the House ).

শ্ৰীমথুৰা মোহন ডেকা : মন্ত্ৰী মহোদয়ে বাৰ হাজাৰক পেন্সন দিয়াৰ কথা কৈছে কিন্তু এই টকা বিলাক পাইছেনে নাই ?

শ্ৰীদীপক মুৰ্ম্ম ( সমাজ কল্যান মন্ত্ৰী ) : টকা পাইছে।

## Re : Electrification of villages under chenga Constituency

Shri Danes Ali asked :

*59. Will the Ministe, Power be pleased to state—

(a) The number of villages under Chenga Constituency of the Barpeta District electrified during the financial year 1983-84 ?

(b) What are those villages ?

(c) Whether the Government has any proposal to provide electricity to the village Bagodi under Nagaon Mauza of Barpeta District ?

Shri A. M. Mazumdar (Minister, Power ) replied :

(a)—Nil

(b)—Does not arise.

(c)—There is no such proposal during 1983-84.

Shri Danes Ali : Sir, will the Hon'ble Minister be pleased to answer why this discrimination because there is not a single village electrified within the Chenga constituency this year. Why this regional imbalance ?

Shri Abdul Muhib Mazumdar ( Minister, Power ) : Sir, the

discrimination that was there is sought to be removed now and we will be covering this area in the coming years.

Shri Danes Ali : Sir, in reply to Ouestion (c) the Hon'ble Minister said that there is no proposal to provide electricity to the village Bagodi under Nagaon Mauza of Barpeta District. Will the Minister be pleased to take up this village for electrification immediately ?

Shri Abdul Muhib Mazumdar ( Minister, Power ) : Sir, that was the position in 1983-84 but as I have already said this is likely to be taken up in 84-85.

Shri Danes Ali : Will the Hon'ble Minister assure that this village will be taken up in the next year ?

Shri Abdul Muhib Mazumdar (Minister, Power) : Sir, I will make all efforts to include it in this year's programme.

শ্ৰীমথুৰা মোহন ডেকা : মাননীয় শক্তি মন্ত্ৰীয়ে আমাৰ এলেকাত কেৱল খুটা-বিলাকহে পোতা হৈছে আন একো কাম হোৱা নাই বুলি জানিব পাৰিছেনে ?

শ্ৰীআব্দুল মুহিব মজুমদাৰ (শক্তি মন্ত্ৰী) : সকলো ঠাইতে আগতে খুটাই পোতা হয় ।

## বিষয় : নগাওঁ পলিটেকনিক

শ্ৰীপূৰ্ণ বড়োৱে সুধিছে :

*৬০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) এই কথা সচাঁনে যে নগাওঁ পলিটেকনিকত পদাৰ্থ বিজ্ঞান আৰু গণিত বিভাগৰ অধ্যাপক নিযুক্তি নিদিয়াৰ বাবে ছাত্ৰ সকলৰ অসুবিধা হৈছে ?

(খ) যদি সচাঁ; এই অসুবিধা আঁতৰোৱাৰ বাবে কি ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীমুকুট শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) আৰু (খ)—বদলি আৰু ছুটীৰ বাবে সময়ে সময়ে উক্ত পদত প্ৰবক্তাৰ অভাৱ হৈছিল । বৰ্ত্তমান পদাৰ্থ বিজ্ঞানত এজন প্ৰবক্তাই ১৩।২।৮৪ তাৰিখৰ পৰা কাম কৰি আছে । আন এজন প্ৰবক্তা ১।১২।৮৩ তাৰিখৰ পৰা ছুটীত আছে ।

গণিত বিভাগত এজন প্ৰবক্তাই বহুদিন আগৰে পৰা কাম কৰি আছে ।

আন এটা খালি থকা পদত এজন প্ৰবক্তাক ২০।১২।৮৩ তাৰিখত নিয়োগ কৰা হৈছে। উক্ত পদত তেওঁৰ যোগদান অপেক্ষা কৰি থকা হৈছে।

শ্ৰীপূৰ্ণ বড়ো : মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে যে এই নগাওঁ পলিটেকনিকত বৰ্ত্তমান এটা পদ খালী হৈ আছে?

শ্ৰীমুকুট শৰ্ম্মা ( শিক্ষা মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, পদাৰ্থ বিজ্ঞানৰ শ্ৰীবি-কে গোস্বামী বদলি হোৱাৰ কাৰণে খালী হৈছিল আৰু তাৰ পাচত চন্দন হাজৰিকাক নিয়োগ কৰা হৈছিল যদিও তেওঁ যোগদান কৰা নাই। তাৰ পিচত হেম শইকীয়া আৰু নিৰুপা ৰহমানক দিয়া হৈছিল যদিও নিৰুপা ৰহমানে স্বাস্থ্যজনিত কাৰণে ছুটী লোৱাত খালী হৈ থাকে।

শ্ৰীপূৰ্ণ বড়ো ঃ এই খালী পদ পূৰণৰ বাবে বিজ্ঞাপন দিয়া হয় নে নহয় ?

শ্ৰীমুকুট শৰ্ম্মা ( শিক্ষা মন্ত্ৰী ) : খালী পদ পূৰণৰ বাবে বিজ্ঞাপন দিয়া হৈছে। আগতেই কৈছো যে নিয়োগ পত্ৰ পোৱাৰ পিচতো যোগদান নকৰা কাৰণে এইটো অৱস্থাৰ সৃষ্টি হৈছে।

শ্ৰীমতী মৃদুলা চহৰীয়া ঃ দৰং জিলাৰ সুৰণখাটাত পলিটেকনিক খোলাৰ কাৰণে মাটিও ৰখা হৈছে বুলি শুনিছো এই বিষয়ে মই এই সদনতে আগৰ বাৰো উত্থাপন কৰিছিলো। এই বিষয়ে শিক্ষামন্ত্ৰীয়ে কি ব্যৱস্থা লৈছে জনাবনে ?

শ্ৰীমুকুট শৰ্ম্মা (শিক্ষা মন্ত্ৰী) : এইটো যদিও এই প্ৰশ্নৰ লগত জড়িত নহয় তথাপি মাননীয় সদস্যা গৰাকীৰ জ্ঞাতাৰ্থে জনাব খোজো যে সেই সম্পৰ্কে চৰকাৰে বিবেচনা কৰি আছে।

**Re : Annual General Meeting of Statfed**

Shri Kiron Bora asked :

*61. Will the Minister; Co-operation be pleased to state—

(a) Whether the Annual General Meetings of the STATFED for the years 1980-81, 1981-82; 1982-83 were held ?

(b) Whether it is a fact that one Managing Director of the STATFED visited some foreign countries without the approval of the Board and the Government ?

(c) If so, under whose authourity he visited the foreign countries ?

(d) Which are the foreign countries the officer visited and for what purpose ?

(e) What is the total amount incurred for the visit ?

Shri Tilok Gogoi (Minister, Co-operation) replied :

(a)—No.

(b)—No. The Managing Director of the STATFED went abroad with the permission of the State Government.

(c)—Does not arise in view of reply to (b) above.

(d)—The officer visited London, Geneva and Turkey for the purpose of exploring possibility of importing lentils to Assam.

(e)—Total amount involved Rs. 29819.28 inclusive of Five Hundred Nineteen U.S. Dollars.

শ্ৰীহেমেন দাস ঃ কি বস্তুৰ ৰিপোটৰ কাৰণে বাহিৰলৈ গৈছিল নামটো কবনে।

শ্ৰীতিলক গগৈ ( মন্ত্ৰী ) : মচুৰ দাইল।

শ্ৰীহেমেন দাস ঃ পৃথিবীৰ কোন কোন দেশত মচুৰ দাইল উৎপন্ন হয় ?

শ্ৰীতিলক গগৈ ( মন্ত্ৰী ) ঃ কোন কোন দেশত বেছিকৈ হয় কব নোৱাৰিম। ইটালি আৰু সেই অঞ্চলত বেছিকৈ হয়।

শ্ৰীহেমেন দাস : কিমান কুইণ্টল মচুৰ দাইল ইউৰোপৰ পৰা অনাৰ অৰ্ডাৰ দিয়া হৈছে ?

শ্ৰীতিলক গগৈ ( মন্ত্ৰী ) : অৰ্ডাৰ দিয়া হোৱা নাই।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ঃ প্ৰশ্নৰ (এ) ৰ উত্তৰত তিনি বছৰে বাৰ্ষিক সাধাৰণ সভা হোৱা নাই বুলি কৈছে। কিয় সাধাৰণ সভা হোৱা নাই জনাবনে ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) ঃ ষ্টেটফেড ১৯৭৫ চনৰ ৯ আগষ্টত আৰম্ভ হয়। প্ৰথম তিনি বছৰত হোৱা নাছিল। ইলেকচন হোৱা নাই। চেকচন ৭২ মতে চৰকাৰে একজেম্পট কৰিব পাৰে।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : যোৱা তিনিবছৰত কি কাৰণে সাধাৰণ বাৰ্ষিক সভা হোৱা নাই।

শ্ৰীতিলক গগৈ (মন্ত্ৰী) ঃ জেনেৰেল মিটিং হৈছে।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : নৌ বুলি কৈছে।

শ্ৰীতিলক গগৈ (মন্ত্ৰী) ঃ তিনিখন মিটিং হৈছে।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : এন্নুয়েল জেনেৰেল মিটিঙৰ পাৰ্থক্য আছেনেকি ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) : এনুৰেল জেনেৰেল মিটিং হৈছে।

শ্ৰীমথুৰা ডেকা : সাধাৰণ সভা হব লাগে নে নালাগে ? আইনখন চৰকাৰে প্ৰনয়ণ কৰিছে নে নাই ? এনেকুৱা ক্ষেত্ৰত যদি জেনেৰেল মিটিং নহয় তেন্তে ভঙ্গ কৰি দিব লাগে।

শ্ৰীতিলক গগৈ (মন্ত্ৰী) : জেনেৰেল মিটিং হৈছে। আইন মতে প্ৰত্যেক বছৰে হব লাগে। তিনি বছৰে নহল। চৰকাৰে বছৰে বছৰে এক্সটেন্দ কৰিব পাৰে। জেনেৰেল মিটিঙত হিচাব পত্ৰ দাখিল কৰিব লাগে। হিচাপ পত্ৰ সম্পূৰ্ণ হোৱা নাই।

শ্ৰীমথুৰা ডেকা : অধ্যক্ষ মহোদয়, আগতে এপেক্স মাৰ্কেটিং চোচাইটি আছিল। আৰু ২৭ জন অংশীদাৰ আছিল। তেতিয়া জেনেৰেল মিটিং হৈ আছিল। কিন্তু চৰকাৰে লোৱাৰ পিছত ষ্টেট ফেদত জেনেৰেল মিটিং হোৱা নাই।

শ্ৰীতিলক গগৈ (মন্ত্ৰী) : জেনেৰেল মিটিং পাতিবৰ কাৰণে চৰকাৰৰ ফালৰ পৰা ষ্টেট ফেদক নটিচ দিয়া হৈছে। হিচাব ফাইনেল নোহোৱাৰ কাৰণে জেনেৰেল মিটিং পাতিব পৰা নাই।

শ্ৰীমথুৰা ডেকা : অধ্যক্ষ মহোদয়, যোৱাবাৰ বাজেট অধিবেশনত আমাৰ সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ৰ ওচৰত প্ৰশ্ন কৰা হৈছিল কিয় সাধাৰণ সভা হোৱা নাই ? এইবাৰো একেই প্ৰশ্নৰ উত্থাপন কৰা হৈছে।

শ্ৰীতিলক গগৈ (মন্ত্ৰী) : যোৱাবাৰ পাতিবলৈ চেষ্টা কৰিছিল। তাৰ পিছত অদিত ঠিক নোহোৱাৰ কাৰণে মিটিং পাতিব পৰা নাই।

Shri Binoy Kumar Basumatari : Sir, under which Act the Statfed is registered ? Is it under Indian Companies Act or Partnership Act ?

Shri Tilok Gogoi (Minister) : The Assam State Co-operative Marketing and Consumers' Federation Ltd. (Statfed) came into being on August, 9, 1975 on re-organisation of erstwhile Assam Co-operative Apex Marketing Society Ltd registered on January 23, 1957. The Bye-laws of the Statfed have been approved by the Government of Assam vide notification No. Coop.331/74/60, date 9.8.75. (voices : under which act ?) Under the Co-operative Act.

Shri Binoy Kumar Basumatari : I am fully aware Sir, Musur Dal is not produced in Europe (Shri Jagannath Sinha : it is produced in Turkey). Sir, someone is of the habit of interfering. Will the Minister tell us whether Musur Dal is produced in Europe ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) : কম বেচি সকলো দেশত হয় ।

Shri Binoy Kumar Basumatari : Is the Minister aware of the climatic condition of Geneva and whether Musur Dal is produced in temperate zone or in cold climate ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) : জলবায়ুৰ সম্পৰ্কে মই কব নোৱাৰো। কম বেচি পৰিমানে সকলো দেশতে মচুৰ দাইল উৎপন্ন হয়।

Shri Binoy Kumar Basumatari : Sir, Musur Dal is never produced in Geneva which is absolutely in a cold climate zone.

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, খোৱা-বোৱা যোগানৰ কাৰণে ইউৰোপেই হৈছে কেন্দ্ৰ স্থল ।

মাননীয় অধ্যক্ষ : আমাৰ ইমানবিলাক মেম্বাৰ আছে You are so desireous (to Shri Mathura Deka) to put supplementaries. There are other members too. They should be given chance to put supplementary.

শ্ৰীহেমেন দাস : অধ্যক্ষ মহোদয়, চৰকাৰে যিজন বিষয়াক মচুৰ দাইল অনাৰ কাৰণে ছুইজাৰলেণ্ডলৈ পঠাইছে । অহা বছৰৰ বাজটত মচুৰ দাইল অনাৰ বাবে কিমান টকা ধাৰ্য্য কৰা হৈছে ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) : এই সম্পৰ্কত ষ্টেট ফেদে দিচিচন লয় । চৰকাৰে হস্তক্ষেপ নকৰে । ব্যৱসায়ৰ ফালৰ পৰা চিন্তা কৰি বৰ্ড অৱ ডাইৰেক্টৰে এই সম্পৰ্কে দিচিচন লয় ।

শ্ৰীহেমেন দাস : অধ্যক্ষ মহোদয়, ষ্টেট ফেদৰ ডাইৰেক্টৰে কোনখন সভাত ইউ-ৰোপলৈ মচুৰ দাইল অনাৰ প্ৰস্তাৱ লৈছিল । আৰু সেই কামৰ কাৰণে কিমান টকা ধাৰ্য্য কৰা হৈছে ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী)ঃ আমাৰ ওচৰলৈ পঠোৱা নাই। খৰচৰ হিচাব আমাৰ হাতত আছে।

শ্ৰীহেমেন দাস ঃ অধ্যক্ষ মহোদয় মচুৰ দাইল অনাৰ বাবে বিষয়াজন পঠোৱা হৈছে কিন্তু কিমান কুইন্টল মচুৰ দাইল অনাৰ বাবে ষ্টেট ফেদে টকা ধাৰ্য্য কৰিছে?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) ঃ সেইটো মোৰ ওচৰত নাই।

শ্ৰীচিলভিয়াচ কন্দপান ঃ অধ্যক্ষ মহোদয়, মচুৰ দাইল অনাৰ বাবে যে বিষয়াজন গৈছে, তেখেত আহি তেখেঁতৰ ভ্ৰমন প্ৰতিবেদন ষ্টেট ফেদৰ ওচৰত দিছিলনে ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) ঃ চৰকাৰৰ ওচৰলৈ কোনো ৰিৰ্পট অহা নাই।

শ্ৰীবিমল গয়াৰী ঃ অধ্যক্ষ মহোদয়, মচুৰ দাইলৰ সম্পৰ্কে বহুতো আলোচনা হৈছে। ভাৰতবৰ্ষ এখন কৃষি প্ৰধান দেশ। মচুৰ দাইলৰ উৎপাদন কম হৈছে বুলি কব নোৱাৰি। ইউৰোপৰ পৰা মচুৰ দাইল আনিবলৈ গৈছে এই দাইল ৰাষ্টা মেৰামতিৰ কাৰণে নেকি ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, ৰাষ্টা বন্ধাৰ কাৰণে মচুল দাইল আনিবলৈ যোৱা নাই।

শ্ৰীবিমল গায়াৰী ঃ অধ্যক্ষ মহোদয়, আহোমৰ যুগত মাহৰ দালিৰে ৰাস্তা বন্ধাৰ কাম কৰিছিল। আমাৰো ৰাস্তা বন্ধাৰ বাবে দাইল আনিবলৈ গৈছেনে কি ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) ঃ ৰাস্তা বন্ধাৰ কাৰণে নহয়।

শ্ৰীহেম প্ৰকাশ নাৰায়ন ; অধ্যক্ষ মহোদয়, সেই বিষয়াজনে চৰকাৰ বা বৰ্ডৰ অনুমতি লৈ কিমান টকা খৰচ কৰিছে ? আৰু এতিয়া সেই টকা বিষয়াজনৰ পৰা আদায় কৰা ব্যৱস্থা কৰিব নোৱাৰিনে ?

মাননীয় অধ্যক্ষ ঃ এইটো প্ৰশ্নৰ সংক্ৰান্তত বহুতো চাপলিমেণ্টৰী প্ৰশ্ন হ'ল।

## Re : Research Projects in Agricultural Science

Shri Joynal Abedin asked :

*62. Will the Minister, Agriculture be pleased to state—

(a) The number of research projects in Agricultural science in operation under the Assam Agriculture University ?

(b) The names of sponsoring agencies of these projects and the number of projects sponsored by each agency ?

(c) The location of such projects ?

(d) Is there any such projects in Dhubri District ?

Shri Golok Rajbanshi (Minister, Agriculture) replied :

(a)—61.

| (b)—Sponsoring Agent | No. of projects |
|---|---|
| 1. State Government | 20 |
| 2. Assam Agricultural University | 1 |
| 3. India Council of Agricultural Research (ICAR) | 35 |
| 4. Government of India (GOI) | 3 |
| 5. North Eastern Council | 2 |
| Total | 61 |

(c) –

1. Rice Research Station, Titabar.
2. Rice Experimental Station, Karimganj.
3. Rice Research Sub-Station, Raha.
4. Central Research Station, Jorhat.
5. Regional Agricultural Research Station, Shillongani.
6. Sugarcane Research Station, Buralikson.
7. Citrus Research Station, Tinsukia.
8. Horticultural Research Station, Kahikuchi.
9. Coconut Research Sub-Station, Kharua.
10. Regional Agricultural Research Station, Diphu.
11. Regional Agricultural Research Station, North Lakhimpur.
12. Regional Agricultural Research Station, Gossaigaon.
13. Livestock Research Station. Mandira.

(d)—No.

Shri Joynal Abedin : Mr. Speaker Sir, as you know, the agriculture is the main profession of Dhubri Distriet. I want to know why this disparity that not a single project has been taken up in Dhubri District.

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) : লকেচনবিলাক ইউনিভাৰচিটিয়ে চিলেক্ট কৰে। সেই হিচাবে তেওঁলোকে ৰিচাৰ্চৰ সুবিধা মতে ঠাইবিলাক চিলেক্ট কৰে। গোসাইগাঁৱত ইউনিভাৰচিটিৰ জৰিয়তে ৰিচাৰ্চ চেণ্টাৰ স্থাপন কৰা হৈছে।

Shri Joynal Abedin : Will this project serve the purpose of Dhubri District, and whether there is any proposal for establishment of project for Dhubri District?

Shri Golok Rajbangshi ( Minister ) : No.

শ্ৰীমথুৰা ডেকা : বিষয়টো হৈছে প্ৰশ্নবিলাক কিয় নাহে ? ইয়াৰ আগতেও পোৱা হৈছিল প্ৰশ্নবিলাক অহাৰ ব্যৱস্থা হব লাগে।

মাননীয় অধ্যক্ষ : দুটা প্ৰশ্নৰ প্ৰশ্নকৰ্ত্তা অনুপস্থিত হৈছে। পৰিপূৰকৰ প্ৰশ্নও কৰিবলৈ দিছো। প্ৰশ্নৰ উত্তৰ বিলাক পোৱাৰ পিচত পৰিপুৰক প্ৰশ্ন নপবে।

শ্ৰীমথুৰ ডেকা : যিবিলাক প্ৰশ্ন আছে সেইবিলাক নাহে নেকি ?

মাননীয় অধ্যক্ষ : আহিব।

শ্ৰীমথুৰা ডেকা : এচেম্বলী শেষ হবৰ হৈছে।

## VOTING ON DEMANDS FOR GRANTS

Mr. Speaker : Now item No 2 grant No 55 Shri Zahirul Islam, Minister, Irrigation to move.

Shri Zahirul Islam, (Minister) : Mr. Speaker, Sir, on the recommendation of the Governor of Assam I beg to move that a sum of Rs. 58,47,02,000, be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985 for the administration of "Irrigation".

Mr. Speaker : There is no cut motion. So I put the grant that a sum of Rs. 58,47,02,000, be granted to the Minister in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985 for the the administration of "Irrigation".

The grant is passed

Now grant No. 12, Shri Rameswar Dhanwar, Minister, Labour & Employment to move,

Shri Rameswar Dhanowar, (Minister) Sir, on the recommendation of the Governor of Assam I beg to move that a sum of Rs. 9,35,000/- be granted to the Minister in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985 for the administration of "Electrical Inspectorate".

Mr. Speaker : There is no cut motion. So I put the grant that a sum of Rs. 9,35,000/-be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985 for the administration of "Elcctrical Inspectorate".

The grant is passed.

Nwo grant No. 40, Shri Rameswar Dhanowar, Minister, Labour & Employment to move.

Shri Rameswar Dhanowar, (Minister) : Sir, on the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 4, 28,12,000/- be granted to the Minister In-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985 for the administration of "Labour and Employment."

Mr. Speaker : On this Grant there is a Cut Motion tabled by Shri Hemen Das and Shri Purna Boro. Shri Hemen Das to move his Cut Motion.

*Shri Hemen Das : Sir, I beg to move that the total provision of Rs. 4,28,12,000/- under Grant No. 40 in respect of "Labour & Employment", at pages 6-35 of Volume II Part III of the Budget be reduced to Rs. 1/-i.e., the amount

---

*Speech not corrected

of the whole grant of Rs. 4,28,12,000/-do stand reduced to Re.1/-.

এই গ্ৰাণ্টটোৰ সম্পৰ্কে মই দুআষাৰমান কবলৈ আগবাঢ়িছোঁ। এই বিভাগটোৰ মুল উদেশ্য হৈছে আমাৰ দেশৰ শ্ৰমিকসকলৰ স্বাৰ্থ ৰক্ষা কৰা আৰু যিসকল মানুহ শ্ৰমৰ বজাৰলৈ ওলাই আহিছে সেইসকলক কৰ্ম্ম সংস্থান দিয়াৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা লোৱা। তাৰ কাৰণে আমাৰ কেইটামান নিয়োগ বিনিময় কেন্দ্ৰ আছে যাৰ জড়িয়তে এইখন দেশত বিভিন্ন উদ্যোগসমূহত কাম কৰিব পাৰে। আমাৰ দেশত লাহে লাহে আগবাঢ়ি অহা উদ্যোগবোৰত আমাৰ লৰা-ছোৱালীয়ে যাতে কাম কৰিব পাৰে তাৰ কাৰণে প্ৰশিক্ষণ দিবলৈ কেইটামান প্ৰশিক্ষণ কেন্দ্ৰও আছে। অসমত শ্ৰমিক ওলায়েই আছে। ১৯৬০ চনৰ আগলৈকে চাহ বাগানৰ শ্ৰমিকে বিভিন্ন উদ্যোগ সমূহত কাম কৰাৰ কথা নাছিল। উজনি অসমৰ লিডু ডিগবৈতে এওঁলোক নিয়োজিত আছিল।

এতিয়া চাৰ, মোৰ বক্তব্য হৈছে শ্ৰম বিভাগৰ শ্ৰমিকৰ স্বাৰ্থৰক্ষাৰ কাৰণে যিবিলাক অনুষ্ঠান আছে যেনে লেবাৰ কমিচন, ইন্ড্ৰাষ্ট্ৰিয়েল লেবাৰ কৰ্ট আদি এই বিলাকৰ উদেশ্য হৈছে শ্ৰমিকৰ স্বাৰ্থ ৰক্ষা কৰা। কিন্তু আজি দেখা গৈছে চাৰ শ্ৰম বিভাগ এটা থকাস্বত্বেও অসমৰ শ্ৰমিকৰ স্বাৰ্থ ৰক্ষা কৰা হোৱা নাই। বৰং শ্ৰমিকৰ স্বাৰ্থ দিনে দিনে ক্ষুন্ন হৈ গৈছে। আটাইতকৈ প্ৰগতিশীল শক্তি হিচাবে এওঁলোক ওলাই আহিছে এই শ্ৰেণীটো, সেয়ে আজি এওঁলোক বেছি অৱহেলিত হৈ আহিছে। ইয়াত শ্ৰম বিভাগে বেছি অবদান যোগাইছে।

আজি চাৰ, চৰকাৰে স্বীকাৰ কৰিছে যে নিবনুৱা সমস্যা অতি ভয়াবহ হৈ আহিছে। মই আগতেই কৈছোঁ যে নিবনুৱা নজন্মে তৈয়াৰ হয়। ধন-তান্ত্ৰিক সমাজৰ উৎপাদন ব্যৱস্থাই নিবনুৱাৰ সৃষ্টি কৰিছে। তাৰে কেইটামান উদাহৰণ মই দাঙি ধৰিব খুজিছোঁ। আমাৰ অসমত বৃটিছসকলে চাহ বাগান বোৰলৈ বিভিন্ন ঠাইৰ পৰা বনুৱা আনিছিল আৰু বলপূৰ্বক ভাৱে বাগানসমূহত চাহ খেতিত লগাই দিছিল। মই এথন চাহবাগান সম্পৰ্কীয় উপন্যাস পঢ়িছিলো। মোৰ চাহবাগানৰ লগত কেনো দৈহিক যোগা-যোগ নাছিল। এই শ্ৰেণীটো উৎপাদনত যুক্ত কৰা হল। দেশ স্বাধীন হোৱাৰ পিছত এই শ্ৰেণীটোৰ অৱস্থা কি হল? স্বাধীনতাৰ আগতে কৈছিল যে বৃটিছ সামাজ্যবাদে এই শ্ৰেণী-টোক বিশেষভাবে অত্যাচাৰ কৰিছিল। আমি বিছাৰিছিলো যে দেশ স্বাধীন হোৱাৰ পিছত অন্তত: চাহবাগানৰ বনুৱা সকলৰ কিছু উন্নতি হওক। স্বাধীন

মানুহৰ কৰ্মসংস্থান বৃদ্ধি হওক। কিন্তু তাৰ সম্পূৰ্ণ বিপৰীত কাম হৈ আছে বিশেষকৈ চাহবাগানৰ বনুৱা সকলৰ ক্ষেত্ৰত। মই তাৰ কেইটামান উদাহৰণ দিব খুজিছোঁ। চাহবাগানৰ শ্ৰমিক ১৯৪৮ চনত, অসমত দেশপাণ্ডে অনুসন্ধান কমিটীৰ ৰিপট মতে ১৯৪৭ চনত মুঠ সংখ্যা আছিল ৮,৯১৯৭৮ জন, কিন্তু ১৯৫৫ চনত এই সংখ্যা নামি আহিল ৫,১৭২০২ জনলৈ। সেই সময়ত চাহবাগানৰ শ্ৰমিক সকলৰ প্ৰভিডেন্ট ফান্দস্কীম এটা ললে হয়, তাৰ পিচত কি হল? ১৯৮০-৮১ চনৰ হিচাবত শ্ৰমিকৰ সংখ্যা হল ৪,৪৬৭৭৩ জন। আমাৰ শ্ৰম দপ্তৰ এটা আছে এইটোৱে শ্ৰমিকৰ স্বাৰ্থ ৰক্ষা কৰিব লাগে। এই যে হেজাৰ হেজাৰ শ্ৰমিকৰ চাকৰি গল এই ক্ষেত্ৰত শ্ৰম দপ্তৰে কাৰ কাম কৰিছে? শ্ৰম দপ্তৰে চাহ বাগানৰ বনুৱাৰ স্বাৰ্থ ৰক্ষা কৰা নাই চাহ বাগানৰ বনুৱাৰ জীৱন আজি দুৰ্বহ হৈ গৈছে, দুখ দৈন্য অবৰ্ণনীয় হৈ গৈছে।

১৯৫৫ চনত চাহ বাগানৰ খেতিৰ মাটি আছিল ১,৫৬,৭৫১ হেক্টৰ ১৯৮০-৮১ চনত খেতিৰ মাটি হৈছে এক লাখ ৯৯ হাজাৰ ৪৪১ হেক্টৰ। চাহ খেতিৰ মাটিৰ পৰিমাণ বৃদ্ধি হৈছে কিন্তু সেই হাৰত শ্ৰমিকৰ সংখ্যা বৃদ্ধি হোৱা নাই। শ্ৰমিকৰ সংখ্যা হ্ৰাস হৈছে। ভাৰতৰ অন্যান্য প্ৰদেশ বিলাকতকৈ অসমৰ মাটিতেই আটাতকৈ চাহ খেতি বেচি উৎপাদন হয়। অসমৰ প্ৰতি হেক্টৰত চাহ উৎপন্ন হয় ১৪১০ কেজি। সেই পৰিমাণ পশ্চিম বংগৰ হয় ১৩৬২ কেজি। অসমৰ প্ৰতিজন শ্ৰমিকে চাহ উৎপাদন কৰে ৬১৯ কেজি। আনহাতে পশ্চিম বংগৰ শ্ৰমিকে চাহ উৎপাদন কৰে ৫৮১ কেজি। চাহ খেতিৰ মাটি বৃদ্ধি হৈছে। কিন্তু চাহ বাগানত কাম কৰা শ্ৰমিকৰ সংখ্যা বৃদ্ধি হোৱা নাই। শ্ৰমিকৰ স্বাৰ্থ ৰক্ষাৰ নামত আজি যি ব্যৱস্থা গঢ়ি উঠিছে সেই ব্যৱস্থাৰ দ্বাৰা শ্ৰমিকৰ স্বাৰ্থ ৰক্ষা হোৱা নাই কেৱল মাত্ৰ মালিক সকলৰহে স্বাৰ্থ ৰক্ষা হৈছে। এই সদনতে সেই শ্ৰেণীৰ পৰা অহা কেইবাজনো মাননীয় সদস্য আছে। মই এইটো কথা ভালকৈ জানো যে তেওঁলোক সেইফালে যেতিয়ালৈকে থাকিব তেতিয়ালৈকে শ্ৰমিকৰ স্বাৰ্থ ৰক্ষা কৰিব নোৱাৰিব। আজি এই কথা প্ৰমানিত হৈছে। ইয়াৰ ইতিহাস মই দিম। আপোনালোকে নিজেই কৈছে যে শতকৰা ৫ জনহে শ্ৰমিক শ্ৰেণীৰ মাজত শিক্ষিত লোক আছে। প্লেনটেচন এক্টত আছে মজদূৰ সকলক থাকিবলৈ ঘৰ দিব লাগে, চিকিৎসাৰ সুবিধা দিব লাগে, স্কুল আদি দিব লাগে। কিন্তু আজি সেই বিলাক দিয়া হৈছেনে? শিক্ষাৰ ক্ষেত্ৰত অসমৰ দুখনমান জিলাত এনেকুৱা ব্যৱস্থা কৰা হৈছে যে সেই বিলাকত শিক্ষা দিয়াৰ মালিক

হৈছে মালিক সকল। মই এটা খবৰ পাইছো যে শোনিতপুৰ জিলাত চাপৰি চাহ বাগিছা নামৰ এখন চাহ বাগিছা আছে। সেই চাহ বাগিছা খনত এখন এল পি স্কুল আছিল। ১৯৭৬ চনলৈকে এজন শিক্ষকে সেই স্কুলখন চলাই আহিছিল। সেই শিক্ষক জনে অবসৰ লোৱাৰ পিছৰে পৰাই সেই স্কুলখন উঠি গল। এনেকুৱা বাগিছা অকল এইখনেই নহয় বহুত আছে। এই বিলাক বাগানত শিক্ষা দিয়াৰ বাবে কোনো ব্যৱস্থা লোৱা নাই। শিক্ষাৰ দায়িত্ব দিয়া হৈছে চাহ বাগিচাৰ মালিক সকলক। কালিয়েই এই কথা কোৱা হৈছে যে যেতিয়ালৈকে চাহ বাগিচাৰ মালিক সকল শিক্ষা দিয়াৰ দায়িত্বত থাকিব তেতিয়ালৈকে শ্ৰমিক শ্ৰেনীৰ স্বাৰ্থ ৰক্ষা হব নোৱাৰে। ৬ বছৰীয়া লৰা-ছোৱালী চাহ বাগানৰ মাজে মাজে ২।৩ কিঃ মিঃ যাব লাগে শিক্ষা লোৱাৰ কাৰণে। এনেকুৱা একোখন স্কুল আছে যত এজন শিক্ষক আছে আৰু বনুৱাৰ সংখ্যা দুই হাজাৰ আছে। এই দৰে এই শ্ৰেণীটোৰ নিস্পেষণ কৰি থকা হৈছে এই সদনতে কোৱা হৈছে যে তেওঁলোকৰ আৱাজ বন্ধ কৰি ৰক্ষা হৈছে। তেওঁলোকৰ কিছুমান নেতাই মুখ বন্ধ কৰি ৰাখিছে। শতাব্দিৰ পিচত শতাব্দি ধৰি এই সকলক এই দৰে নিৰব কৰি ৰাখি তেওঁলোকক প্ৰবঞ্চনা কৰি থাকিব সেই কথা কেতিয়াও হব নোৱাৰে। তেওঁলোকৰ দায়ীত্বত শ্ৰম বিভাগৰ পৰিদৰ্শক আছে, কমিচনাৰ আছে, কিন্তু তেওঁলোকে যি কাম কৰিব লাগে সেই কাম কৰা হোৱা নাই। যি প্ৰভিডেণ্ট ফাণ্ড আছে সেই ফাণ্ডৰ টকা মালিক সকলে নিয়ম মতে জমা দি আহিছেনে? মই এই কথা মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে অন্ততঃ কৰপৰেচনৰ ভিতৰত যি কেইখন বাগান আছে সেই বাগান কেইখনৰ প্ৰভিডেন্ট ফাণ্ডৰ টকা সম্পুৰ্ণৰূপে আদায় দিয়া হৈছেনে? যদি হোৱা নাই কিয় হোৱা নাই সেই কথা আমাক জনাব লাগিব। শ্ৰম বিভাগে কি কাম কৰিছে। আমি জনাত একো কৰা হোৱা নাই। কি কাৰণে হোৱা নাই। মন্ত্ৰী মহোদয়ে ইয়াৰ স্পষ্ট জবাব দিব লাগিব। যোৱা বছৰত চাহ বাগিচাৰ মালিক সকলৰ চুপাৰ প্ৰফিট হৈছে। মালিক সকলৰ চুপাৰ প্ৰফিট হৈছে সচাঁ কিন্তু সেই প্ৰফিটৰ কিমান কিমান অংশ বনুৱাৰ কল্যানৰ কাৰণে খৰচ কৰা হৈছে। সেই প্ৰফিটৰ পৰা কেইখন স্কুল পাতি দিয়া হৈছে, কেইটা থকা ঘৰ সাজি দিয়া হৈছে, কেইখন চিকিৎসালয় পাতি দিয়া হৈছে? আমি জনাত চাহ বনুৱাৰ কল্যাণৰ কাৰণে সেই চুপাৰ প্ৰফিটৰ পৰা এক পইচাও খৰচ কৰা হোৱা নাই। কিমান ঘৰ বান্ধি দিছে, কত কিমান কি কৰিছে সেই বিলাকৰ হিচাব মন্ত্ৰী মহোদয়ে

আমাক আজি দিব লাগিব। চুপাৰ প্ৰফিট হৈছে সচাঁ, কিন্তু কাছাৰ জিলাৰ গন্ধীৰা বিনোদ নগৰ চাহ বাগিচাকে আদি কৰি ৪ খন বাগিচাৰ বনুৱাই কি খাইছে তাৰ খবৰ ৰাখিছেনে ? অন্যান্য ক্ষেত্ৰত যে চৰকাৰে খাবলৈ পইচা দিব পাৰে শ্ৰমিক সকলৰ ক্ষেত্ৰত কিয় দিব নোৱাৰে ? খেতি নহলে চলি থাকিবলৈ অন্তত: জীয়াই থাকিবলৈ চৰকাৰে অন্যান্যক দিয়াৰ নিচিনাকৈ কিয় শ্ৰমিক সকলক দিব নোৱাৰে তাৰ কাৰণ আমি বুজি নাপাওঁ।

খেতিয়কৰ লগত এই বিৰোধ কোনে আনি দিলে ; মালিক শ্ৰেণীয়ে। যি সকল বনুৱাই বাগানত কাম কৰি জীৱিকা উপাৰ্জন কৰিব লাগিছিল তাত কৰিব পৰা নাই। আজি স্থায়ী বনুৱাৰ সংখ্যা বাগানত কমি গৈছে, ফাল্টু শ্ৰমিকৰ সংখ্যা বাঢ়িছে কাৰণ প্ৰভিডেন্ট ফাণ্ডৰ কথা আছে যাৰ কাৰণে স্থায়ী শ্ৰমিকৰ নাম কাটিব ধৰিছে। আজি প্ৰত্যেক বাগান বিলাকেই এই আইন ভঙ্গ কৰিছে তেওঁলোকে ফাল্টু শ্ৰমিকৰ সংখ্যা বঢ়াই স্থায়ী শ্ৰমিকৰ সংখ্যা কমাই দিছে তেওঁলোকৰ স্বাৰ্থৰ কাৰণে। এই আইন ভঙ্গ কৰা কাৰণে আমাৰ চৰকাৰে কি ব্যৱস্থা লৈছে ?

শ্ৰীজগন্নাথ সিংহ: তেনেকুৱা কোনো আইন নাই।

*শ্ৰীহেমেন দাস: এখন বাগানত বা এটা উদ্যোগত কিমান কেইজন স্থায়ী বনুৱা থাকিব লাগে তাৰ এটা হিচাব আছে অৰ্থাৎ আইন আছে। সেই আইন কাৰ্য্যকৰী কৰাৰ চেষ্টা কৰা নাই। সেই কাৰণে আজি সময় থাকোতে আমি কৈছো মালিকৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে এই বিভাগে যেনেকৈ উঠিপৰি লাগিছে তাৰ অতি শীঘ্ৰে ব্যৱস্থা কৰিব লাগে। এজন শ্ৰমিকে চাকৰীৰ পৰা অৱসৰ পোৱাৰ পাছত ৬ মাহৰ ভিতৰত তেওঁলোকে মালিকৰ পৰা প্ৰভিদেন্ট ফাণ্ডৰ টকা পাব লাগে কিন্তু কেইজনে এই টকা পাইছে ? তেওঁলোকৰ প্ৰাপ্য টকাখিনিত ইমান বেমেজালি কিয় ? সাধাৰন বনুৱা তেওঁলোক তেওঁলোকে লিখাপঢ়া একো নাজানে, তেওঁলোকে অৱসৰ পোৱাৰ পাছতো প্ৰভিদেন্টৰ টকাখিনি নাপায় তাৰ কাৰনেও তেওঁলোকে আবেদন নিবেদন কৰি থাকিবলগীয়া হয়। সেই কাৰণে কৈছো যে এই বিভাগে এতিয়ালৈকে মালিকৰ স্বাৰ্থ ৰক্ষাৰ কাৰনেহে কাম কৰে, চাহবাগানৰ শ্ৰমিক সকলৰ স্বাৰ্থৰ কথা এই বিভাগে ভাবিব নোৱাৰে। আমি শুনিচো বাগান বিলাকত একোজন হেল্‌থ এচিচষ্টেন্ট থাকিব লাগে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো এতিয়ালৈকে কিমানখন বাগানত হেল্‌থ

*Speech not corrected

এচিচষ্টেণ্ট দিয়াৰ ব্যৱস্থা কৰিছে ? কিমানখন বাগানত অৰ্হতা সম্পন্ন ডাক্তৰ আছে ? প্ৰয়োজনীয় ঔষধপাতি তেওঁলোকে পাইছেনে ? এই বিষয়ে কিন্তু বিভাগে নাজানে। নিয়োগ সম্পৰ্কে মই দুষাৰমান কব খুজিছো—কাৰীকৰী শিক্ষা-প্ৰাপ্ত লোক আজি বজাৰত নাই। এই কাৰিকৰী শিক্ষাৰ কাৰনে উদ্যোগিক প্ৰশিক্ষন অনুস্থান বুলি একোটা অনুস্থান আছে আৰু সেইটো পৰিচালনা কৰে নিয়োগ সঞ্চালকালয়ে। তাত এটা আচনি আছে ইউ এন ওৰ আই এল ও স্কিম। এই স্কিমৰ যোগেদি এডভাঞ্চ ভোকেচনেল ট্ৰেইনিং এখন ১৯৭৫ চনতে অসম চৰকাৰে অনুমোদন জনালে। ১৯৭৫ চনতে আৰম্ভ কৰা এই প্ৰশিক্ষনৰ যোগে ১৯৮০-৮১ চনলৈ মাত্ৰ ২৪ জন যুবকক প্ৰশিক্ষন দিছে। ইয়াৰ সকলো খৰছ বহন কৰে আই এলওই । তাৰ কাৰনে ৪ জন ইনষ্ট্ৰাক্টৰ চকিদাৰ পিয়ন আৰু যি ষ্টাফ থাকিব লাগে সকলো আছে খৰছ কিন্তু হৈয়েই আছে। তেওঁলোকে কি কাম কৰি আছে ? টকা আহিছে খৰছ কৰিব লাগে কৰি আছে, নিয়োগৰ সুবিধা কিন্তু হোৱা নাই। ৭ লাখৰো অধিক টকা আই এল ওৰ পৰা পাইছে অসম চৰকাৰৰ আছেই। খৰছ ১০ লাখৰো অধিক হৈছে। তেওঁলোকে খৰছৰ ভিতৰত এটা কাম কৰিছে গাড়ী কিন্তু এখন কিনিছে কাৰন কামত আগবাঢ়িব লাগিব। কিন্তু ৫৭৬ জন এতিয়ালৈকে প্ৰশিক্ষন দিব লাগিছিল প্ৰশিক্ষন দিছে মাত্ৰ ২৪ জনক। গাড়ীখন কিনাহৈছে ভকেচনেল ট্ৰেইনিং ইনষ্টিটিউটৰ নামত কিন্তু চলাই আছে নিয়োগ সঞ্চালকালয়ে। যি উদেশ্যত টকা পোৱা হৈছে সেই উদেশ্য কামত লাগিছেনে নাই তাৰ খবৰ নাই। আজি অসমত কাৰিকৰী শিক্ষাত এতিয়াও বহুত পাচ পৰি আছে, যুবক সকলক কাৰিকৰী শিক্ষা দিবৰ কাৰণে অনুস্থান খুলিছে কিন্তু কামৰ বেলিকা শতকৰাৰ ভিতৰত শতকৰাই ফাঁকি। ১৯৮০ চনৰ পৰা মাত্ৰ ২৪ জনক প্ৰশিক্ষন দিছে। তেনেহলে নিয়োগ বজাৰত আমাৰ অসমৰ মানুহ ক'ৰ পৰা প্ৰশিক্ষন প্ৰাপ্ত হৈ ওলাব ? আজি আপুনি মনে মনে শুনিবলৈ পাব শ্ৰমিকৰ ধৰ্ম্মঘট, শ্ৰমিক ছাটাই। সেইবিলাক কেচ নিষ্পতি হওঁতে বছৰৰ পাছত বছৰ লাগে, যিসকলৰ ইউনিয়ন আছে তেওঁলোকৰ কিছু উজু হয় ইউনিয়নে নধৰিলে যে আৰু হাহাকাৰ। মালিকৰ কলমৰ খোচত এওঁলোকৰ চাকৰী যায়। তেওঁলোকক ৰক্ষনাবেক্ষন দিয়াৰ কোনো ব্যৱস্থা নাই। আজি অমুকত ২০ জন কালি অমুকত ২০ জন চাকৰীৰ পৰা দিচচাৰ্জ হৈ আছে, তেওঁলোকৰ নিষ্পতি কিন্তু সদায় বিপৰিত। গতিকে টকা খৰছ মালিকৰ স্বাৰ্থৰ কাৰনেহে হৈছে।

উপাধ্যক্ষ ডাঙৰীয়া, কিছুদিন আগতে চৰকাৰে কৃষি শ্ৰমিকৰ নিম্নতম

সা-সুবিধা খিনি চোৱাৰ কাৰণে কেইজনমান লেবাৰ ইন্সপেক্টৰ দিছিল। কিন্তু মই মন্ত্ৰী মহোদয়ক এটা কথা সুধিব খুজিছো এই লেবাৰ ইন্সপেক্টৰ কেইজনে কিমান জন কৃষি শ্ৰমিকৰ হকে কাম কৰিছে সেইটোৰ বিচাৰ বা খবৰ ৰাখিছে নে? গোৱালপাৰ জিলাৰ চাপত গ্ৰাম অঞ্চলতো শ্ৰমিক সকলৰ মঞ্জুৰীৰ ওপৰত হোৱা খেলি-মেলিয়ে তেওঁলোকৰ মাজত এটা তিক্ততাৰ ভাৰ জগায় তুলিছে। অথচ মঞ্জুৰী আইন কাৰ্য্যকৰী কৰাৰ দায়িত্ব এই চৰকাৰৰেই। কিন্তু সেই কাম আন্তৰিকতাৰে কৰা হোৱা নাই। আজি অসমৰ কৃষি শ্ৰমিকৰ সংখ্যা প্ৰতি বছৰে বৃদ্ধি পায় আছে। টাটা বিৰলাৰ নিচিনা কোটিপতি সকলৰ ধনৰ টোপোলা বাঢ়িছে আৰু আনফালে শ্ৰমিকৰ সংখ্যাও বাঢ়িব লাগিছে। সেই কাৰণে মই চৰকাৰক এটা কথা কৈ থও আমাৰ যিখন মঞ্জুৰী আইন কৰা হৈছে তাক কাৰ্য্যকৰী কৰিব লাগে, তেতিয়াহে এই আইনৰ প্ৰতি আমি শ্ৰদ্ধা জনোৱা হব আৰু আমাৰ যি টো শ্ৰম বিভাগ আছে সেইটো প্ৰকৃতাৰ্থত শ্ৰমিক সকলৰ স্বাৰ্থৰ হকে কাম কৰা বিভাগ হিচাবে ৰাখিব লাগে। ইয়াৰ লগে লগে এই বিভাগত শ্ৰমিক সকলৰ যি বিলাক অভাৱ অভিযোগ আহিছে সেইবিলাক অতি সোনকালে নিষ্পতি কৰিব লাগে।

আজি চাহ বাগানৰ বনুৱা সকলৰ এনে এটা অৱস্থা হৈছে তেওঁলোকৰ হাতত বিক্ৰি কৰিবলৈ আন একো নাই আছে মাত্ৰ তেওঁলোকৰ শ্ৰম। এই শ্ৰমকেই তেওঁলোকে বিক্ৰি কৰি পেট প্ৰবৰ্ত্তাব লগা হোৱা অৱস্থাত তেওঁলোকৰ প্ৰতি আমি কি কৰিব পাৰিছো সেইটো ভাবি চাব লগিয়া বিষয়। আজি বাগানৰ বনুৱা সকলে যি কাম কৰিছে তাৰ বাবে তেওঁলোকে যিখিনি অধিকাৰ পাব লাগে সেই অধিকাৰৰ পৰা বঞ্চিত কৰা হৈছে। সেই কাৰণে ইয়াৰ এটা সমীক্ষা চলাব লাগে আৰু ব্যৱস্থা হাতত লব লাগে। এইখিনিতে মই এটা উদাহৰন দিব খুজিছো গুৱাহাটীৰ পৰা আপোনালোক যদি মিৰ্জ্জালৈ এবাৰ যায় তেনেহলে দেখিব ৰাস্তাৰ কাষে কাষে বহুতো ইটাৰ ভেটা আছে। ইয়াত অসংখ্য শ্ৰমিকে কাম কৰে। কিন্তু ইয়াত কিমানজন স্থায়ী শ্ৰমিক আছে সেইটো কোনোবাই খবৰ পাইছেনে? মাজে মাজে লেবাৰ ইন্সপেক্টৰ তালৈকে যায় আৰু দুই এজন কেৰানী মহৰীৰ স্থায়ী চাকৰী দেখুৱাই বাকী বোৰক অস্থায়ী হিচাবে ৰিপোৰ্ট দাখিল কৰে। এইটো কৰোতে কাৰ স্বাৰ্থ সিদ্ধি হয় সেইটো আপোনালোকে ভাবি চাওক। আমি এটা কথা পাহৰি যোৱা উচিত নহব যে আজি কিছু দিনলৈকে অসমৰ শ্ৰমিক সকল এটা গুৰুত্বপুৰ্ণ অৱস্থালৈ অহা নাছিল। কিন্তু

আজি আৰু সেই দিন নাই। অসমৰ চৰকাৰ, সজাগ হবৰ হল। আজি কুলি মালি আদিয়েই শ্ৰমিক হৈ থকা নাই অসমত থলুৱা অসমীয়া ও আজি শ্ৰমিক হৈ পৰিছে। এই সংখ্যা ক্ৰমান্বয়ে বাঢ়িয়েই আছে। সেই কাৰণে এই শক্তিক বাধা দিবলৈ যত্ন কৰিলে ভুল কৰা হব।

শ্ৰীজন্নাথ সিংহ (শ্ৰম মন্ত্ৰী): উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে তেখেতৰ ভাষণৰ কুলি শব্দ ব্যৱহাৰ কৰিছে। এইটো 'আন পাৰলেমেণ্টৰী' শব্দ ব্যবহাৰ কৰিছে। তেখেতে তেনে শব্দ ব্যৱহাৰ কৰাটো উচিত হোৱা নাই।

শ্ৰীহেমেন দাস: উপাধ্যক্ষ ডাঙৰীয়া, মই এইটো 'আন পাৰলেমেণ্টৰী' শব্দ হিচাবে ইয়াত ব্যৱহাৰ কৰা নাই। Once upon a time the word Coolie was used and at that time it was not un-parliamentary. Now it is not called colling it is now called labour. আজি শ্ৰমিক শক্তি ৰাজনৈতিক শক্তি হিচাবে ওলাই আহিছে। সেইকাৰণে আমি তেওঁলোকক আহ্বান জনাইছো, তেওঁলোকো ওলাই আহক আৰু দেশৰ বাকী অংশ মানুহে যিখিনি সুবিধা আদায় কৰিব পাৰিছে তেওঁলোকেও সেই সুবিধাৰ অংশ উলিয়াই লওক। তেওঁলোক এচাম মানুহৰ নিৰ্যাতন আৰু নিস্পেষনৰ পৰা মুক্তি পাওক। মই আৰু দীঘলীয়া নকৰো। এই খিনিকে কৈ মোৰ ভাষণৰ সামৰণি মাৰিলো।

*শ্ৰীপূৰ্ণ বড়ো: মাননীয় উপাধ্যক্ষ মহোদয়, শ্ৰমবিভাগত যি কৰ্ত্তণ প্ৰস্তাব অনা হৈছে মই তাৰ ওপৰত বক্তব্য ৰাখিব বিচাৰিছো। আজি শ্ৰমিক সকলৰ যি দুৰৱস্থা এই দুৰৱস্থা দেখিলে আমাৰ ধাৰণা হয় যে আমাৰ শ্ৰম দপ্তৰটোৱে শ্ৰমিক শ্ৰেণীৰ হকে একো কাম নকৰে। ই কেৱল মালিক সকলক পৰামৰ্শ দিয়া দপ্তৰ হিচাবেহে কাম কৰি আছে। এই শ্ৰমিক সকলৰ এনে দুৰৱস্থা যে তেওঁলোকৰ সম্পত্তি বুলিবলৈ একোৱেই নাই, আছে মাত্ৰ কঠোৰ শ্ৰম কৰিবলৈ দুখন হাত, যি দুখন হাতেৰে তেওঁলোকে কঠোৰ শ্ৰম কৰিব পাৰে। কিন্তু তেওঁলোকে কঠোৰ শ্ৰম কৰা স্বত্ত্বেও তেওঁলোকে যি দুৰৱস্থাৰ মাজেদি দিন নিয়াব লগা হৈছে তালৈ লক্ষ্য কৰিলে আমি দেখিবলৈ পাও এই দপ্তৰটোৱে কেৱল মালিক সকলক পৰামৰ্শ দিয়াৰ কামহে কৰি আছে। আমাৰ বিভিন্ন চহৰত যিবোৰ লেবাৰ অফিচ আছে সেইবোৰলৈ আমাৰ শ্ৰমিক সকল গৈ তেওঁলোকৰ ব্যক্তিগত অভাব অভিযোগবোৰৰ কথা কব নোৱাৰাৰ কাৰণেই সেই অফিচাৰ সকলৰ পৰা তেওঁলোকে কোনো ধৰণৰ সহায় নাপায়। আনহাতে লেবাৰ

*Speech not corrected

অফিচাৰ পৰা আৰম্ভ কৰি লেবাৰ কোৰ্টলৈ তেওঁলোকৰ অভাৱ অভিযোগৰ গোচৰ বোৰ আহোতে বহু বছৰ লাগি যায়। ইয়াৰোপৰি গেজেট নটিফিকেশ্যন হওতেও কমেও ৬ মাহ লাগে। হাই কোৰ্টৰ কথাটো আৰু বেলেগ। সেই কাৰণে আমাৰ সকলোৱে এটা কথা লক্ষ্য কৰক শ্ৰমিক সকলে এনে দুৰৱস্থাৰ মাজত কেনেকৈ দিন কটাব লগা হৈছে তাৰ কাৰণে সকলোৱে চিন্তা কৰা উচিত কেনেকৈ এই শ্ৰমিক সকলে উচিত বিচাৰ পাব পাৰে।

আজি সেই কাৰণেই যি ইণ্ডাষ্ট্ৰিয়েল ডিচপুট এক্ট' আৰু ৰুল আদি আছে সেইবোৰ সংশোধন কৰাৰ প্ৰয়োজন আছে। ব্যাপকভাৱে সংশোধন কৰাৰ প্ৰয়োজন আছে। ব্যাপকভাৱে সংশোধন কৰাৰ প্ৰয়োজন আছে। সেই কাৰণেই লেবাৰ বিভাগটোক আজি কাম কাজ কিছু কৰাৰ কাৰণে কিছু ক্ষমতা লাগে। কাৰণ বহু সময়ত এই বিভাগৰ বিষয়া সকলে অভিযোগ কৰা শুনা যায় যে ক্ষমতা নোহোৱাৰ কাৰণেই মালিকে শ্ৰমিকক অন্যায় কৰা দেখিলেও একো সহায় কৰিব নোৱাৰে। সেয়ে এই অৱস্থাত সংশোধনৰ প্ৰশ্ন জড়িত হৈ আছে। আপোনালোকে জানে যে আমাৰ 'ওৱেজ এক্ট' আছে আৰু এই এক্ট প্ৰয়োগ কৰাৰ দায়িত্ব ডি, চি সকলৰ ওপৰত আছে। কিন্তু কাৰ্য্য ক্ষেত্ৰত দেখা যায় যে সঠিকভাৱে তাক প্ৰয়োগ কৰিব পৰা হোৱা নাই, তেনে অভিযোগ বহু পোৱা হৈছে। আপোনালোকে জানে যে নিম্নতম মজুৰী নিৰ্দ্ধাৰন কৰাৰ কাৰণে যি এডভাইজৰী বৰ্ড আছে সেই বৰ্ডৰ ক্ষমতাও সীমিত। আকৌ কিছুমান উদ্যোগ আছে যিবোৰ এই বৰ্ডৰ সীমাৰ ভিতৰত নপৰে আৰু সেই কাৰণেই এই উদ্যোগ সমূহৰ শ্ৰমিক সকলৰ নিম্নতম মজুৰী আদিৰ ক্ষেত্ৰত এই বৰ্ডে পৰামৰ্শ আগ বঢ়াব নোৱাৰে। আৰু কেতিয়াবা আগবঢ়ালেও এই বৰ্ডৰ পৰামৰ্শ হেনো কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত কিছু বছৰ লাগি যায়। কাজেই আজি শ্ৰমিকৰ স্বাৰ্থত এক্ট সংশোধন কৰাৰ প্ৰশ্ন আহি পৰিছে। লগতে এই সংশোধনৰ বাবে যি বৰ্ড আছে সেই বৰ্ডক আৰু অধিক ক্ষমতা দিব লাগে। কাৰণ শ্ৰমিকৰ ওপৰত নিৰ্য্যাতন বাঢ়িছে, শোষণ বাঢ়িছে। মালিক পক্ষই শ্ৰমিকৰ ওপৰত অত্যাচাৰ বঢ়াই গৈ আছে। আজিও ঠিকা শ্ৰমিক সকলৰ মৰগীয়া বানচৰ কোনো ব্যৱস্থা নাই। আনহাতে যিবোৰ উদ্যোগত মৰগীয়া বানচৰ ব্যৱস্থা আছে তাতো ২০-৩০ পইণ্টৰ প্ৰাইচ ৰাইজমতে এই মৰগীয়া বানচ নিৰ্দ্ধাৰিত হৈছে ৭০ বা ৮০ পইচা পাবলৈ সক্ষম হৈছে। কিন্তু চৰকাৰে সম্প্ৰতি প্ৰদান কৰিছিল যে বৰ্ত্তমানৰ পইণ্টত শ্ৰমিক সকলক ১.৫০ পইচাকৈ

দিয়া হব। কিন্তু এইটো আজিও কাৰ্য্যকৰী কৰা হোৱা নাই কিয়? গতিকে চৰকাৰৰ শ্ৰম দপ্তৰে এই বিলাক চোৱা চিতা কৰিছেনে নাই চাব লাগে। সন্মতি প্ৰদান কৰিও চৰকাৰে এই কৰণীয়া কাম বিলাক কিয় হোৱা নাই এই বিলাক নোচোৱাতো শ্ৰমিক সকলৰ প্ৰতি অন্যায় কৰা হোৱা নাইনে? আপোনালোকে নিজেই চিন্তা কৰক।

স্বাধীনতাৰ আজি ৩৭ বছৰৰ পিচতো বহু শ্ৰমিকে মাহৰ ২৬ দিনৰ হে দৰমহা পায়। পুৰা দিনৰ কাম কৰিও কিয় ২৬ দিনৰ দৰমহা পায় চৰকাৰে অলপ চাইছেনে? কাৰণ তেওঁলোকেও জানো দুখন হাতেৰে উৎপাদন কৰা নাইনে? সমাজৰ উৎপাদন বৃদ্ধিত তেওঁলোকৰ অৰিহনা নাইনে? তথাপিও এই শ্ৰমিক সকলক বঞ্চিত কৰাৰ এই ব্যৱস্থাটো কিয় জীয়াই ৰখা হৈছে?

উপাধ্যক্ষ মহোদয়, ‘‘প্লেণ্টেচন লেবাৰ এক্ট’ আজি ৩০ বছৰৰ আগতেই পাছ কৰা হৈছিল। আৰু এই আইনমতেই চাহ বনুৱা সকলক বিভিন্ন সা-সুবিধা দিয়াৰ কাৰণে কোৱা হৈছিল। কিন্তু আজিও কিয় এই আইন সঠিক ভাৱে প্ৰয়োগ কৰা হোৱা নাই। এই বিলাক আইন আদি থকা স্বত্বেও চাহ বনুৱা সকলৰ যি দুৰাৱস্থা, সেই দুৰাৱস্থা আতৰাই সকলো সা-সুবিধা দিয়া ব্যৱস্থা কৰিব লাগে। এই বোৰ কথা চালি জাৰি চাবৰ কাৰণে ‘ফেক্ট ফাইডিং কমিটী’ চৰকাৰে গঠন কৰা দৰকাৰ। আৰু এই কমিটীয়ে প্লেণ্টেচন লেবাৰ এক্ট’ সঠিকভাৱে কিয় কাৰ্য্যকৰী হোৱা নাই তাক চাব লাগে। কাৰণ বনুৱা সকল সদায় প্ৰৱঞ্চিত হৈ আহিছে আৰু মালিকে প্ৰৱঞ্চনা কৰি আহিছে। তাৰ উদাহৰন স্বৰূপে কওঁ ‘অসম টী কৰ্পৰেচনে এই বনুৱা সকলৰ প্ৰভিডেণ্ট ফাণ্ডৰ ৪ কোটী টকা জমা দিবলৈ বাকী আছে। এইটো কিয় হৈছে? আজি শ্ৰম দপ্তৰৰ লগতে চৰকাৰে এই ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিছে যাৰ যোগেদি শ্ৰমিক সকলৰ স্বাৰ্থ ৰক্ষা পাব? আৰু কি ব্যৱস্থা লৈছে যাৰ যোগেদি মালিক সকলৰ যি অন্যায় অবিচাৰ তাক প্ৰতিৰোধ কৰিব পাৰি? আমাৰ কমৰেড শ্ৰীহেমেন দাসে এটা কথা কৈছে যে আমাৰ লেবাৰ ইন্সপেক্টৰ আছে কিন্তু তেওঁলোকে কতো কেতিয়াও পৰিদৰ্শন কাৰণে নাযায়। আৰু কেতিয়াবা গলেও শ্ৰমিক সকলক লগ ধৰি তেওঁলোকৰ সা-সুবিধা সম্পৰ্কত তেওঁলোকে কেতিয়াও ভূ নলয়। সেয়ে কৈছো আজি এক্ট আছে কিন্তু এক্টৰ ধাৰা প্ৰয়োগ কৰাৰ ব্যৱস্থা নাই। শ্ৰম দপ্তৰৰ দায়িত্বত যিসকল বিষয়া আছে সেই সকলে নিজৰ দায়িত্ব পালন কৰা নাই। আজি সৰু সুৰা উদ্যোগ বা

মটৰ গেৰেজ আদিত যিবোৰ শ্ৰমিক আছে তেওঁলোকৰ মজুৰী নিম্ন সা সুবিধা আদি দিয়া হোৱা নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, এনে অৱস্থাত মই আজি এটা কথা কৈ শেষ কৰিব খুজিছো যে, শ্ৰমিক সকলৰ বিভিন্ন অভাৱ অভিযোগ বিলাক জনাবৰ কাৰণে শ্ৰমিক সংগঠনৰ ফালৰ পৰা আমাৰ মাননীয় মুখ্যমন্ত্ৰী আৰু শ্ৰম বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ক লগ ধৰিব কাৰণে চেপ্তেম্বৰ মাহৰ পৰাই চেষ্টা কৰি আহিছে। কিন্তু শেষ মুহুৰ্ত্তত দিয়া 'এপইণ্টমেণ্টো' বাতিল কৰি দিয়ে। এই কথাটোত আমি বৰ দুখ পাইছো। লগ কৰিবৰ কাৰণে দিন বাৰ দিয়া স্বত্বেও শেষ মুহুৰ্ত্তত লগ কৰিবলৈ নিদিলে। যোৱা চেপ্তেম্বৰ মাহৰ পৰাই এই দৰে চেষ্টা চলাই থকা স্বত্বেও এন. চি, চি আৰু চি, আই, চি, ইউৰ শ্ৰমিক সংগঠনৰ নেতৃবৃন্দ বিফল হব লগীয়া কিয় হৈছে সেইটো আমি বুজি পোৱা নাই। ইয়াৰ কাৰণ সম্বন্ধে নিশ্চয় আমাৰ মাননীয় মন্ত্ৰীয়ে জবাব দিব। সময় যিহেতু নিচেই কম, গতিকে মোৰ বক্তৃতা আৰু দীঘলীয়া নকৰি ইমানতে মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

Shri Benoy Kumar Basumatary : Sir, I rise to support the cut motion moved by Shri Das and Shri Boro. I just wish to say that there is no minimum monthly wages Act or government has not incorporated in the Labour Bill for industries where there are trade unions that there should be monthly salary in all the industrial units where trade unions are functioning. That is one point. The second point is I happen to be the Chairman of the Trade Union of Assam Cotton Mills, Chariduar. Sir, this Mill was established on the explicit argument that for the development of the tribal areas this Mill was established in a tribal area by dereserving Charduar Reserve Forest, and nobody came except Mr. Birla to start the industry there. No monthly salary is paid to the labourers here. The third point is labourers had observed May Day. As against the instruction by the State Government, no salary was paid to

the labourers of this trade union or to the labourer of the Assam Cotton Mills, Charduar on the May Day. The Government declared holiday for the May Day (Ist May) and the Government also declared that the laboureers or the trade unions must be paid full salary for the labour day i.e., May Day. The fourth point is the holidays puja holidays, national holidays like Bihu or religious holidays like Christmas have been very much restricted to the trade unions or industrial units. This is discriminating for the labourers and it means that they are not fit to enjoy full liberty in the national festivals or during puja. There is certain discrimination and they are not allowed to enjoy religious festivals.

The next point is - Bonus; there is a general instruction that minimum bonus is to be 8.33% and the maximum is 20%. But almost everyone sticks to the minimum bonus payable which can be awarded. Out of 100 cases, 90% of them stick to grant bonus of 8.33%. As pointed out by Shri Das, in the tea industry where there is huge profit, they can easily exceed the minimum bonus livit and increase the amount of bonus and pay atleast 15% if not 20% of bonus as per laws. So, there should be instructions from the government side that the bonus should be in relation to or in ratio to the proportion of profit. The industrialists should not be allowed to go scot free just by declaring the minimum bonus. The amount should be or the ratio should be in proportion to profit and on this of the state basis the bonus should be declared by the Industrial units. The last point is about employment; for registering in the Employment Exchange, the tribal candida-

tes are not allowed to register themselves unless they pay money. On the floor of this House I have repeatedly said that this sort of discrimination must be ended immediately.

শ্ৰীমিৰ আব্দুল হালিম ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজি এই আলোচনা এই কাৰণেই হৈছে যে, প্ৰত্যেক বিলাক বিভাগতে লেবাৰ আছে। এজন মাননীয় সদস্যই ইমান চনত ইমান লেবাৰ কমি গল, আমুক চনত ইমান কমিল বুলি এটা হিচাৰ দেখুৱাইছে। এই বিষয়ে বোধ হয় আমাৰ মাননীয় মন্ত্ৰী মহোদয় অবগত। গতিকে এই বিষয়ে আৰু মই বেছি নকওঁ বুলিয়েই ভাবিছো। লেবাৰ বিলাক যে এঠাইৰ পৰা আন ঠাইলৈ বদলি কৰিলে নগলেই চাকৰি যায়, সেইদৰে ডাঙৰ চাকৰিয়াল বিলাক যাক বদলি কৰিলেও নোহোৱাকৈ চুটি লৈ থকা স্বত্বেও চাকৰি নেযায় এইটো কিয় হবলৈ পাইছে ? এইটো সচাঁকৈয়ে ভাৱিবলগীয়া কথা। গড়কাপ্তানী বিভাগত যিবিলাক লেবাৰে কাম কৰে সেই সকলে ৰিটায়াৰ কৰাৰ পিছত পেঞ্চন পোৱাৰ ব্যৱস্থা কিয় নাই ?

চাহবাগিছাৰ লৰা-ছোৱালী বিলাকৰ শিক্ষাৰ কাৰণে স্কুল কলেজৰ কোনো ব্যৱস্থা নাই। চাহবাগানৰ লৰা-ছোৱালীৰ কাৰণে শিক্ষা দীক্ষাৰ ব্যৱস্থা কৰিলে কিজানি তেওঁবিলাকে চাহপাত নিচিঙা হয় সেই ভয়তে কিজানি তেওঁলোকৰ কাৰণে ভাল শিক্ষাৰ ব্যৱস্থা নকৰে। সেইকাৰণেহে মই আমাৰ চৰকাৰক অনুৰোধ কৰিছো যে, বাগানৰ লৰা-ছোৱালী বিলাকে ভাল শিক্ষা আদি পাবৰ কাৰণে ব্যৱস্থা কৰিব লাগে।

গাৱঁলীয়া এনেকিছুমান লেবাৰ আছে যি বিলাকৰ কাৰণে কাম নহলে যি হিচাবেই টকা নিদিয়ক কিয় কাম কৰিবলৈ বাধ্য হয়। কিয়নো তেওঁবিলাকে যদি দিনে দুটকাও পায় তাৰ দ্বাৰাইও নিজৰ লৰা-ছোৱালীক পোহপাল দিবৰ কাৰণে অন্ততঃ আধা কেজি হলেও চাউল কিনিব পাৰে। গতিকে দিনে ৯ টকা বান্ধি দি যিটো ব্যৱস্থা কৰিছে সেইটো ভাল যদিও কাম দিব নোৱাৰিলে মানুহ এনেয়ে বহি থাকিব লাগিব। গতিকে লেবাৰ এই বিষয় বিলাক ভালদৰে অধ্যয়ন কৰিব লাগে। এটা কথা আছে, ধনীয়ে ধনীৰ লগতহে মিলে আৰু দুখীয়া দুখীয়াৰ লগতহে মিলে। সেইকাৰণেহে মই আমাৰ চৰকাৰক এই কথাই কব খুজিছো যে, লেবাৰ বিলাকৰ কাৰণে সংবিধান এখন কৰি দিব নোৱাৰিলে এই

লেবাৰ সকলৰ কাৰণে যিমানেই কাম চৰকাৰে নকৰক তাৰ দ্বাৰা একো লাভ নহব যেন লাগে।

এই খিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

Shri Dileswar Tanti : Sir, I beg to speak in support of the demand for grants placed by our honourable Minister for Labour and at the same time I oppose the cut motion tabled by the hon.members of the opposition bench. Sir, the demand for grants is of the tune of Rs. 4,28,12,000 been demanded by the Minister is to be voted by this House because we are to help the agriculturists and labourers who are the back bone of our Nation as without the agriculturists, farmers and labourers we cannot think of the betterment of the Nation. The welfare and betterment of the labour class in the major task before our Govt. A govt. which aims at establishing a welfare state or a socialistic pattern of society is to do this work first. Of course there are many defects and many lacunas in various labour laws for which it has not been possible even after 30 years of attainment of independence to imporve the lot of the workers of the State and the country, to the extent it should have been. First of all, I would like bring to the notice of the Govt. through you Sir, regarding lacunas that are prevailing in the Plantation Labour Act. As you know Sir, the Plantation Labour Act was enacted in 1951 and the rules were framed in 1956 are having some defects. In the Plantation Labour Act it has been said that in a Plantation State having permanant labour force to the extent of 1750 persons, one doctor is to be provided. In this Act itself it has been said again that a pharmacist is to be provided in a Division. Taking advantage of this lacuna the Tea Es-

tates were divided into Divisions inorder to avoid the legal obligation of appointment of a Doctor. In this way there are so many lacunas in the Act, and the panel provisions which are there in the Act, are very mild and these go more in favour of the management who very often violate these. The panel provision prescribed for violation of this Act is a fine of Rs. 5 /—and maximum Rs. 500/—and this is why the managements are interested in violating the Act because the fine will be of the order of Rs. 50/—. or Rs. 500/—. An example can be given. Supposing that a Management is to construct a bathroom in a labour he will have to spend Rs. 1000/—but if he violates it he is to pay a fine of Rs. 50/—. Therefore, they choose violation of the Act. In this way the management is going on. Moreover, these acts were passed soon after independence and it is time when the workers participation in the Management is sought, to amend this Act and the panel provisions attached to it. There should be a provision for compulsory imprisonment for the violation of the provisions of the Act. It has been said Sir, that the workers population is increasing for which workers are being dismissed from service at the whims of the management and in course of time the permanant labour force in the Tea Estates and other industries have gone down to a great extent. It is because the Employment Standing Order which are operating in the Tea Estate in this country which are all out dated. The Employment Standing orders were enacted during British, regime and after 30 years of Independence when we are thinking of establishing a socialistic pattern of society. when we are thinking labour participation in the

management who should be the absolute part of the Industries. Sir, it is high time in order to suit the present context, the Employment Standing Order is required to be amended. We have found in the Employment Standing Order prevailing in the tea garden that a management can suspend a warker and keep him under suspension for an indefinit period of time. Sir, in otherr standing orders we have found that in the period of suspension for three months, the management is bound to pay 50 per cent subsistance allowance and beyond that period the worker is paid at 3/4th wages as subsistance allowance. Sir, this provision is not there in the standing orders of Tea Estates and that is why the management are taking advantage of this lacuna. Sir, they suspend the workers for an indefinite period of time as a result of which the workers suffer to a great extent. Then again Sir, I think this Industrial Dispute Act which is the only machinary in the hands of the Government to expedite the settlement of the grievances of the workers are having also some lacunaes because as per the standing order when a worker is agrieived or when he is dismissed, he is to approach the Concilation Officer or Labour Officer for getting redressal of his grievances. Sir, as all we know, the management itself takes indefinite time say. 3to 6 months or even one year to get the case of the workers finally disposed off. Sir, it is also found that even after 6 months or one year, heir cases are sent to Labour Office and Labour Officer also in his turn takes similar period of time and after onciliation procedding is complete, the proceeding is ent to Government and Government in their turn

refers it to Industrial Tribunal and Industrial Court and in order to get justice from the Court, the particular worker is to wait for atleast 3/4 years This is the fate of a poor worker and in this way as there is no fixed procedure or fixed time limit, the worker is to wait for such an indefinite period say 5 years to 10 years and ultimately it happens justice is delayed is justice denied. And that is why the Industrial Dispute Act is required to be amended up to date and proper time limit should be fixed wherein conciliation proceeding and final disposal of the case in the Labour Court and other High Court is ensured. Sir, we have found that in the tea industry though there are so many lacunae and so many defects, after independence many Welfare Acts have been enacted and some many bilateral agreements have also been reached between the management and recognised industrial unions and many welfare measures have been taken. In 1955 Provident Fund Act had been enacted. Pension and Gratuity Acts are there and so many welfare schemes and Acts have been enacted from time to time but Sir, we find that all these benefits which the workers used to get after their retirement, all the benefits go to the money landers. As soon as the labourers gets their money, they are surrounded by money lenders. In the earlier days, there were Kabuliwallas but Sir, now a days, there are Desi Kabuliwallas. The workers cannot go out the compus of the tea factory or tea industry. Their moneys are being snatched away by these money lenders and Kabuliwallas. Sir, I therefore, request Hon'ble Labour Minister through you to bring certain legislation so that we can give protection

to the workers. Sir, we have heard that such legislation is working in other States and we are to bring such legislation so that businessmen or money lenders do not have free access to go to the campus of the Industry to snatch away the money which they have earned after putting so many years of service. Now Sir, I would like to say something about the employment of this State. We have many Employment Exchanges all over the State to provide employment opportunities to our boys and youths. But we find that these Employment Exchanges are not functioning to the extent we expected them to be and at the same time to safeguard the labour force of this State, these Employment Exchanges should take proper care of them. At this moment what we find, the Employment Exchanges only notify vancancies of whith collar jobs. But Sir, the system of registration of manual labourers in the Exchanges are not there. This point also should be attended to. Sir, in recent times, many industries have come up and many more are coming up soon. Sir. if we want to do justice to our labour force, Employment Exchanges should notify all categories of posts including labour so that we could amply strengthen our labour force. The Industrialists generally bring labourers from outside the state ignoring our own labourers. Agoin Sir, we are very much thankful to our Hon'ble Labour Minister for his issuing a Circular to different Departments to affect implementation of the population pattern in all the jobs. But I am sorry to note that Government officers and Ministers themselves recruit or sponsor candidates for employing in the vacancies occured in various Departments in recent

years frustrating workers and youth who have registered their names in the Employment Exchanges years after years and with this Iconclude my speech.

*শ্ৰীউপেন সনাতন : উপাধ্যক্ষ মহোদয়, মাননীয় শ্ৰম মন্ত্ৰী ডাঙৰীয়াই শ্ৰমবিভাগৰ কাৰণে যি মঞ্জুৰী ডাঙি ধৰিছে তাৰ মই সমৰ্থন কৰি আৰু আমাৰ মাননীয় হেমেন দাস আৰু পূৰ্ণ বড়োৰ কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি দুষাৰ কব বিচাৰিছো। প্ৰথমতেই মই এটা কথা কব খুজিছো যে মঞ্জুৰী সম্পৰ্কে যিটো টকা শ্ৰম বিভাগৰ কাৰণে ডাঙি ধৰিছে সেইটো খুব হৈছে কিয়নো শ্ৰম বিভাগটো অসমৰ এটা ডাঙৰ বিভাগ আৰু এই বিভাগত এতিয়াও বহুত অসুবিধা আছে। প্ৰত্যেক জিলাতেই শ্ৰম-বিভাগৰ অফিচ বিলাক আছে যদিও তাত বহামেলা কৰিবলৈ ঘৰ নাই, গাড়ী নাই আৰু অন্যান্য কোনো সুবিধাই নাই। যি কোনো ইণ্ডাষ্ট্ৰিয়েল ডিচপিউত ইত্যাদি মিমাংসা কৰিবলৈ হলে ঠাইলৈ যাবলৈ বা যথাস্থানত যাবলৈ গাড়ীগুৰা নোহোৱাৰ কাৰণে মালিকৰ ওপৰতেই নিৰ্ভৰ কৰিব লগীয়া হয় আৰু উদ্যোগৰ মালিকে গাড়ী দিলেহে যাব পাৰে। গতিকে ডিচপিউটৰ মিমাংসা কি হব তাতেই গম পোৱা যায়। চাহবাগান বং তদ্‌জাতীয় উদ্যোগৰ পৰা চৰকাৰে বহুত টেক্স পাই আহিছে অথচ সেই উদ্যোগ বিলাকেই লেবাৰৰ ওপৰত নিৰ্ভৰ নকৰিলে চলিব নোৱাৰে। তেনেক্ষেত্ৰত এই শ্ৰমৰ কাৰণে যিটো মঞ্জুৰী আহিছে সি নিচেই কম হৈছে। ফলত দেখা যায় যিবিলাক ডিচপিউট কম সময়ৰ ভিতৰতে নিষ্পতি হব লাগে সেই বিলাক বছৰ বছৰ ধৰি নিষ্পত্তি নোহোৱাকৈ পৰি থাকে। গতিকে এই ডিচপিউত বিলাক সোনকালে চেটেল কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিব লাগে। তেনে এটা উদাহৰণ মই দিব বিচাৰো। লেবাৰ ইণ্ডাষ্ট্ৰি ট্ৰিবুনেলত যোৱা ১৪ বছৰে মীমাংসা নোহোৱাকৈ পৰি আছিল। ইমানদিনে কাগজপত্ৰৰ কি দশা হ'ল কব নোৱাৰো। ধাৰণা হয় চৰকাৰেও এই লেবাৰ ডিপাৰ্টমেণ্টক অৱহেলা কৰে। কিয়নো ইণ্ডা-ষ্ট্ৰিয়েল ট্ৰিবিউনেলত জজ্‌ হিচাবে কেৱল ৰিটায়াৰ মানুহ বিলাকক দিয়ে আৰু তেওঁৰ কাৰ্য্যকাল পাৰ হোৱাৰ পাছত এবছৰ দুবছৰলৈ কোনো নাথাকে। কেৰাণী মহৰীয়ে চলাই থাকে। আকৌ ধৰা ধৰি কৰিলে দিয়ে যদিও পুনৰ এবছৰ দুবছৰ কাৰণে বহি থাকিব লাগে। ফলত বহুত পুৰণা কেচ মীমাংসা নোহোৱাকৈ পৰি থাকে। গতিকে এই লেবাৰ ডিপাৰ্টমেণ্টৰ অসুবিধা কত আছে, কি কাৰণে ইমান কমজোৰি হৈছে, ষ্টাফ বেছি নাই, চাইকেল ইত্যাদি যাবতীয় সামগ্ৰী বিলাক

*Speech not corrected

নাই। কিয়নো তেওঁলোকে ৫০ মাইলমান দূৰ চাইকেলেৰে যাবলগীয়া হয় ডিচ-পিউটৰ কাৰণে। কিন্তু তাকে নোহোৱাত ইণ্ডাষ্ট্ৰি মালিকৰ দয়াৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। ফলত এইবিলাকৰ কাৰণে চাহমজদূৰ সকল এফেক্টেড্ হবলগীয়া হয়। আৰু এটা কথা হ'ল আমাৰ টি প্লেণ্টেচন এক্ট মতে মজদূৰ সকলৰ ঘৰ বনাব লাগে কিন্তু যোৱা ইমান বছৰে মাত্ৰ শতকৰা ৮ ভাগহে বনাব পাৰিছে। তিনি ভাগৰ এভাগ ঘৰ হোৱাই নাই। যিবিলাক ঘৰ বান্ধিছে সেইবিলাক এবছৰ পিচতেই ভাঙি যাব। আচৰিত কথা যে খেৰৰ ঘৰ বিলাক বৰষুণৰ দিনত ছেপ্তেম্বৰ মাহলৈকে ৰিপেয়াৰ চলি থাকে। ইনচপেক্টৰ সকলৰ কোনো পাৱাৰ নাই যে মেনেজাৰ সকলৰ ৰেচপনচিবুল কৰিব। ৫০ টকা ফাইন দিয়াৰ কাৰণে তেওঁলোকৰ কাৰণে কথাৰ কথাই নহয়। দৰকাৰ হলে ৫০ টকা পঠাই দিব। গতিকে কেচ কৰ পৰা পৰিব। গতিকে মেনেজাৰৰ ওপৰত একচন লবলৈ ব্যৱস্থা থাকিব লাগে। পকা ঘৰ বিলাক ঠিকেই বনাইছে যদিও কোনো কোনো ঠাইত, লেটৰিণ নাই কিন্তু, আৰু লেটৰিণৰ কথা কলে কয় যে লেটৰিণৰ কাৰণে চৰকাৰে চিমেণ্ট দিয়া নাই। ঘৰৰ কাৰণেহে দিছে। ঘৰৰ চিমেণ্টৰে লেটৰিণৰ কাম কৰিব মানা কৰিছে বুলি মেনেজমেণ্টে কয়। গতিকে চৰকাৰৰ ফালৰ পৰা এনেকুৱা ব্যৱস্থা লব নোৱাৰা হৈছে। এনেকুৱা বিলাক কথা অনুসন্ধান কৰোতে আৰু অন্যান্য কথাও আলোচনা কৰোতে যদিও টেবুলত ভুকুৱা ভুকি হয় কিন্তু পিচত ৫০ টকা ফাইন দিলে সকলো শেষ হৈ যায়। গতিকে এইবিলাক বিষয়ে মন্ত্ৰী মহোদয়ে চাইচিতি উচিত ব্যৱস্থা লব লাগে। তাৰ পাচত আন এটা কথালৈ আহো। সেইটো হ'ল প্ৰভিডেণ্ড ফাণ্ড আৰু পেনচন ইত্যাদি বছৰ বছৰ ধৰি নাপায়। গ্ৰেচুইটিৰ কথাটো নকওঁয়েই—মানুহ মৰি হাড়ত বন গজাৰ পাচতো নাতিনীয়েকৰ দিনতো গ্ৰেচুইটিৰ টকা হৈ নুঠে। চৰকাৰে ইয়াৰ এটা ব্যৱস্থা কৰিব নোৱাৰেনে ? তাৰ পাচত আমাৰ ইয়াত আজিকালি কিছুমান ঘৰুৱা কাবুলি ওলাইছে তেওঁলোকে এশত চল্লিশ টকা সুত লয়। এইটো এটা ডাঙৰ সমস্যা হৈ পৰিছে। গতিকে শ্ৰম বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই এই সকলো বিলাক কথা পৰীক্ষা নীৰিক্ষা কৰি মজদূৰ সকলৰ কল্যাণৰ কাৰণে যথাবিহিত ব্যৱস্থা অনতিপলমে লবলৈ অনুৰোধ জনালো।

এশ টকা গৈ ডুশ হব আৰু তাৰ পিচত আশী টকা হৈ যাব। এবছৰ বা ডুবছৰৰ ভিতৰত টকা দিব নোৱাৰিলে মাৰপিত কৰিব। এনেকুৱাই অৱস্থা হয়। মই চৰকাৰৰ ফালৰ পৰা আইনৰ ব্যৱস্থা কৰিবলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। কটকটীয়া আইন কৰিব লাগে। যাতে কোনো লোকে গৈ মজদুৰ এলেকাত জোৰ

জুলুম কৰি টকা আদায় কৰিব নোৱাৰে আৰু বেআইনী ভাবে কোনো ব্যৱস্থা লব নোৱাৰে তাৰ কাৰণেও ব্যৱস্থা লব লাগে।

(সময়ৰ সংকেত)

আন এটা কথা হৈছে নিবনুৱা সমস্যা। আমাৰ নিবনুৱা সমস্যা বাঢ়ি গৈছে। আমাৰ এম্প্লইমেণ্ট এক্সচেঞ্জৰ দ্বাৰা এই নিবনুৱা সমস্যা কমাব লাগে। নিযুক্তি দিলেই নিবনুৱা সমস্যা কমি যাব। ইমান নিবনুৱা বাঢ়িছে যে আন আন বিভাগ নালাগে ডুলিয়াজানত মজদুৰ মানুহে চাকৰিৰ বাবে ইণ্টাৰভিউ দিলেও প্ৰথম দিতীয় হলেও দুই তিনি বিঘা মাটি বেছি পইচা দিলেহে চাকৰি পাব পাৰে। ৰেটটো বৰকৈ বাঢ়ি গৈছে। দহ হাজাৰ আঠ হাজাৰ পৰ্য্যন্ত বাঢ়ি গৈছে। এই বিলাকৰ কাৰণে চৰকাৰে যদি কিবা ব্যৱস্থা নলয় তেনেহলে দুখীয়া বিলাক আৰু দুখীয়া হৈয়ে থাকিব। আমি দেখিবলৈ পাইছো কোনো কোনো ডাঙৰ ডাঙৰ ইণ্ডাষ্ট্ৰিত থকা ঠাই নাইকীয়া হৈছে। ইয়াৰ কাৰণে চৰকাৰৰ ওচৰত ব্যৱস্থা কৰাৰ কাৰণে অনুৰোধ ৰাখিলো।

(সময়ৰ সংকেত)

নিযুক্তিৰ ক্ষেত্ৰত কিটকটীয়া ব্যৱস্থা কৰিব লাগে। সঁচাকৈয়ে যিসকলে পৰীক্ষাত পাছ কৰি স্থান অধিকাৰ কৰে সেই সকলৰ কাৰণে নিয়োগৰ ব্যৱস্থা চৰকাৰৰ ফালৰ কৰা নিতান্ত প্ৰয়োজনীয়। এইখিনিকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

*শ্ৰীবলোৰাম নাগ : মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধী দলৰ মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই উত্থাপন কৰা কৰ্ত্তন প্ৰস্তাৱটো বিৰোধীতা কৰি দুষাৰ কথা কবলৈ থিয় হৈছো। লেবাৰ আৰু এম্প্লইমেণ্ট সম্পৰ্কে মাননীয় সদস্য সকলে মতামত আৰু পৰামৰ্শ আগবঢ়াইছে তাৰ কিছুমান কথাৰ প্ৰতি মোৰ সমৰ্থন আছে আৰু দুই এটা মতামতৰ বিপক্ষে মই নিশ্চয় বিৰোধীতা কৰো। অসম খন এখন চাহ বাগিচাৰে পৰিবেষ্টিত প্ৰদেশ। লেবাৰ বুলি কওঁতে এম্পইমেণ্ট বুলি মই বিশেষকৈ এই চাহবাগানৰ কথাই ভাবো। আমাৰ বিৰোধী দলৰ মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই এই সম্পৰ্কে কোৱা কথাসমূহ মই একান্তমতে মন কৰিছো। লেবাৰ আৰু এম্পইমেণ্ট পলিচিৰ বিৰুদ্ধে পৰ্য্যালোচনা কৰি তেখেতে যিখিনি কথা কৈছে প্ৰায় ভাগ চাহবাগিচাৰ কথাই কৈছে। যদি আমি এই আলোচনাৰ বিষয় কেৱল মাত্ৰ চাহবাগিচাৰ বুলিয়েই ধৰি লওঁ তেতিয়াহলে মই কব খুজিছো

*Speech not corrected

যে অসমত ইণ্ডাষ্ট্ৰি শিল্প বুলিলে বৃহত্ব শিল্প বুলি কবলৈ হলে চাহ শিল্পৰ কথাই কব লাগিব। মই এই চাহশিল্পৰ বিষয়ে কিছুমান অভাৱ অনুভৱ কৰিছো।

এই চাহ শিল্পৰ সম্পৰ্কে মই কিছুমান অভাৱ অনুভৱ কৰিছো। যাৰ নেকি আমাৰ অসম চৰকাৰে আজিলৈকে কোনো ব্যৱস্থা কৰা নাই। চাহ শিল্পৰ উন্নতিৰ কাৰণে এই পবিত্ৰ সদনত বহুতো মাননীয় সদস্যই বহু ৰকমে পৰামৰ্শ তথা মনোভাৱ দাঙি ধৰিছে। আজি বহুত দিনৰে পৰা অৱশ্যে যোৱাবাৰ পবিত্ৰ সদনতো মইও এটা কথা কৈছিলো যে, অসম চৰকাৰে এটা সুস্থ নীতি লব লাগে। এই শিল্পতো উন্নতি কৰিবলৈ এটা সুস্থ স্পিয়েৰ কাট ইন্দ্ৰাষ্টিয়েল পলিচি লব লাগে। যিটোৰ অভাৱৰ কাৰণে আজি চাহ শিল্পৰ যেনে ধৰণে উন্নতি হব লাগিছিল সেই ধৰণে হোৱা নাই। সেইকাৰণে মই কৈছো আমাৰ চৰকাৰে এটা সুস্থ স্থিৰ নীতি কৰাৰ সময় হৈছে। কাৰণ চাহ শিল্পৰ অসমৰ একমাত্ৰ শিল্প আৰু চাহ শিল্পৰ বাবেই অসমে উন্নতি কৰিছে। বিভিন্ন সময়ত বিভিন্ন ক্ষেত্ৰত পৰ্য্যালোচনা কৰা হৈছে যে অসম চৰকাৰে অৰ্থনৈতিক উন্নতিৰ কাৰণে বহুতো অৰিহনা এই চাহ খেতিয়ক সকলৰ পৰা পাইছে। অসমৰ আটাইতকৈ বেছি অৰিহনা যোগোৱা শিল্পক এনে ধৰনে অৱহেলা কৰাৰ কোনো যুক্তি নাই। গতিকে উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে চৰকাৰৰ দৃষ্টি আৰ্কষণ কৰিলো এটা শুদ্ধ নীতি স্থিৰ কৰি এই শিল্প উদ্যোগৰ পুনৰ উন্নতি কৰিব লাগে। আমাৰ চাহ বাগিচাত থকা বহুতো দোষ ত্ৰুটি আলোচনা কৰা হৈছে। চাহ বাগিছাৰ ক্ষেত্ৰত যি আইন তৈয়াৰ কৰা হৈছে ইন্দ্ৰাষ্টিয়েল এক্ট, প্লেনণ্টেচন এক্ট আৰু অন্য আইন কানুন আমাৰ চৰকাৰে কৰিছে। কিন্তু সেই আইন কানুনৰ যোগেদি তাত বাস কৰা চাহ মজদুৰ সকলৰ উন্নতিৰ বাবে কোনো ব্যৱস্থা নাই। আমাৰ ইন্দ্ৰাষ্টিয়েল দি চপিউট এক্ট আৰু অসম টি প্লেনটেচন এক্ট এই দুখন আইনৰ ভিতৰত ১৯৫১ চনতে অসম টি প্লেনটেচন এক্ট আৰু ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিচত ১৯৪৭ চনত আনখন কৰিছিল। এইখন আইনত বৃটিছৰ চায়া পৰিছে। গতিকে এই আইনখন উপযোগী হোৱা নাই। আৰু সময়ৰ পৰিবৰ্ত্তন হৈছে। দেশ বহুতো আগবাঢ়ি গৈছে। এই আইন সময় উপযোগী কৰি এই আইন সংশোধন কৰিব লাগে। আৰু এই দুখন আইন মুখত দাত নোহোৱা আৰু ঠেং হাতত নখ নোহোৱা বাঘৰ দৰে হৈছে। এনে নখ আৰু দাত নোহোৱা বাঘে যদি খেদি আহে কোনোবাই ভয় কৰিবনেকি? কাৰণ মুখ মেলিলেই দাত যে নাই ধৰা পৰিব। ইন্দ্ৰাষ্টিয়েল দিচপিউট আইনখন তেনেকুৱাই হৈ। কাৰণ ইয়াত চৰকাৰে বা চৰকাৰী বিষয়া চাহ

বাগিচাৰ মালিকক বা চাহ উদ্যোগৰ মালিকক যথা যথ ভাবে শাস্তি দিয়াৰ কোনো ব্যৱস্থা নাই। গতিকে এই আইনখন সেই হিচাবে সময় উপযোগী কৰি সংশোধন কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, এইবিলাক ক্ষেত্ৰত আজি কোনো ধৰণৰ সুস্থ নীতি নাই। আমাৰ অসমৰ শিল্পৰ কাৰণে উন্নতিৰ কাৰণে সুস্থ নীতি নথকাতো ডাঙৰ কথা হৈছে। মই এই খিনিতে এটা কথা কও। এখন গাৱত কিছুমান মানুহে মাছ মাৰিবলৈ গৈছিল। সামাজিক ভাৱে তেওলোকে মাছ মাৰিছিল। তেওঁলোকে যেতিয়া পানী সিচিবলৈ আৰম্ভ কৰে তেনে সময়ত এজন মানুহ ধুতি কুৰ্ত্তা পিন্ধা আহিল মাছ মৰা মানুহখিনিক উৎসাহ দিবলৈ। আৰু কলে যে, পানী সিচি থাকা মাছ ওলাব। কিছু সময়ৰ পিচত যেতিয়া পুখুৰীৰ পানী সিচা শেষ হল আৰু মাছ ধৰি ভাগ কৰিলে তেতিয়া আটাইতকৈ ডাঙৰ ভাগটো যিটোত ৰৌ মাছ পৰিছিল সেইটো ভাগ দেখুৱাই মানুহজনে কলে যে, সেইটো মোৰ ভাগ অথচ তেও পানীত নমাও নাই মাছো ধৰা নাই আৰু তেওঁৰ হাতত বোকা পানী লগাও নাই। এই কথাখিনি এই কাৰনেই কবলগা হল যে, আজি আমাৰ এক শ্ৰেণীৰ মানুহে শিল্প উদ্যোগৰ ক্ষেত্ৰত্ত এনেধৰণে সুবিধা লৈ আছে। গতিকে আমাৰ চৰকাৰে এটা শুদ্ধ নীতি অনতিপলমে গ্ৰহন কৰিব লাগে। আনহাতে আমাৰ অসমৰ শ্ৰমিক সমাজৰ জীৱন বিশেষকৈ চাহ বাগিছাত বাস কৰা শ্ৰমিক সকলৰ বিষয়ে আমাৰ মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই কৈছে। এই লোক সকলৰ সামাজিক বা জাতীয় জীৱনৰ কোনো উন্নতি নাই। আজি স্বাধীনতা পোৱা ইমান দিন হল তথাপি অসমত চাহ মজতুৰ সকলৰ বাবে এনে এটা অনুস্থান নাই যি নেকি চাহ মজতুৰ সকলৰ উন্নতিৰ বাবে চিন্তা কৰিব। আজি চাহ বনুৱাৰ উন্নতিৰ বাবে যিবিলাক আচনি চৰকাৰে গ্ৰহন কৰিছে সেই বিলাকো প্ৰচাৰৰ কোনো ব্যৱস্থা নাই। তাৰ ফলত চাহ বাগানৰ লাইনত বাস কৰা মজতুৰৰ বাহিৰৰ লগত খাপ নোখোৱা হৈছে। আমি দেখাত যি কেইটা অৰগেনাইজেচন আছে তাৰ ভিতৰত ট্ৰেড ইউনিয়নৰ বাহিৰে আনবিলাকে কোনো কাম কৰা নাই। গতিকে আমি আশা কৰা মতে এই সমাজখন আগবাঢ়ি আহিব পৰা নাই। আমাৰ মাননীয় সদস্যই উল্লেখ কৰিছে যে, চাহ বাগানত মজতুৰ সকলৰ নানা ধৰনৰ সুবিধা দিয়া হৈছে। কিন্তু এটা কথা মই কও যে, আমাৰ ৩৫ লাখ মজতুৰ আছে আৰু মাননীয় সদস্যই প্ৰায় ৫ লাখ মজতুৰ আছে বুলি কৈছে। ৫ লাখে সুবিধা পাইছে তেনেহলে বাকী ৩০ লাখে কি কৰিব? তেওঁলোকৰ সামাজিক

জীৱনৰ উপাৰ্জনৰ পথ কি ? অৱশ্যে ঘটিয়া টাইপৰ বেচন দিয়া হৈছে এইটো ঠিক কিন্তু সেইটো তেওঁলোকে পাইছে শ্ৰমৰ বিনিময়ত। যি সকল দিপেনদেট তেওঁলোকৰ কোনো ব্যৱস্থা নাই। চাহ বগিছাৰ শ্ৰমিকে সুবিধা পাইছে বাহিৰৰ শ্ৰমিকে পোৱা নাই এইটো কেনেকৈ সুখৰ কথা হব ? গতিকে আপোনাৰ জৰিয়তে মই অনুৰোধ কৰো যাতে এটা শুদ্ধ নীতি গ্ৰহন কৰি শ্ৰমিক সমাজক আগুৱাই নিবলৈ মই অনুৰোৰ কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় উপাধ্যক্ষ : সদন আবেলি ২-৩০ বজালৈ স্থগিত ৰখা হ'ল।

The Assembly reassembled at 2/30 p. m. in the Assembly Chamber with the Hon'ble Mr. Dy. Speaker, in the Chair.

*শ্ৰীৰামেশ্বৰ ধানোৱাৰ (শ্ৰম মন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, শ্ৰম আৰু নিয়োগ বিভাগৰ বাজেটৰ ওপৰত কৰ্তন প্ৰস্তাৱ দাঙি ধৰি কেইবাজনো মাননীয় সদস্যই মূল্যবান পৰামৰ্শ দাঙি ধৰাৰ বাবে মই তেখেতসকলক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বিভাগ বিলাকৰ কাম-কাজ সমালোচনা নকৰিলে মোৰ মতে আমাৰ যিখিনি আসোৱাহ আছে সেইখিনি ধৰিব নোৱাৰি। সেয়েহে যিটো প্ৰস্তাৱ মাননীয় সদস্যই দাঙি ধৰিছে মোৰ ফালৰ পৰা তেখেতক মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। জনপ্ৰিয় নতুন চৰকাৰ গঠন হোৱাৰ পিচত আমি ভালেখিনি কাম হাতত লৈছোঁ। ইয়াৰে কেইটামান মই দাঙি ধৰিব বিচাৰিছোঁ। আমাৰ আগতে মেটাৰনিটি বেনিফিট এক্ট মতে মাইকী মানুহে কোনো বেনিফিট পোৱা নাছিল। নতুন চৰকাৰ অহাৰ পিচত নতুন নতুন ব্যৱস্থা গ্ৰহণ কৰি ৭২ দিনৰ পৰা ৮৪ দিনলৈ সুবিধা পোৱাৰ ব্যৱস্থা কৰিছোঁ। তাৰ পিচত আমাৰ যি প্লেন্টেশ্যান এক্ট আছে তাত কিছুমান ফাক আছে যাৰ বাবে মালিক পক্ষই টকা নিদিয়াকৈ থাকিব পাৰে বা থকাৰ সুবিধা আছিল। এইটো সংশোধন কৰি যোৱাবাৰ বাধ্যতামূলক কৰি দিয়া হৈছে। আগতে ছুটীৰ কোনো ব্যৱস্থা নাছিল। এতিয়া সেই আইন সংসোধন কৰি আমি তিনিদিন নেচনেল হলিদে আৰু এদিন মে হলিদে বাধ্যতামূলক কৰিলো। তাৰ পিচত এইটোৰ প্লেন্টেশ্যন এক্টৰ এটা প্ৰভিজনত ওৱেল ফেয়াৰ অফিচাৰ এতিয়ালৈকে ইম্প্লিমেন্ট হোৱা নাছিল। আমি এতিয়া এইটো বাধ্যতামূলক কৰি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছো। এতিয়া ইয়াৰ যোগেদি আমাৰ ১৫ শ গ্ৰেজুৱেট নিবনুৱাক ওৱেলফেয়াৰ অফিচাৰ পদত মকৰল হব বুলি আশা ৰাখিছোঁ। আমাৰ প্লেন্টেশ্যন এক্টত গ্ৰূপ হস্পিতালৰ প্ৰভিজন আছে। সেইটো

*Speech not corrected

আমি ইম্প্লিমেণ্ট কৰিব পৰা নাছিলো৷ এতিয়া প্ৰায় তিনি ঠাইত গ্ৰুপ হস্পিতাল কৰাৰ নোটি ফিকেশন দিয়া হৈছে। এটা সোনাৰী, এটা কাছাৰ আৰু আনটো যোৰহাটত। এক্সপেৰিমেণ্ট বেচিচত গ্ৰুপ হস্পিতাল কৰিবলৈ লোৱা হৈছে। ইন্দ্ৰাষ্টিয়েল ডিচপুট এক্টৰ কথা মাননীয় সদস্যই কৈছিল আৰু মযো অনুভৱ কৰিছোঁ। মানুহ এজন দিচমিচ হোৱাৰ পিচত বা মৰাৰ পিচত মানুহজনে আইনৰ পৰা কোনো সুবিধা পোৱা নাছিল। এইটো চাই আমি ইয়াক সংশোধন কৰিবৰ কাৰণে হাতত লৈছো আৰু অলপতে কাৰ্যকৰী কৰিব পাৰিম বুলি মনে ধৰিছে। ইয়াৰ যোগেদি আমি এইটো কৰিবলৈ বিচাৰিছোঁ যে মানুহ এজন ডিচমিচ হোৱাৰ পিচত কিমান দিনলৈ কন্সিদাৰেশ্যন থাকিব, লেবাৰ কমিশ্যন অফিচলৈ যাওঁতে কিমান দিন লাগিব ইত্যাদি সকলো কথা চাই দিচমিচ হোৱাৰ পিচত যাতে পৰিয়ালটো ধ্বংশ হৈ নেযায় দৰমহা প্ৰায় সকলো খিনি বেনিফিট পাই সেই ব্যৱস্থা কৰা হৈছে।

আন এজন সদস্যই কাবুলিৰ কথা কৈছে, মই কিন্তু ভাবিছো কাবুলিতকৈয়ো বেছি বেলেগ সমস্যাৰ সৃষ্টি হৈছে। সেই কাৰণে আমি ওৱৰকাৰচ প্ৰটেক্ট বিল এখন আনিবলৈ বিচাৰিছো। বোধ হয় এইবাৰেই এই বিল আহি যাব পাৰে। ইয়াৰ আগতে মানুহ জনে যি খিনি দৰমহা পাই প্ৰভিদেণ্ট ফাণ্ডৰ যি খিনি পইচা পাই সেই খিনি ইচ্ছা কৰি নিদিয়ে কটাৰ নিয়ম আছিল। কিন্তু এই বিলৰ যোগেদি ইচ্ছা কৰি নিদিলে কাটি ৰাখিব নোৱাৰিব। টি প্লেন্টেশ্যন প্ৰভিদেণ্ট ফাণ্ড পেঞ্চনৰ কথা দুই এগৰাকী সদস্যই কৈছে। ছমাহৰ ভিতৰত যাতে মানুহজনে পইচা খিনি পাবগৈ পাৰে তাৰ ব্যৱস্থা কৰা হৈছে। এই সম্পৰ্কত আমি এখন বিল আনিছো।

শ্ৰীহেমেন দাস : বিলখন পাছ হোৱা নাই।

*শ্ৰীৰামেশ্বৰ ধানোৱাৰ (মন্ত্ৰী) : কেইবাগৰাকী মাননীয় সদস্যই কৃষি বনুৱাৰ সৰ্বনিম্ন মজুৰিৰ কথা উল্লেখ কৰিছে। এই সম্পৰ্কত আমাৰ নটিফিকেচন হৈছে। আমি কৃষি বনুৱাক প্ৰটেকচন দিয়াৰ কাৰণে ৩০ জন কৃষি অভিযন্তাক লৈছো আৰু এওঁলোকক ব্লক লেভেলত লোৱাৰ ব্যৱস্থা কৰিছো। আমি এওঁলোকৰ দ্বাৰাই কৃষি বনুৱাক ৰক্ষনা বেক্ষন দিব পাৰিম বুলি ভাবিছো।

নিয়োগৰ ক্ষেত্ৰত কেইবাগৰাকীও মাননীয় সদস্যই উল্লেখ কৰিছে। আমি এতিয়া নিয়োগ বিনিময় কেন্দ্ৰ বিলাকত একোখন কমিটি কৰি দিছো। এই

*Speech not corrected

কমিটিখন জনসংখ্যাৰ ভিত্তিত চাকৰিৰ কাৰণে নাম পঠোৱাৰ ক্ষেত্ৰত ব্যৱস্থা লব। আগতে এনেকুৱা হৈছিল যে নিয়োগ বিনিময় কেন্দ্ৰত নাম পঞ্জীয়ন কৰি 'কল' নাপায় পিচত ৰিনিউ কৰা বাদ দি দিয়ে। এতিয়া যাতে তেনে নহয় তাৰ কাৰণেই এই কমিটিখন কৰি দিয়া হৈছে। এনে ধৰণৰ এটা কথা শ্ৰীদাস ডাঙৰীয়াই কোৱাৰ কাৰণেই এতিয়া তেখেতৰ এজন লৰাই চাকৰি পাইছে। নতুন যি বিলাক জিলা আৰু মহকুমা গঠিত হৈছে সেই বিলাকতো আমি নিয়োগ বিনিময় কেন্দ্ৰ পতাৰ ব্যৱস্থা কৰিছো। শদিয়া, জোনাই, হোজাই আদি ঠাইত এনে কেন্দ্ৰ খোলাৰ ব্যৱস্থা কৰিছো যাতে ভিতৰুৱা অঞ্চলৰ লৰা ছোৱালীয়েই নাম পঞ্জিভুক্ত কৰি সুবিধা লব পাৰে। তাৰোপৰি যি বিলাক আই চি আই আছে সেইবিলাক আধুনীকিকৰণ কৰাৰ ব্যৱস্থা লৈছো। বঙ্গাইগাওঁ, তিনিচুকীয়া আদি ঠাইত নতুন নতুন ট্ৰেডৰ কাৰণে প্ৰশিক্ষন দিয়াৰ ব্যৱস্থা কৰিছো। এই ধৰণৰ প্ৰশিক্ষন ললে লৰা ছোৱালী বিলাকে সোনকালে চাকৰি পাব বুলি আমি আশা কৰিছো। ইয়াৰ বাহিৰেও আমি পোনপ্ৰথম বাৰৰ বাবে ছোৱালী আই টি আই খোলাৰ ব্যৱস্থা কৰিছো। আমাৰ ছোৱালী বিলাক যাতে সমানে সমানে আগবাঢ়ি যাব পাৰে তাৰ কাৰণেই এই ব্যৱস্থা কৰা হৈছে। আৰু এই বিলাকত যি বিলাক প্ৰশিক্ষাৰ্থী আছে সেই সকলৰ কাৰণে জলপানী বঢ়াই দিয়াৰ ব্যৱস্থা কৰিছো। মেট্ৰিকৰ ওপৰ বিলাকক ১২৫ টকাকৈ মাহিলি দিয়া হৈছে আৰু মেট্ৰিকৰ তলৰ বিলাকক মাহিলি ৮০ টকাকৈ দিয়াৰ ব্যৱস্থা কৰিছো।

আমাৰ মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই আৰু এটা কথা উল্লেখ কৰিছে সেইটো হৈছে এডভান্স ভকেচনেল ট্ৰেইনিঙৰ ক্লিয়াৰেন্স দিয়া। আমি এই ক্ষেত্ৰত ১০ লাখ টকা মেচিনাৰী কিনিবলৈ দিছো। আৰু তেখেতে যিখন গাড়ী ডিৰেক্টৰে চলোৱাৰ কথা কৈছে আচলতে ডিৰেক্টৰে চলোৱা নাই। প্ৰিনচিপালেহে চলাইছে। আমি এই বিলাকৰ ঘৰ-দুৱাৰৰ ব্যৱস্থা কৰি আছো। এই বিলাক সম্পূৰ্ণ হলেই প্ৰশিক্ষন দিব পৰা হব।

হেল্‌থ এচিচটাণ্টৰ যিটো কথা কৈছে আমি আশা কৰিছো যে আৰু দুটা বেটচত আমি শেষ কৰিব পাৰিম। মাজতে এই প্ৰশিক্ষন কিবা কাৰণত বন্ধ হৈ গৈছিল কিন্তু আমি যোৱা ফেব্ৰুৱাৰীৰ পৰা এইটো পুনৰ চলাবলৈ লৈছো।

মাননীয় সদস্য গৰাকীয়ে বনুৱা কমি যোৱা বুলি উল্লেখ কৰিছে। মই এই ক্ষেত্ৰত কব বিচাৰিছো যে আচলতে বনুৱা কমি যোৱা নাই। তেখেতে ১৯৪৭ চনত বনুৱা থকা বুলি যিটো সংখ্যা দিছে, ৪ লাখ ৭৪ হাজাৰ বুলি আচলতে সেই সময়ত

চিলেট জিলাৰ আমাৰ লগতে থকাৰ কাৰণে চিলেট জিলাৰ বনুৱাকো ধৰিহে সিমান হৈছিল। আমাৰ ইয়াত আচলতে ইমান নাছিল। এতিয়া আমাৰ বনুৱা ৫ লাখৰ অলপহে কম আছে। এতিয়া আমাৰ বনুৱাৰ সংখ্যা বাঢ়িছে। অৱশ্যে চেট্ৰাজী কমিচনৰ মতে আমাৰ এতিয়াও কিছু বনুৱা কম হৈ আছে। আমি যি নতুন ২৫ হাজাৰ বনুৱা লোৱাৰ কথা হৈছিল সেইটোও সম্পূৰ্ণ হোৱা নাই। তাৰোপৰি আৰু এটা কথা হৈছে যে চৰকাৰৰ নিয়ম আছে যি বিলাক বনুৱাই একেৰাহে ৬ মাহ কাম কৰে তেওঁলোকক নিয়মিত বনুৱা হিচাবে ধৰিব লাগে। কিন্তু এই ক্ষেত্ৰত মালিক সকলে এনেকুৱা কৰে যে তেওঁলোকে একেৰাহে ৬ মাহৰ ওপৰ কাম কৰিলেও একদিন কমাই দি, ৬ মাহ সম্পূৰ্ণ নোহোৱা দেখুৱাই স্থায়ী ভাবে মকৰল কৰাত বাধা দিয়ে। আমি যাতে এনে হব নোৱাৰে তাৰ কাৰণে ব্যৱস্থা লৈছো। আৰু বনুৱা বঢ়োৱাৰ বাবেও ব্যৱস্থা কৰিছো।

এইটো মই বন্ধ কৰি দিবৰ কাৰণে এইবাৰ বেলেগ ব্যৱস্থা লৈছো। সেইটো হলে আমি ফিগাৰটো ৫ লাখলৈ বঢ়াই দিব পাৰিম বুলি মোৰ মনে হয়। মাননীয় সদস্য শ্ৰীবসুমতাৰী ডাঙৰীয়াই আৰু এটা কথা উল্লেখ কৰিছিল আমাৰ অফিচাৰ বিলাকে পইচা লোৱা কথাটো তেনেকুৱা অভিযোগ অৱশ্যে আমি এতিয়ালৈকে পোৱা নাই যদি তেখেতে কিবা স্পেচিফিক দিব পাৰে তেন্তে নিশ্চয় মই চাম।

মাননীয় সদস্য শ্ৰীপূৰ্ণ বড়ো ডাঙৰীয়াই মিনিমাম ওৱেজ বোডৰ ফাংচনিং সম্পৰ্কে উল্লেখ কৰিছে। মিনিমাম ওৱেজ বোডৰ ফাংচনিং অসমত যে খুব ভাল হোৱা নাই তাৰ ফিগাৰ চালে গম পোৱা যায়। ১৯৭০ চনত এই বোডৰ সভা দুবাৰ হৈছিল ১৯৭২ চনত ৬ বাৰ, ১৯৭৪-৭৫ চনত ১০ বাৰ, ১৯৭৯ চনত ১০ বাৰ, ১৯৮০ চনত দুবাৰ আৰু ১৯৮৩ চনত ৪ বাৰ বহিছে তাৰ পৰাই ই পিচপৰি আছে বুলি অনুমান কৰা হয়। ইয়াৰ সকলো কাম কাজেই নিভৰ কৰে মিনিমাম ওৱেজ বোৰ্ডৰ ওপৰত। অৱশ্যে ইয়াৰ কাৰণে বহুতো পঢ়া শুনা কৰিব লাগিব বহুত কথা জানিব লাগিব যথে মথে মিনিমান ওৱেজ ফিক্স কৰিব নোৱাৰি। ইয়াক কৰ্ম্মথ কৰি তুলিবলৈ চেষ্টা কৰা হৈছে। বড়ো ডাঙৰীয়াই ইন্সপেক্টৰ আৰু কনচিলেচন অফিচাৰৰ পাৱাৰৰ কথা কৈছে। এইটো হয় যে মেনেজমেণ্টে কোনো খবৰ নিদিয়াকৈ ৪-৫ বাৰ পৰ্য্যন্ত মাতি-লেও নহাকে থাকে ! অৱশেষত উপায় নাপায় কনচিলেচন অফিচাৰে গোচৰটো ইন্ড্ৰাষ্ট্ৰিয়েল টিবুনেললৈ পঠায় দিয়ে। সেই কাৰণে এই আইনখন সংশোধন

কৰি মেনেজমেণ্টৰ ওপৰত যাতে কণ্ট্ৰোল থাকে তাৰ বাবে এওঁলোকক কাৰ্য্য-বাহী দন্দাধীশৰ ক্ষমতা দিব বিচৰা হৈছে। আৰু তেতিয়া আশা কৰা যায় মেনেজমেণ্টক আমাৰ হাতলৈ টানি আনিব পৰা যাব আৰু বহুত কেচৰ মিমাংশা হৈ যাব। ইয়াৰ লগতে আমি প্লেনটেচন লেবাৰ এক্টখন সংশোধন কৰিবলৈ ভাৰত চৰকাৰৰ ওচৰত মোভ কৰিছো। তেওঁলোকৰ এই বিলখনৰ ওপৰত অনু-মোদন পালেই বিলখন সোনকালে কাৰ্য্যকৰী কৰা হব।

বসুমতাৰী ডাঙৰীয়াই চাৰিদুৱাৰ কটন মিলৰ কথা কৈছে। সাধাৰণতে সে দিৱস আৰু হোলিদেত তেওঁলোকেও বন্ধ পাব লাগে আৰু যদি নাই পোৱা তেনেহলে অনুসন্ধান কৰি ব্যৱস্থা কৰিম। আমাৰ জনপ্ৰিয় চৰকাৰ গঠন হোৱাৰ পাছত আমি কিমানখিনি ব্যৱস্থাৱলী হাতত লৈছো তাক সকলো মাননীয় সদস্যই জানে। সেই বাবে মই মাননীয় সদস্য শ্ৰীহেমেন দাস, শ্ৰীপুৰ্ণ বড়ো আৰু শ্ৰীবসুমতাৰী ডাঙৰীয়াক এই কৰ্ত্তন প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ জনালো আৰু আশা ৰাখিছো তেখেত সকলে যাতে ভৱিষ্যতে এই বিভাগৰ পইছা কৰ্ত্তন কৰিবলৈ নকৈ বঢ়াবলৈহে কয় যাৰ দ্বাৰা ভাল কাম হব।

শ্ৰীহেমেন দাস: আমি সুখী হলোহেতেন আৰু তৎক্ষনাত কৰ্ত্তন প্ৰস্তাৱ উঠাই ললোহেতেন যদি তেখেতে সঠিক তথ্য আমাক দিব পাৰিলেহেতেন। কাৰণ তেখেতে কৈছে চিলেটৰ প্ৰসঙ্গত ডেচপাণ্ডে কমিটিৰ ৰিপোটৰৰ কথা কৈছে কিন্তু ডেচপাণ্ডে কমিটিৰ ৰিপৰ্ট ১৯৪৮ চনত। এনেকুৱা ভূল তথ্য দিব নালাগে। দ্বিতীয় কথা যিটোৰ ওপৰত কোনো মন্তব্য দিয়া নাই সেইটো হ'ল যে ১৯৫৫ চনৰ পৰা ক্ৰমান্বয়ে শ্ৰমিকৰ সংখ্যা কিয় কমিছে ?

শ্ৰীৰামেশ্বৰ ধানোৱাৰ (মন্ত্ৰী): অধ্যক্ষ মহোদয় বাগিছা বিলাকত পামেনেণ্ট লেবাৰ ফোৰ্চৰ সংখ্যা কমিছে কেইবাটাও কাৰণত। প্ৰথম কথা হ'ল একাৰেজ বাঢ়িছে আৰু আনহাতে মালিক পক্ষই ইন্দ্ৰাষ্টিয়েল দিস্পুট ৰুলৰ জৰিয়তে বহুতো সুবিধা লৈছে। মাহে মাহে ৫০-৬০ জন লেবাৰ দিচমিচ কৰে তেওঁলোকৰ কিছুমানৰ কেচ চলি থাকে আৰু কিছুমানৰ কেচ শেষ হয় মানে মৰিয়ে যায়। কিছুমান বাগানত স্থায়ী বনুৱাজন অৱসৰ পোৱাৰ পাছত মেনেজমেণ্টে আৰু নিয়োগ নকৰে। এতিয়া যাতে যি পৰিয়ালৰ মানুহ অৱসৰ পায় সেই পৰিয়ালৰে একোজনকৈ নিয়োগ কৰিবলৈ আমি নিৰ্দ্দেশ দিছো। অৱশ্যে মেনেজ-মেণ্টেও বহুত সময়ত বদমাচি কৰে। লেবাৰ এতিয়া ক'ত কিমান আছে কম

আছে নে বেছি আছে সেইটো চাৰ্ভে কৰিব দিছো আৰু এই চাৰ্ভে সম্পূৰ্ণ হলে আমি আচল হিচাবলে সেইমতে ব্যৱস্থা কৰিব পাৰিম।

অধ্যক্ষ মহোদয়, ইয়াৰ লগতে মই আৰু এটা কথা কৈ থওঁ আমাৰ মাননীয় সদস্য শ্ৰীপূৰ্ণ বড়ো ডাঙৰীয়াই মুখ্যমন্ত্ৰী আৰু মোৰ বিৰুদ্ধে অভিযোগ আনিছে যে তেওঁলোকে ইউনিয়নৰ মানুহ লগত লৈ আহিলে আমি হেনো তেওঁলোকক লগ্ কৰিব নিদিও। তেখেতৰ এই অভিযোগ সচাঁ নহয়। অৱশ্যে মই এবাৰ তিনিচুকীয়ালৈ বিশেষ জৰুৰী কামত যাব লগা হোৱাৰ কাৰণে সময়ৰ অভাৱত মই তেওঁক লগ দিব নোৱাৰিলো। তাৰ বাহিৰে তেনে ঘটনা মই আগতে আৰু কেতিয়াও কৰা নাই আৰু ভবিষ্যতেও নহব বুলি মই আশা কৰো। মই আৰু বিশেষ নকও। মাননীয় সদস্য ফেইজনে যি কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত কৈছে তেওঁলোকক মই অনুৰোধ জনাও যাতে সেইটো উঠাই লয়।

শ্ৰীপূৰ্ণ বড়ো : মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা স্পষ্টীকৰণ আছে। আমাৰ টি কৰ্পোৰেচনে শ্ৰমিক সকলক প্ৰভিডেন্ট ফান্দৰ ৪ কোটি টকা দিবলৈ বাকী আছে। ইয়াৰ কি ব্যৱস্থা লোৱা হব ?

শ্ৰীৰামেশ্বৰ ধানোৱাৰ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, তেখেতে যি ৪ কোটি টকাৰ কথা কৈছে সেইটো মালিক আৰু শ্ৰমিক দুয়োৰে লগ লাগি দিবলৈ বাকী আছে। ইয়াৰ মাজতে আমি নানা চেষ্টা কৰি ২৫ লাখ টকা জমা দিব পাৰিছো। বাকী থকা টকা খিনিৰ কাৰণে চেষ্টা চলাই আছিলো আৰু শেষত আমি বাধ্য হৈ বাকীজাই গোচৰ তৰিছো।

শ্ৰীপূৰ্ণ বড়ো : অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা আৰু এটা স্পষ্টীকৰণ বিচাৰিছো। আমাৰ উদ্যোগবোৰত মৰগীয়া বানচ কেৱল ৭০-৮০ পইচাকৈ দিয়া হৈছে। কিন্তু চৰকাৰে কৈছিল প্ৰতি পইণ্টত ১·৫০ টকাকৈ দিয়াৰ কথা এইটো কিয় কাৰ্য্যকৰী হোৱা নাই।

শ্ৰীৰামেশ্বৰ ধানোৱাৰ (মন্ত্ৰী) : সেইটো আমাৰ কিছুমান ঠাইত কাৰ্য্যকৰী হৈছে। অৱশ্যে তেখেতে যিধৰণে কৈছে তেনে ধৰণে হোৱা নাই। ভি, দি, এৰ কাৰণে যিখন চাকুলাৰ দিয়া হৈছিল তাত কোৱা হৈছিল ওৱেজৰ লগতে এই ভি, দি, এ টো লগ লগাই দিয়াৰ কাৰণে কিন্তু তেনে কৰিলে কিছু অসুবিধা হয়। সেই কাৰণে আমি অলপতে আৰু এটা নিৰ্দ্দেশ দিছো এইটো বেলেগে বেলেগে দিয়াৰ কাৰণে - তেতিয়াহে হিচাব আদিৰ ক্ষেত্ৰত সুবিধা হব।

Shri Hemen Das : Sir, I beg to withdraw the Cut Motion.

Mr. Speaker : Is it the pleasure of the August House that to grant leave to withdraw the Cut Motion ?

(The voices yes, yes)

The Cut Motion is withdrawn

Now I put the grant before the House that a sum of Rs. 4,28,12,000.00 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985 for the administration of "Labour and Employment".

The grant is passed

Shri Abdul Muhim Mazumdar (Minister) : Mr Speaker Sir, on the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs, 2,12,39,000.00 be granted to the Minister in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985 for the administration of "Jails".

Mr. Speaker : There is no Cut Motion. So I put the grant before the August House that a sum of Rs. 2,12,39,000,-00 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985 for the administration of "Jails".

The grant is passed

Shri Golok Rajbanshi (Minister) : On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 33,73,86,000 be granted to the Minister in-charge to defray the charges which will come in course of pay-

ment during the year ending the 31st March, 1985 for the administration of "Agriculture".

Mr. Speaker : There is a Cut Motion tabled by Shri Binoy Kumar Basumatary.

Before the Hon'ble member starts his speech, I want to inform the August House that this grant and also another grant which have got cut motions. We have got I hour 55 minutes in hand. During this time, we will have to pass the two grants. I request the hon'ble speakers who are participating in the deliberation to be very brief so that we can finish it within time. So, there are 6 speakers for grant No. 54, and I hope they will finish their speech within 45 minutes so that the Minister can reply and finish within 15/20 minutes. Then we can start other grant. So I request all the members to be cautious and help us in running the business.

Shri Binoy Kumar Basumatary : Sir, I rise to suggest an alternative policy and to criticise the Demand No. 54. Sir, if we go to page 9 of the Budget, we find the total allocation given there as Rs. 70.8 crores. Out of this, the allocation of Rs. 7 crores is under Plan, Rs. 2.8 crores is under Sixth Schedule area and Rs. 44 lakhs is under non-plan expenditure. As against this, we find at page 10 of the Budget under Direction and Administration, the allocation for non plan expenditure is Rs. 4 crores 50 lakhs which is almost 25% of the total allocation being spent on Administration. Similarly on the non plan side, 2.1 crores will be spent. As a result, the percentage is 33% on Administration and Direction. Again, under Sixth Sehedule. Rs. 47 lakhs will be spent, which is 25% of the total

allocotion, and under non plan head, Rs. 20 lakhs will be spent which amount to 48%.

If we study, then, we understand that this is the Department which is absolutely top-heavy, which is crossing the limits of expenses. None of the allocations, as I have shown, on the head-'administration' is less than 25%. Actually under Management and Administration, the normal permissible limit is wtihin 10%. Here, I have proved with figures that this Agriculture department is absolutely top-heavy. Therefore, the alternative policy will be just to trim the department. If we go into the details of the Budget we see some of the Heads like 2-B (Land Reforms). Of course, no allocation is made. When the Agriculture department is trying to improve land laws and consolidation of holdings etc, it seem that this department is trying to improve on the activities of other departments. So Sir, when no allocation on is made, it is apparent that these subjects are not under this department and therefore such inclusion of various subjects in the Budget is not necessary. This, I say, so that the budget in future may streamilned. Now I want to refer to page-10 (Manures & Fertiliser); the total allocation on this manures and fertilizers is Rs. 79 lakhs. Sir, we donot know if we are upto-date in the application of manures and fertilizers. In the western countries, it is now generally believed that fertilizers are the main cause for the growth of cancer in those countries, because the fertilizers react on the agricultural produce and the agricultural produce that we use for consumption also contains elements of cancer virus. This is slightly unbelievable,

but the world's most posh departmental store in New York, named Bloomingdaks, they are selling the fertilizers made of sterilised human excreta and it is the most costliest fertiliser that is being used in western countries how. So, we should also think, since we do not have such facilitis in India, we should think of human or animal excreta that can be used for fertilizers. I suggest that instead of stressing importance on fertilizers, we should give importance on animal... excreta. Again there are various Heads at page 11 (K)— 'Extension of Farmers' Training" and on that Rs. 35 lakhs is proposed to be spent; This is nothing but meant for the study tours for various groups of people of the State which is mostly for the people of the Ruling party who are encouraged to come and avail of this opportunity. So, this to me i.e., allocation of Rs. 35 lakhs for the 'expansion of Farmers' training' should also be trimmed, as this is a waste on the State's Exchequer. Then for Agricultural Research Rs. 2 crores and 7 lakhs is proposed. What are the results the State has derived from the researches conducted in the State ? The way that we have conducted reserrch for our Agriculture has not improved our agricultural pattern. The people still use bullocks and wooden ploughs ; the people at large still use the age-old tradition of irrigation by the community damming the rivers and irrigate their own fields. But has the State's Agricultural Research Wing given us any new ideas of agriculture ? No. We hear of new varieties of rice like IR-8 etc., but these are not results of research conducted in Assam. These are results that are obtained possibly from Asian Research Institute somewhere in Ma-nila or from some other State like Punjab.

Therefore, this huge allocation of Rs. 2 crores and 7 lakhs I believe, should also be trimmed when we utilise the results of the research of other people. Then in the last Assembly I had also mentioned about 18 Agricultural Marketing & Quality Control. I have not seen any one from the Agricultural Marketing and Quality Control ; I know that these Agricultural vehicles are used for other purposes. Now under the tribal sub-plan Rs. 3 crores and 18 lakhs are proposed to be spent.

How the tribal people cultivate their land is nobodys' business. What is normally planned is to distribute some implementy amongst the tribals. With the distribution spades and sickles, the tribals are expected to improve their agricultural output. There is another process, i.e., subsidy granted to the tribal people for purchasing power tillers and tractors. Power tiller today costs about Rs. 40,000/— and when it is subsidised, the tribal people are to pay Rs, 20,000/— and the balance Rs. 20,000/— comes from the government. The performance of power tillers in the State is very poor because no sparespart—are readily a vailable. And I can mention any number of tribal people, atleast in my constituency where we had these power tillers which could not be used rightly and in an year or two they sold them out. As a result, this expenditure of Rs. 20,000/— or more is a complete waste. If any fund of say a thousand of rupees is granted to the tribal people at the time of cultivation for meeting their day-to-day expenses in cultivation that would accrue more benefit to the tribal people. So, by giving and distributing this Rs. 20,000/— as subsidy, we are

only encouraging corruption and this again, I am afraid, is used as soon to the ruling party.

I was also present in a meeting of one DRDA where 2/3 tribal persons approached us for grant for tractors under subsidy. To-day Sir, a tractor costs with implements not less than 1.5 lakhs. Now, if to some selected people we allow subsidy of such a huge amount do you think Sir, that justice will be done to them ? No, it is not, Similarly, there are other ways of wastage of the Tribal Sub-Plan money. The main problem the tribal farmers are facing is the advance mortgage of their produce. And as a result they cannot stock their produce in their graneries. They have to work from 3O'clock in the morning to 7 O'clock in the evining—about 15 hours in the summer months and at that time their graneries are low. That is why they go to traders and lend their produce in advance for a petty loan. These traders are the persons who land money and takes away the harvest from the courtyard of the agriculturists. The people who cultivate unfortunately cannot keep sufficient quantities in their graneries. So; if we want to make our State grarian based, then such a policy should be reflected in our budgetory system. We must go to the field, see and compare the budget with our agricultural traditional expenses and find out the solution. Our agriculturists have lost their tradition of fruitful cultivation. In Japan during the spring season the Emperor and Empress go to the field and perform a ceremony on plantation of paddy. This is their annual ceremony and they do it with all sincerity. There is no such ceremony in Assam although the State has an economy based on agriculture. I therefore call for a radical change in the

attitude of tbe Agriculture Deptt. and appeal to the Govt. if they propose to be the saviours of the agriculturists. With these, I conclude criticism of the grant.

মাননীয় উপাধ্যক্ষ : শাসকদলৰ দুগৰাকী সদস্য আৰু বিৰোধী দলৰ এগৰাকী সদস্য আছে। শাসক দলৰ সদস্যই কম সময় কব। এতিয়া মই শ্ৰীজীৱ কান্ত গগৈক কবলৈ অনুৰোধ কৰিলো।

*Shri Jibo Kanta Gogoi : Mr. Deputy Speaker Sir, I support the demand moved by the hon.Minister for Agriculture and oppose the Cut motion tooth and nail. Our state is an agricultural state—about 60 percent income of the State's income comes from that. It is to be seen that without any planning and modernisation of the system of cultivation, we have achievend some result. There is no about that our State is self-sufficient as far as food is concerned. Now, if we bring scientific and modern system of cultivation, I am sure the output will be further increased, may be double or even tribble. So far as the modernisation of agriculture is concerned we have not done anything and for which the production per acre is lower than some neighoouring States. If we compare the figures of neighoouring States it will be evident. In Manipur it is 1675, Tripura 1269, Meghalaya 1024, Nagaland 1049 and our is 969 k.g,,per hectare. Nagaland produces 979 per hectare, Meghalaya 579 k.g., Tripura 500 and we produce 439 per hectare. So far as nutrition is concerned, we use lowest quantity of fertiliser per hectare. Only 2.4 k.g. per hectare we use, while Nagaland use 29.3 k.g., Manipur 11.3 k.g. Similarly, in the matter of use of pesticides ours is the lowest and as a result about 10/15 per cent are eaten up due to pests.

*Speech not corrected

If we really desire to improve the agriculture in the State, we must edueate our cultivators who are mostly illeterate. I have seen the Gram Sevaks who are appointed for this purpose do not have any idea whatsoever and they spend most of their time sitting in the office—it is a horrible experience on my part. Gram sevaks are hardly matriculates. They don't have the basic knowledge of cultivation, how they can educate the cultivators. In this situation how can we expect to achieve good results. In Assam we did not produce wheat in earlier days—only in 1975-76, we first started to produce wheat. Last year we produce 1,17,000 metric tonnes of wheat. It could be 10/20 times more with use of fertiliser and modern methods. Sir, if we had good planning in agriculture we can export 20 percent of our produce outside also. So far as rice production is concerned, Punjab is now exporting rice all over the world. They used to buy rice upto 1973 and they started production of rice on experimental basie in 1974. But the State of Punjab had reached to such a stage to export rice. Sir, our land is fertile but why we cannot meet our internal demand. I am sure Sir, if moden scientific method of cultivation is adopted, our State can also prosper like that of Punjab. High Yielding Varieties and quantities of fertilisers should be attempted to. Sir, to educate our cultivators, some agricultural colleges should be establiseed. Sir, our State has plenty of agricultural land I am sure, we could prosper if syllabus is preseribed at school and college level. Sir, we have heard that Assam Agricultural University has many research papers at their credit. But this research is on paper only. To make best use of these research works, Govern-

ment should consider establishment of more Agricultural Colleges in the State. To educate our agriculturists. we should also organise exhibition depicting the utility of fertilisers. use of HYV all over the State. Sir, I would also like to state a group of agriculturists of our State should be sent outside the State to see with their own eyes what progress have made in the field of agriculture so that they can also succeed to some extent. Now I would also like to discuss about price protection. Last year Assam produ. ced 840 bales of jute. At that time jute mill was in operation. It is now closed down. The time has come to consider the fate of jute producer. They cannot keed with them their produce for an unlimited period. They will have to sell their produce to the traders. They will be given less price. Our welfare Government should consider very sympathetically this issue of price protection that the jute producers get their due price. Similar is the position in case of rice. Rs. 30/— is given per maund of paddy by the traders. The traders sell paddy per maund at the rate of Rs. 50/60 per maund of paddy. We would be happy if better price is obtained by the cultivators. Therefore, I propose that adequate steps should be taken by the Government about price proteection. With these words, I support the demand and oppose the Cut Motion.

মাননীয় উপাধ্যক্ষ ঃ এতিয়া শ্ৰী মাননীয় সদস্য শ্ৰীবিমল গয়াৰীয়ে কব। তেখেতে ১০ মিনিটৰ অধিক নকবে যেন।

শ্ৰীবিমল গয়াৰী ঃ মাননীয় উপাধ্যক্ষ মহোদয়; ১৯৮৪-৮৫ চনৰ কৃষি বিভাগৰ বাবে উৎথাপিত বাজেটৰ দাবী মঞ্জুৰীৰ কৰ্ত্তন প্ৰস্তাৱ উৎথাপন কৰি মই দুআষাৰ কব বিচাৰিছো। ইতিমধ্যে মাননীয় উপাধ্যক্ষ মহোদয়ে সময় কৈ দিছে। এই-খিনি সময়ৰ ভিতৰতে বৰ্ত্তমান পৰ্য্যালোচিত পল'ৱিৰ ওপৰত আৰু বিকল্প পৰা-

মৰ্শ দিব বিছাৰিছো। আমি দেখিছো কৃষি প্ৰধান ভাৰতবৰ্ষত খাদ্যৰ নাটনিৰ আলোচনা কৰিছে। সুদূৰ ভাৰতবৰ্ষৰ পৰা ডাইল আনি আমি ব্যৱহাৰ কৰো। সেই ডাইলখিনি আমাৰ ইয়াত উৎপাদন কৰিব পৰা নাই। ভগৱানৰ কি দয়া খেতিৰ কাৰণে বোধহয় এই অসমখনক সৃষ্টি কৰিলে। খেতিৰ কাৰনে যি মাটি লাগে যি আৱহাৱা লাগে তাক দিছে। সেই কাৰণে কৃষিজীৱি মানুহখিনিয়ে উজনিলৈ আহি আহি ইয়াত থিতাপি লৈছেহি। আমি দেখিছো এনেকুৱা প্ৰাকৃতিক সম্পদ বিজ্ঞান সন্মত পৰিবেশ পোৱা ৰাজ্যখনত দৈনন্দিন ব্যৱহাৰ হোৱা খাদ্য বস্তু খিনিও কৃষিজীৱি মানুহখিনিয়ে উদৎপাদন কৰিব পৰা নাই। ভাবিলে আমি বৰ লজ্জিত হওঁ। মাননীয় সদস্য এগৰাকীয়ে কৈছে ভাৰতবৰ্ষৰ অন্যান্য প্ৰদেশৰ খেতি পথাৰ শষ্যশ্যামলা হৈ আছে। এই অসমত বাৰিষা আৰু খৰালি বিভিন্ন ধৰনে খেতি কৰিব পৰা অৱস্থাতো মানুহখিনিয়ে কৰ্ম্মৰ আৰু কৃষিজীৱি হোৱা স্বত্বেও সদ ব্যৱহাৰ কৰিব নেজানে। সময়ৰ লগত খাপ খাই যাব পৰা নাই। আমাৰ আজোককাহতে এই অসমতে খাপ খোৱাই জীৱিকা নিৰ্ব্বাহ কৰি গল। অথচ আমি বিজ্ঞানৰ যুগত চন্দ্ৰলোকত যোৱা যুগতো অন্যান্য প্ৰদেশৰ তুলনাত নিজৰ প্ৰয়োজনীয় সামগ্ৰীখিনিকে গোটাব পৰা নাই। চিন্তা কৰিলে দেখা যায় আমি সময়ৰ লগত খাপ খুৱাই যাব পৰা নাই। আমাৰ কৃষি বিভাগৰ ইঞ্জিনিয়াৰ, কৃষিবিজ্ঞানী আৰু বিষয়া সকল আছে, আমাৰ বিভিন্ন ধৰণৰ বিষয়া আছে। এই কৰ্ম্মচাৰী সকলৰ গাঁৱত থকা শ্ৰমজীৱি মানুহখিনিৰ লগত দেখাদেখি নাই আৰু মিলাপ্ৰীতি নাই।

যি শ্ৰমজীৱি লোক সকল গাওঁত থাকি খেতিবাতি কৰে আৰু শ্ৰম কৰে সেই সকলৰ লগত আমাৰ এই কৃষি বিভাগৰ যি সকল বিষয়া, কৰ্ম্মচাৰী আছে সেই সকলৰ লগত কোনো ধৰণৰ সমন্বয় আমি দেখা নাই। আটাইতকৈ নিম্নতম কৃষি বিষয়া গ্ৰাম সেৱক সকলক এতিয়া বেনৰ স্কীমৰ অধীনত আনি এটা বেলেগ নাম দি কামত লগাইছে। আগতে এই সকল গ্ৰাম সেৱকক আমি গাওঁত দেখা পাইছিলো। কিন্তু এতিয়া তাকো দেখা নোপোৱা হলো। তেওঁলোকক সুধিলে কয় অমুক তাৰিখত তমুক ঠাইতহে যোৱা হব। তেওঁলোকে হেনো ৰুটিন মতে সপ্তাহত অত এদিন তত এদিন এনেকৈ কাম কৰে। এসপ্তাহত এদিন মহকুমাৰ অফিচত মিটিং হয়। গতিকে তেওঁলোকক পোৱাতো বৰ ডাঙৰ কথা হৈ পৰে। গাৱে গাৱে যোৱা নিয়ন বান্ধি দিছে। গ্ৰাম সেৱক সকলৰ পৰা পৰামৰ্শ লবৰ কাৰণে ১০।১৫ দিনৰ মূৰে মূৰে এজোখন কনচালটেড কমিটি গঠন কৰি দিছে যদিও

খেতিয়ক সকল উপকৃত হব পৰা নাই। কাৰণ কনচালটেড কমিটিৰ সদস্যসকল আৰু কৃষি সম্প্ৰসাৰণ বিষয়াৰ বি, ডি ওৰ লগত কোনো সমন্বয় আমি দেখা নাই। কৃষি বিভাগে বেনৰ আঁচনি মতে কাম কৰে যাৰ ফলত ব্লক পৰ্য্যায়ত আমাৰ মানুহে যিখিনি সা-সুবিধা পাব লাগিছিল বা অন্যান্য সা-সুবিধা বিলাক পাব লাগিছিল সেইখিনি পোৱা নাই। লগতে ব্লকৰ বিষয়া বা বি, ডি ও এই ক্ষেত্ৰত সহায় কৰিব নোৱাৰে। আনহাতেদি সম্প্ৰসাৰণ বিষয়া সকলৰ বেচিভাগেই তেওঁলোকৰ কৰ্ম্মক্ষেত্ৰ বা ষ্টেচনত নাথাকে। প্ৰত্যক্ষভাৱে মই নলবাৰী মহকুমাৰ কথাকেই কব খুজিছো। বাস্কা ডেভেলপমেণ্ট ব্লকত ৩ জন কৃষি সম্প্ৰসাৰণ বিষয়া আছে বুলি মই জানো। তাৰে এজনৰ বাহিৰে বাকী ২ জনক কোনো দিনেই লগ পোৱা নাই আৰু কত থাকে কোনেও কব নোৱাৰে। এনেকুৱা অৱস্থাত গাৱৰ হোজা সহজ সৰল কৃষক সকলে মহকুমা বা কৃষি বিষয়াৰ ওচৰলৈ গৈ কেনেধৰণে উপকৃত হব সেইটো চিন্তাৰ বিষয়। ইয়াৰ ফলত যদিও বৰ্ত্তমান বিজ্ঞান সন্মত ভাবে কৃষিৰ প্ৰচলন হৈছে তথাপিতো এতিয়ালৈকে কৃষিৰ সম্প্ৰসাৰণ হোৱা নাই। এই আঁচনি বিলাক আজি বিজ্ঞানৰ যোগেদি বা অন্যান্য কাৰিকৰী পূৰ্ণাঙ্গ দিশ বিলাকলৈ অনুসৰণ কৰিয়েই কৰা হৈছে। আমাৰ মাননীয় সদস্য বসুমতাৰী ডাঙৰীয়াই কোৱাৰ দৰে কাৰিকৰী বিষয়ৰ দ্বাৰা ট্ৰেকটৰ জৰিয়তে হাল বাব পাৰিলে, বা বিজ্ঞান সন্মত ভাবে পাৱাৰ পাম্পৰ যোগেদি পানীযোগান ধৰি আবতৰীয়া ৰতৰত খেতি কৰিব পাৰিলেও খেতিয়ক সকলে সুন্দৰ ভাবে জীৱন নিৰ্ব্বাহ কৰিব পাৰে। এই পদ্ধতি বিলাক আমাৰ খেতিয়ক ৰাইজে আজিলৈকে পোৱা নাই। ১৯৮১-৮২ আৰু ১৯৮২-৮৩ চনত চাবচিডাইজ ৰেটত (আধা দামত) ট্ৰেক্টৰ যোগান ধৰাৰ কাৰণে আঁচনি লৈছিল। আৰু এইটো ট্ৰাইবেল চাব প্লেনত চাবচিডিয়াৰি ৰেটত ফ্ৰি ট্ৰেক্টৰাইজেচন—আধা দাম দি ট্ৰেক্টৰৰ নামত অনুদান দিয়া হৈছিল। কিন্তু বহুল প্ৰচাৰ নোহোৱাৰ কাৰণে ৰাইজে সেইখিনি সুবিধা গ্ৰহণ কৰিব নোৱাৰিলে। ফলত নলবাৰী মহকুমাতে ৪ লাখ টকা আনইউটিলাইজ হৈ ৰাহি হৈ যায়। ঠিক একেদৰেই বিক্লেইমেচনৰ ক্ষেত্ৰত বুলডোজাৰৰ দ্বাৰা তেনেধৰণৰ ব্যৱস্থা আছে কিন্তু কৃষি বিভাগে সেইটো যোগান ধৰিব পৰা নাই। এনে ধৰণে গোটেই অসমৰ মহকুমা বিলাকত এই শিতানত বহু টকা আনইউতিলাইজ হৈ আছে আৰু কিছুমান ব্যৱস্থাৰ কথা বসুমতাৰী ডাঙৰীয়াই কৈছে যে এই পাৱাৰ টিলাৰ বা পাৱাৰ পাম্প বিলাক খেতি-য়কক দিয়াৰ ব্যৱস্থাও হৈছে। কিন্তু আচৰিত কথা এই আধুনীক যন্ত্ৰপাতি ব্যৱহাৰ কৰাতো কাৰিকৰী জ্ঞানৰ আৱশ্যক কিন্তু তেওঁলোকৰ এই শিক্ষা দিয়া হোৱা নাই।

গতিকে সেই সকল লোকক সেইবিলাক বস্তু ব্যৱহাৰ কৰিবলৈ দিয়াতো হাস্যম্পদ হৈছে। জনজাতীয় সকলৰ বেচিভাগেই এই পাৱাৰ টিলাৰ বা পাৱাৰ পাম্প ব্যৱহাৰ নকৰে। এইবিলাক বিক্ৰী হৈ গৈছে। কৰবাত যদি কাৰোবাৰ কাৰিকৰী জ্ঞান থকা লোক আছে তেনে দুই এঠাইত ব্যৱহাৰ হৈছে যাৰ কিছু কাৰিকৰী জ্ঞান আছে। আমাৰ বিধান সভাৰ ট্ৰাইবেল welfare কমিটিৰ ভ্ৰমণযোগে গোটেই অসম ঘূৰি দেখিছো যে ট্ৰাইবেল চাব প্লেনত এই পাৱাৰ টিলাৰৰ কাৰণে যি হাজাৰ হাজাৰ টকা দিয়া হৈছে সি জনজাতীয় সকলৰ কোনো কামত অহা নাই। কিন্তু তেওঁলোকে হালৰ গৰুৰেই কাম কাজ চলাই আছে যদিও হালৰ গৰুৰো অভাৱ তেওঁলোকে সদায় পাই আছে। আৰু হালৰ গৰুৰ অভাৱত বহু ঠাইত কৃষকে খেতি-বাতি কৰিব পৰা নাই। গতিকে এই হালৰ গৰুকেই কিনিবলৈ যদি এক দুই হাজাৰ টকা প্ৰতিজন খেতিয়কক দিয়া হয় তেতিয়া অন্তত: সৰহসংখ্যক মানুহক দিব পৰা হব। ২০।২৫ হাজাৰ টকা পাৱাৰ পাম্প বা পাৱাৰ টিলাৰ কাৰণে একোজন কৃষকক দিয়া আঁচনি বন্ধ কৰাই ভাল। এডভাইচোৰি কমিটিত এই বিষয়ে পৰামৰ্শ দিয়া হৈছিল। আনহাতেদি আৰু এটা কথাত বৰ দুখ পাবলগীয়া হৈছে সেইটো হ'ল খেতিৰ সা-সজুলীৰ লগতে কিছুমান যাবতীয় বস্তু যেনে কোৰ, কাঁচি ইত্যাদি খেতিয়ক সকলক বিতৰণ কৰা হয়। কিন্তু সেইবিলাক বস্তু আনিবলৈ তেওঁলোকে দুৰ-দুৰণীৰ পৰা এশ দুশ কিলোমিটাৰ দূৰৰ পৰা যেনে বৰপেটালৈ আহিব লগীয়া হয়। ফলত তেওঁলোকে অধিক খৰছান্ত হয় আৰু বস্তুৰ যিটো দাম তাতকৈ বেচি খৰচ কৰিব লগীয়া হয়। এই কিছুমান আঁচনিৰ জৰিয়তে জনজাতীয় সকলৰ উপপৰিকল্পনাৰ অপপ্ৰয়োগ হৈছে বুলি কব পাৰি। গতিকে প্ৰয়োজনীয় আঁচনি কৰি অপ্ৰয়োজনীয় আচনি বিলাক বাদ দি কৃষিৰ সম্প্ৰসাৰণ কৰি প্ৰকৃত ভাবে কাৰ্য্যত যাতে খেতিয়ক সকলে সুবিধা পায় আৰু কামত লগাব পাৰে তেনেধৰণে আচনি লবলৈ বিভাগীয় মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে দৃষ্টি আকৰ্ষণ কৰি কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীহেমপ্ৰকাশ নাৰায়ণ : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে কৃষি বিভাগৰ কাৰণে যি মঞ্জুৰী ডাভি ধৰিছে সেইটো মই সমৰ্থন কৰি আৰু কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি দুষাৰ কবলৈ আগবাঢ়িছো। ভাৰতবৰ্ষ আজিও কৃষি প্ৰধান দেশ বুলি পৰিগণিত হৈ আছে আৰু কৃষক সকলেই যে দেশৰ মেৰুদণ্ড সেইকথা কৈ থকা হৈছে। অসমৰ শতকৰা ৮০

*Speech not corrected

ভাগত কৈও অধিক জনসাধাৰণৰ জীৱন আৰু জীৱিকা নিৰ্ব্বাহৰ মাধ্যম হ'ল খেতি। জীৱিকা নিৰ্ব্বাহৰ পথ এইকাৰণেই কোৱা হৈছে যে এই খেতিয়ক সকলৰ জীৱনৰ সমস্তখিনি কৃষিৰ ওপৰতেই নিৰ্ভৰ কৰি চলিব লগীয়া হৈছে। এনে ক্ষেত্ৰত ৰাজ্যখনৰ যেতিয়া সৰহসংখ্যক মানুহেই কৃষিৰ ওপৰত নিৰ্ভৰ কৰি থাকিবলগীয়া হৈছে তেনে ক্ষেত্ৰত আজি সমাজৰ মানুহখিনিৰ ৬টা পৰিকল্পনা শেষ হৈ গ'ল আধুনীক বিজ্ঞানৰ নামত উন্নাত হোৱাৰ পাচত, আধুনিক পদ্ধতিত খেতিবাতি কৰাৰ সময়ত এই কৃষকসকলক পৰিকল্পনাৰ যোগেদি যিখিনি ব্যৱস্থা দিব পাৰিব লাগিছিল সেইখিনি দিব পৰা নাই। আৰু যিখিনি বা দিয়া হৈছে তাৰ দ্বাৰা কৃষকসকল উপকৃত হোৱা নাই। কৃষিৰ সামাজিক তথা সকলো দিশতে উন্নতিৰ পথত আগবঢ়াই লৈ যোৱাতো চিন্তা কৰাৰ সময় আহি পৰিছে। কৃষি আৰু কৃষক দুয়োটাকে পাৰ্থক্য কৰিলে নহব। দুয়োটাকে সমানে উন্নতিৰ বাটত আগবঢ়াই নিব লাগিব। আজি খেতিয়কৰ উপযোগীকৈ যিবিলাক আৰ্থিক দিশৰ কাম-কাজ সেইবিলাক আমাৰ তেনে আঁচনি নাই বা নীতি নাই। কৃষিৰ উন্নতি কৰিবলৈ হলে আৰু কৃষকক সহায় কৰিবলৈ হলে জলসিঞ্চন ব্যৱস্থাৰ দ্বাৰা জলসিঞ্চনৰ ব্যৱস্থা থকাটো দৰকাৰ। অসমত বানপানী প্ৰবল হয়— যোৱা বাৰ কাছাৰ জিলাত, শিৱসাগৰ জিলাত, গোৱালপাৰা জিলাত আৰু কামৰূপ জিলাত প্ৰায় অংশতেই বানপানীৰ কাৰণে খেতি নহল। সেই অঞ্চলত খেতিয়কক সহায় কৰিবৰ কাৰণে যেনেভাবে আঁচনি ইত্যাদি লব লাগিছিল তেনে ভাবে লোৱা নহল। ধৰক উন্নত জাতৰ সচ, উন্নত জাতৰ বীজ সহজতে পোৱাৰ ব্যৱস্থা কৰিব লাগিছিল, পোক পৰুৱাই যাতে খেতি নষ্ট কৰিব নোৱাৰে তাৰ কাৰণে যিবিলাক সা-সুবিধা সেইবিলাক পৰ্য্যাপ্ত পৰিমাণে দিব পৰা নহল। বিশেষকৈ খেতি কৰিবলৈ হলে সাৰৰ কথা আছে। উপযুক্ত সময়ত সাৰৰ অভাবৰ কাৰণে খেতিয়কে খেতি কৰিব নোৱাৰে আৰু মাটি দৰা চাহ কৰি লবলৈ আৱশ্যকীয় সুবিধাখিনি সময়মতে নাপায় আৰু ট্ৰেকটৰৰ দ্বাৰা চাহ কৰিবও নোৱাৰে আৰু গৰুও তেনেকৈ নাই গতিকে এই বহুত বিলাক অসুবিধাই তেওঁলোকক খেতিকৰাত বাধাৰ সৃষ্টি কৰিছে। তাৰোপৰি অধিক শ্ৰম দান কৰি খেতিয়ক সকলে তেওঁলোকৰ উৎপাদিত কৃষিৰ মূল্য যেনেধৰণে পাব লাগিছিল সেইখিনি দিয়াৰ ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা যেনে ব্যৱস্থা লব লাগিছিল তেনে ধৰণে আমি দেখা নাই। ইতিমধ্যে বিভাগৰ ফালৰ পৰা বৈজ্ঞানিক ভিত্তিত খেতি কৰা আৰু চাহকৰাৰ কাৰণে এগ্ৰো ইণ্ডাষ্ট্ৰি ডেভেলপমেণ্ট কৰ্পোৰেচনৰ নিচিনা

অনুস্থান খুলি ট্ৰেক্টৰ দ্বাৰা খেতিয়কক মাটি চহ কৰাৰ কাৰণে সুবিধা দিয়াৰ কথা। কিন্তু এই অনুস্থানৰ দ্বাৰা খেতিয়কৰ বিশেষ কামত অহা নাই। কেৱল কিছুমান উচ্চ বিষয়া আৰু কৰ্ম্মচাৰী পোহপাল দিয়াৰ বাহিৰে একো কৰিব পৰা নাই। সেইদৰে বীজ নিগমো যিটো হৈছে তাৰ খেতিয়কসকল উপকৃত হোৱা নাই। এই নিগমে খেতিয়ক সকলক সময়মতে ভাল বীজ যোগান ধৰিব পৰা নাই। বাহিৰৰ পৰা কিছুমান গেলা-পচা দোকানত থকা বীজ আনি হঠাতে খেতিয়ক সকলক দিলে তাৰ পৰা কি কামত আহিব? উৎপাদনৰ কৰা প্ৰকৃত যি সকল খেতিয়ক সেইসকলে কোনো মূল্য নাপায় অথচ মাজৰ মানুহখিনিয়ে সকলো ধৰণৰ সুবিধা পাই থাকে। ইয়াৰ কাৰণ হ'ল খেতিয়কসকল সংগঠিত নহয় তেখেত সকল নিৰক্ষৰ আৰু দুৰ্ব্বল আৰু সহজ সৰল। তেওঁলোকৰ দাবী বা পাবলগীয়া খিনিৰ কাৰণে তেওঁলোকৰ মনোবেদনা বিলাক প্ৰতিপন্ন কৰিব নোৱাৰে। তেওঁলোকৰ যিহেতু ইউনিয়ন নাই।

At 3.55 p.m., Hon. Deputy Speaker vacated the chair and Shri Hemen Das, Chairman took the chair).

মাননীয় চেয়াৰমেন মহোদয়, মই ভাবো এই বিভাগৰ লগত ৰাজ্যখনৰ আশী পচাশী ভাগ লোক জড়িত আছে। সেইসকলৰ উন্নতিৰ কাৰণে সেই সকলৰ সুবিধাৰ কাৰণে কৃষিৰ ক্ষেত্ৰত থকা লোকসকলে প্ৰকৃত আঁচনিৰ দ্বাৰা বাজেটত ধাৰ্য্য কৰা ধন সহ আগবাঢ়ি আহিব। এইখিনিকে মই আপোনাৰ যোগেদি নিবেদন কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

মাননীয় চেয়াৰম্যান : মাননীয় সদস্য শ্ৰীমহম্মদ আলি। মাত্ৰ পাচ মিনিট কব।

শ্ৰীমহম্মদ আলী : মাননীয় চেয়াৰম্যান মহোদয়, কৃষি মন্ত্ৰী মহোদয়ে যিটো কৃষি মঞ্জুৰী আনিছে তাক সমৰ্থন কৰি আৰু তাৰ ওপৰত যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে সেইটো বিৰোধীতা কৰি কেইটামান কথা কবলৈ থিয় হৈছো। আমাৰ অসমত কৃষিৰ ওপৰত গুৰুত্ব দিয়া মানেই কৃষকসকলক অধিক শস্য উৎপাদন কৰিবলৈ মোটিভেট কৰাটোৱেই হব বৰ্ত্তমান সময়ৰ আটাইতকৈ ফলপ্ৰসু কৌশল। এসময়ত এই ধৰণে অধিক শস্য উৎপাদন কৰাৰ কাৰণে কৃষক সকলক মোটিভেট কৰাৰ এক সুন্দৰ প্ৰচেষ্টা চলিছিল আৰু ব্লক বা গাওঁপঞ্চায়তৰ জৰিয়তে প্ৰত্যেক গাওঁ পঞ্চায়তে দুই চাৰিজন গ্ৰামসেৱক আছিল আৰু গাৱেঁ গাৱেঁ গৈ কৃষকসকলৰ লগত আলাপ আলোচনা কৰিছিল। কৃষি সম্পৰ্কে কৃষকসকলক পৰামৰ্শ দিছিল। কোন জাতৰ ধান কোন ডৰা মাটিত ভাল হব, কেনেকৈ সঁচ আদি সিঁচাৰ ব্যৱস্থা

কৰিব লাগিব , অধিক শস্য কেনেকৈ উৎপাদন হব সেই বিলাক কথা আলোচনা কৰিছিল । গাওঁ অঞ্চলৰ স্কুল ঘৰ আদিত বহি সেই নিলাক পৰামৰ্শ কৰিছিল । খেতিৰ উন্নতিৰ কাৰণে জয়া, পুচা, আইজুং বা অন্যান্য উন্নত জাতৰ ধান কেনেকৈ কোন ডৰা মাটিত দিব লাগিব, সাৰ কেনেকৈ দিব লাগিব সেই বিলাক আলোচনা কৰিছিল। সেই ভাবে অধিক শস্য উৎপাদন কৰাৰ এক বৃহত প্ৰচেষ্টা চলিছিল । কিন্তু কিছুদিনৰ পৰা দেখা গৈছে তেনেকুৱা প্ৰচেষ্টা ক্ৰমাগত ভাবে নাইকীয়া হৈ গৈছে । কৃষক সকলৰ ওচৰলে গ্ৰাম সেৱক নোযোৱা হল । কৃষি সম্প্ৰসাৰণ বিষয়া আদিও কৃষক সকলৰ লগত কোনো যোগাযোগ নৰখা হল । ফলত আগৰে পৰা কৃষক সকলে যি বীজ সাৰ আদি ব্যৱস্থাৰে ব্যৱহাৰ কৰি আছে তাৰেই চলি আহিছে ।

(সময়ৰ সংকেত)

(চেয়াৰম্যানৰ সলনি উপাধ্যক্ষই আহি আসন লয়)

মাননীয় উপাধ্যক্ষ : আৰু এক মিনিট সময় কব ।

শ্ৰীমহম্মদ আলি : অধিক শস্য উৎপাদন কৰাৰ যিটো প্ৰেৰণা সেই অনুপ্ৰেৰণা এতিয়া আমাৰ কৃষি বিভাগৰপৰা যোগাব লাগিব। আমাৰ দেশৰ দৰিদ্ৰতা দুৰীকৰণৰ একমাত্ৰ ব্যৱস্থা হ'ল কৃষিৰ ক্ষেত্ৰত অধিক উৎপাদন । কিয়নো দুখীয়া ধনী সকলো লোকেই কৃষিৰ উৎপাদনৰ ওপৰত নিৰ্ভৰশীল । কিছুমান মিনি-কিডচ, ব্লক ওৱাইজ বা চাৰ্কোল ওৱাইজ বিতৰণ কৰিলে কৃষিৰ ক্ষেত্ৰত সহায়ক হব। সেই ক্ষেত্ৰতো আগৰ বছৰ বিলাকত বহু ধৰণৰ খেলিমেলি পৰিলক্ষিত হৈছিল। পঞ্চায়তেই হওক বা ব্লকেই হওক কৃষক সকলক সহায় কৰাতোহে এই ক্ষেত্ৰত মূল উদ্দেশ্য হোৱা উচিত হব।

(সময়ৰ সংকেত)

এই মিনিকিডচ, দিয়াৰ ক্ষেত্ৰত যাতে েবেমেজালিমূলক নহয় তাৰ প্ৰতি নজৰ ৰাখিবলৈ মন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ ৰাখি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো ।

মাননীয় উপাধ্যক্ষ : মাননীয় সদস্য শ্ৰীবৰ্গৰাম দেউৰী পাচ মিনিটৰ অধিক সময় নকয় যেন ।

*শ্ৰীবৰ্গৰাম দেউৰী : মাননীয় উপাধ্যক্ষ মহোদয়, পোন প্ৰথমে কৃষি বাজেটৰ কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধী কৰিছো । কৃষি বিভাগৰ যিটো বাজেট এইটো ঠিকেই

*Speech not corrected

দুখীয়া দৰিদ্ৰ সকলৰ উপকাৰত অহাৰ কাৰণেই কৃষিৰ বাজেট উত্থাপিত হৈছে। কিন্তু কৃষিৰ ক্ষেত্ৰত উন্নতি সাধন কৰিবলৈ হলে অসমত কৃষি বিভাগৰ দৃষ্টিভঙ্গী সলনি কৰিব লাগিব এইটো ঠিক। চৰকাৰৰ কৃষি বিভাগ আৰু গাওঁৰ খেতিয়ক সকলৰ মাজত বিৰাট ব্যৱধান আছে। ৰাজ্যখনৰ কৃষি উৎপাদনৰ কাৰণে বাজেটত যি টকা ধৰা হয় সেইটো কৃষি উৎপাদনৰ কাৰণে খৰচ কৰা প্ৰকৃতাৰ্থত হোৱা নাই বুলি কব লাগিব। কিয়নো আমি সেইটো দেখা নাই। কৃষিৰ ক্ষেত্ৰত কৰা খৰচৰ কাৰণে যিটো আউটকাম আহিব লাগে দৰাচলতে সেইটো আমি দেখিবলৈ পোৱা নাই। আমি কেৱল কাগজে পত্ৰেহে দেখিবলৈ পাওঁ। চৰকাৰী বাজেটৰ টকা তেনেভাবে অপচয় হৈ থাকিলে জনসাধাৰণৰ কাৰণে বিভাগৰ পৰা খৰচ কৰা টকা প্ৰকৃত কামত অহা নাই বুলিয়েই কব লাগিব। আমি আশা ৰাখিছো নতুন বাজেটত দুখীয়া দৰিদ্ৰ সকলৰ পৰা অনা কৰকাটলৰ টকা সেই সকলৰ কাৰণেই ঠিকভাবে খৰচ কৰা হব। ইয়াৰ উপৰিও বিভিন্ন শিতানত যিবিলাক টকা ধৰা হৈছে সেইবিলাক যাতে ঠিকমতে আঁচনি অনুসৰি খৰচ কৰা হয় তাক চাবলগীয়া হৈছে। খেতিয়ক সকলৰ লগত সম্পৰ্ক ৰাখিবৰ কাৰণে দুই ধৰণৰ চৰকাৰী কৰ্ম্মচাৰী আৰু বিষয়া আছে। এটা হল গাওঁ পৰ্য্যায়ত গ্ৰামসেৱক আৰু এটা হল টেকনিকেল লোক এক্সটেনশ্যন অফিচাৰ। আমাৰ পূৰ্ব্ববৰ্ত্তী বক্তা মাননীয় সদস্য সকলে ভাষণ প্ৰসঙ্গত এইটো প্ৰকাশ কৰিছে যে এই দুয়োবিধৰ কৰ্ম্মচাৰীৰ ভূমিকা প্ৰসংশনীয় নহয়। মই মোৰ নিজৰ সমষ্টিৰ এটা উদাহৰণ দিব বিচাৰিছো।

(সময়ৰ সংকেত)

এজন গ্ৰামসেৱক তিনিটা কেচত পৰি আঠাইশ দিন ধৰি চাচপেণ্ড হৈ আছে আৰু এক্সটেনশ্যন অফিচাৰ জনেও চিনচিয়াৰ কাম কৰি থকা স্বত্বেও চাচপেণ্ড হৈ আছে। আচলতে কৃষি বিভাগৰ কি কাম কৰিছে কি ধৰণে কাম কৰিছে সেইটো অনুসন্ধান কৰি ঠিক মতে কাম চলিছেনে নাই সেইটো পৰ্য্য-বেক্ষণ কৰিলেহে উদ্দেশ্য সফল হব পৰা যায়। মই আশা কৰিছো এই সকলো কাম কৰিবলৈ মানুহৰ ব্যৱস্থা কৰিব। কৃষি বিভাগৰ ওপৰতে আমাৰ ধনী দুখীয়া সকলো নিৰ্ভৰশীল কিয়নো এই উৎপাদনৰ ওপৰতে আমি সকলো বিলাক বৰ্ত্তি আছে।

(সময়ৰ সংকেত)

ইমান ডাঙৰ এটা গুৰুত্বপূৰ্ণ বিষয়ত মাত্ৰ পাচ মিনিট সময় কোৱা ঠিক সময় নহয়।

কিন্তু এইটো ঠিক যে কৃষিৰ ক্ষেত্ৰত দৃষ্টিভঙ্গী সলনি কৰিব লাগিব। ইয়াৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। আশাকৰো মন্ত্ৰী মহোদয়ে দৰকাৰ হলে পথাৰলৈ গৈ সময়ে সময়ে কৰ্ম্মচাৰী সকলৰ ভূমিকা পৰিদৰ্শন কৰি তাৰ ওপৰত বিহিত ব্যৱস্থা লব। এই ধৰণে কাম কৰিলেহে কৃষিৰ-ব্যৱস্থা উন্নতি আশা কৰিব পাৰি। ইয়াকে কৈ কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধীতা কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীমথুৰা ডেকা : উপাধ্যক্ষ মহোদয়, মাত্ৰ পাচ মিনিট সময় দিছে। মই অমৃত মন্থন সাধুটোকেই কব বিচাৰিছো অসুৰ সকলে অমৃত মন্থন কৰিলে কিন্তু পান কৰিলে দেৱতা সকলে। বিৰোধী পক্ষই কৰ্ত্তন প্ৰস্তাৱ দিয়ে ফল ভোগ কৰে দেৱতা সকলে অৰ্থাত শাসক পাৰ্টিয়ে। এইটো কেনেকুৱা কথা। আমাক দিব লাগিছিল। আমি কৰ্ত্তন প্ৰস্তাৱ দিওঁ আৰু তেখেত সকলে চৰকাৰৰ বিৰোধীতা কৰে। চৰকাৰী আচনিবিলাকৰ বিৰুদ্ধে কয়। কোনটো সত্য কোনটো অসত্য বিচাৰ কৰিব। কৃষি বিভাগটো যদি বন্ধ কৰি দিয়া যায় তেতিয়াহলে চৰকাৰৰ বহুত লাভ হব। কৰ্ম্মচাৰীৰ লাভ হব। কৃষি বিভাগৰ পৰা একো ফলাফল মই দেখা পোৱা নাই। কৃষি বিভাগটো উধানৰ নিচিনা। বিদ্যুৎ জলসিঞ্চন আৰু কৃষি এই তিনিটা বিভাগৰ সহযোগ নাই এই বিভাগ কেইটাৰ সম্বন্ধ নোহোৱাকৈ কেনেকৈ কৃষি উৎপাদন হয়? কৃষি মন্ত্ৰী মহোদয়ে যিখন বাজেট দাঙি ধৰিছে তাত বৰ বিশেষ একো কথা নাই। মটৰ কিনা, মটৰ মেৰামতি, ট্ৰেভেলিং, ভোজ খোৱা আতিথ্য আদি দেখিছো পৰিস্কাৰ ভাবে কব লাগিছিল কৰ্ম্মচাৰীৰ দৰ্মহা ইমান, কৃষি উন্নয়নত ইমান টকা দিয়া হৈছে। যদিও আছে পিছত নাই বুলি কোৱা হব। থোৰতে কওঁ অসমত বহু বছৰ আগতে উৰা জাহাজেৰে পোক নাশক ঔষধ চটিয়াইছিল। ঔষধ মিহলি ঘাঁহ খাই কৃষক ৰাইজৰ গৰু চেৰেলিয়াই মৰিল। ডাক্তৰে বেমাৰ ধৰিব নোৱাৰিলে। সেই সময়ৰ পৰা কৃষক সকল দুখীয়া হৈ গল। এইবাৰো সেই ব্যৱস্থাৰ আছে। উৰা জাহাজেৰে মধাপাটত সাৰ চটিয়াব। যিখিনি ঠাইত মৰাপাট আছে তাত দিয়ক। ইউৰীয়া এবিধ সাৰ। কিন্তু ইউৰীয়াৰ লগতে কীট নাশক ঔষধ মিক্স কৰে। কৃষি মন্ত্ৰী ডেকা কালৰ পৰা সমাজ সেৱা কৰি আহিছে। আমি আশা কৰিছিলো নতুন নতুন কথা পাম। কিন্তু নতুন কথা একো নাই। এইখিনিকে কৈ সামৰণি মাৰিলো।

*শ্ৰীগোলোক ৰাজবংশী (কৃষি মন্ত্ৰী) : উপাধ্যক্ষ মহোদয়, গণতান্ত্ৰিক পদ্ধতিত

*Speech not corrected

সমালোচনা অবিচ্ছেদ্য অঙ্গ। এই কাৰণে যিসকল বন্ধুৱে কৃষিৰ শিতানত সমালোচনা কৰি এই বিধান সভাত পৰামৰ্শ দিছে মই তেখেতসকলক ধন্যবাদ দিছো। সময় ১৫ মিনিট। আমাৰ শ্ৰীডেকা ডাঙৰীয়াই কবৰ নিচিনা নতুন কথা একো নাই, মই প্ৰচাৰ নকৰো। কৰিম বুলি ভাবিছিলো। তথাপি তেখেতসকলে যিখিনি কথা উল্লেখ কৰিছে থোৰতে তাৰ উত্তৰ দিবলৈ চেষ্টা কৰিম। মই নিজে কৃষি বিভাগৰ গোটেই কথাখিনিত সন্তোষ্ট হৈছো সেই কথাটো নকওঁ। আৰু এইটো অকলে মন্ত্ৰীয়ে কৰা কথা নহয়। পি, ডব্লিও, ডিত টকা দিছে ঠিকাদাৰে ৰাস্তা বনাই দিব। কাৰণ লেবাৰ লগাই ৰাস্তা বনাব, বিল্ডিং বনাব। তেনে ধৰণে কিছুমান কাম কৰিছে। টকা খৰচ কৰিলে ট্ৰেনজিষ্টল হৈ ওলাই যায়। কৃষিত খৰচ কৰো সেইটো দেখিবলৈ নাপাওঁ। জনসাধাৰণৰ অৱস্থা নাই কৃষি বিষয়ত। সেই হিচাবে যদি চোৱা যায় তেনেহলে মই কোৱা কথা নহয়, বিশ্ব বেংকৰ এচেচমেণ্ট অসমত কৃষিৰ ক্ষেত্ৰত বৰ আশাপ্ৰদ। মুখ্যমন্ত্ৰীয়ে কালি এই সদনত কৈছে যে বিভিন্ন ৰাজ্যৰ তুলনাত অসম কৃষিৰ ক্ষেত্ৰত পিচপৰি থকা নাই। আমি যিমান আগবাঢ়িব লাগিছিল, সিমান আগবাঢ়িব পৰা নাই। কৃষি উন্নয়ণৰ কথাটো বিলে ৰেচৰ নিচিনা। যদি পানী যোগান বিদ্যুৎ বিভাগ, চইল কনজাৰভেচন, চাপ্লাই বিভাগ ওচৰলৈ নাহে কৃষিত উন্নয়ণ নহয়। কৃষিত আমি সমূহীয়া প্ৰচেষ্টা নকৰিলে আগবঢ়াই লৈ যাব নোৱাৰো। সমূহীয়া উন্নয়ণ প্ৰচেষ্টাত কিবা হীনদেঢ়ি হলে উন্নয়ণ নহব। সেইকাৰণে যিমান আগবঢ়াই লৈ যাব পাৰিব লাগিছিল সিমান আগবঢ়াব পৰা নাই। অসম পঞ্জাব নহয়। বহুতে পঞ্জাবৰ উদাহৰণ দিছে। পঞ্জাৰৰ এজন মানুহৰ হাজাৰ বিঘা মাটি থাকে। তেওঁলোকে ট্ৰেক্টৰ, সাৰ, জলসিঞ্চন সম্পূৰ্ণভাবে প্ৰয়োগ কৰে। অসমৰ মাটিৰ অবস্থাটো হল দুই তিনি বিঘা মাটি। তাতো সীমা লৈ কাজিয়া। গতিকে যান্ত্ৰিক কৃষি কাৰ্য্য কৰাত অসুবিধা আছে। আমাৰ পৰামৰ্শদাতাসকলৰ ভিতৰত পৰস্পৰ বিৰোধ পাইছো। শ্ৰীবসুমতাৰী ডাঙৰীয়াই সাৰ ব্যৱহাৰৰ বিৰুদ্ধে কৈছে কেন্সাৰ হোৱা ভয়ত। আকৌ আন আন সদস্য সকলে বেছিকৈ সাৰ প্ৰয়োগ কৰাৰ পৰামৰ্শ দিছে।

উপাধ্যক্ষ মহোদয়, মই পৰামৰ্শ বিলাক অলপমান চাওতে অলপ কনট্ৰাদিকচন পাইছো। আমাৰ বসুমতাৰী ডাঙৰীয়াই ইয়াৰ বিৰোদ্ধে কৈছে। আন আন মাননীয় সদস্যই কৈছে যে, বেচিকৈ সাৰ প্ৰয়োগ কৰিব লাগে। মই কোনতো গ্ৰহন কৰিম ? গতিকে বৈজ্ঞানিক সকলে যিটো কয় সেই পথেৰে

যাব লাগে। নহলে আমাৰ মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই কৈছে যে, আইজং নলৰ, লক্ষিমী এৰিব। বৈজ্ঞানিক সকলে কৃষি বিভাগক পৰামৰ্শ দিছে তেনে হিচাবে কাম কৰিবলৈ যাওঁতে আমি বিভিন্ন ধৰণৰ আঁচনি লৈছো। সেই আঁচনি বিলাকৰ প্ৰচাৰৰ কাৰণে নহয়, আমাৰ মাননীয় সদস্য ডেকা ডাঙৰীয়াইও এই বিষয়ে কৈছে। আমি এতিয়া কৃষি বিভাগত বিভিন্ন ধৰণে কাম কৰি যি ধৰণে আঁচনি লব খুজিছো, সেইটো ইয়াত বিশ্ব বেংকৰ প্ৰগেম আৰু বেনৰ প্ৰগেম দুয়োটাই আছে। বেনৰ প্ৰগেম মতে পথাৰত বা গাৱঁত গৈ দেখা কৰা হয়। আমাৰ এজন ভি, এল, ই, ডব্লিউৰ অধিনত ৮০০ পৰিয়াল দিছে। তেওঁলোকৰ পদ্ধতি মতে গাওঁখনৰ মানুহক মতিভেটেদ কৰে আৰু তেওঁলোকৰ কথা মতে খেতিয়কে খেতি কৰে। ১৪ দিনৰ পিছে পিছে ভি এল, ই ডব্লিউৰ মানুহে তেওঁলোকক লগ কৰে। বৈজ্ঞানিক পদ্ধতিৰে ওৰ্ল্ড বেংকৰ আঁচনি কৰা হৈছে। তেওঁলোকে পথাৰত গৈ খেতিয়কক বেমাৰৰ কথা সুধে যদি কিবা পায় আগৰ নিচিনাকৈ এক মাহৰ মূৰত আলোচনা চক্ৰ পাতে আৰু মাহে মাহে সেই ভি, এল, ই ডব্লিউ লোকে ইৰিগেচনত পানী কিমান দিছে, পানী ৰঙা হলে খেতি মৰি গৈছে, কত পথাৰত সচ দিছিল, কত থোক ওলাব পৰা নাই এই গোটেই কথাবিলাক আলোচনা কৰে। আমি সকলোৰে অৱশ্যে যেনে ধৰণে প্ৰয়োগ কৰিব লাগিছিল তেনেধৰণে কাৰ্য্যকৰী কৰিব পৰা নাই। অসুবিধাও কিছু আছে। পথাৰত থকা মানুহ ২৪৪০ জন ভি, এল, ডব্লিউ আছে। ৭০০ জন পঞ্চায়তৰ পৰা লৈ আহে। তেখেত সকলে চাকৰি লৈছে ভি, এল, ই ডব্লিউ হিচাবে কামত সোমাইছে আৰু তেনেকৈয়ে যাব।

দ্বিতীয়তে এগ্ৰিকালচাৰ ৰিচাঁচ এডুকেশ্যন যোৰহাটত আছে এখন বিশ্ব বিদ্যালয় আছে গোটেই বিলাকৰ বিবৰণি দিব নোৱাৰো। মোক মাত্ৰ ১৫ মিনিট সময় দিছে সেইটো যথেষ্ট কম সময়। একো যে গবেষণা কৰি লোৱা নাই সেইটো সচা নহয়। কিছুমান কথা কৃষকে গ্ৰহন কৰিছে, কিছুমান ভয় কৰিছে। কিছুমান কৃষকৰ ওচৰলৈ নিব পৰা নাই। তৃতীয়তে এগ্ৰিকালচাৰ মাৰ্কেটিং বিভাগৰ মাৰ্কেটিং বৰ দুৰ্ব্বল। বসুমতাৰী ডাঙৰীয়াই যোৱা বাৰ বিধান সভাত কৈছিল যে, গাৰী এখনো নাই। তদন্ত কৰা হল গাৰীৰ বদিহে আছে। ৩৮ হাজাৰ টকা গাৰী ৰিপেয়াৰ কৰোতেই যাব। চতুৰ্থতে মালটিপুল চিদৰ সংক্ৰান্তত কব বিচাৰিছো যে অসমত যিমান বীজৰ প্ৰয়োজন হয় সিমান বীজ আমি যোগান কৰিব পৰা নাই। তাৰ বাবে বাহিৰৰ পৰা চিদ আনিব লগাহয়।

তাৰোপৰি আমাৰ নেশনেল চিদ কৰপৰেচন আছে। আমি কিছুমান বীজ পামৰ পৰা উৎপাদন কৰো আৰু কিছুমান আমি খেতিয়কৰ পৰা কিনি লও। আমি সেইকাৰণে এইবাৰ চেষ্টা কৰিছো যে অসমত যিখিনি বীজ আছে সেইখিনিৰে ইয়াত উৎপাদন কৰিব পৰা যায়নে নাযায় তাৰ কাৰণে ব্যৱস্থা লৈছো। ইতিমধ্যে কোকৰাঝাৰ, ধুবুৰী শিলচৰ এই বিলাকত কিছুমান কৃষকে বীজ উৎপাদন কৰে তেওঁলোকে সময়মতে ইয়াত বীজ বিতৰণ কৰিব পাৰে তাৰ কাৰণে ব্যৱস্থা কৰিছো। আৰু ভৱিষ্যতে বীজ বিতৰণৰ ক্ষেত্ৰত কিছুমান বীজ যেনে মটৰ, সৰিয়হ, ধান আদিৰ ক্ষেত্ৰত আমি স্বাবলম্বী হব পাৰিম। সেইকাৰণে মই আগতে কোনো আচনিৰ বিষয়ে প্ৰচাৰ কৰি বা: বা: লবলৈ বিচৰা নাই। পঞ্চমতে সাৰ, ফাৰটি লাইজাৰ খেতিত লাগিব। ৰাসায়নিক সাৰ ব্যৱহাৰ নকৰি গোবৰ গেচ লবলৈ ভিটেনাৰী বিভাগলৈ যন্ত্ৰৰ লাগিব গোবৰ গেচ কৃষি বিভাগৰ পৰা আৰম্ভ কৰি কিমান দূৰ প্ৰচাৰ কৰিব পাৰে জনসাধাৰণক মতিভেট কৰিব পাৰিলেহে কব পৰা যাব। ষষ্ঠতে হাই ইয়েলদিং ভেৰাইটি প্ৰগ্ৰেম মতে আমাৰ কৃষকে উৎপাদন কৰিব পৰা নাই। বুলি কলে বেয়া কথা হব। আমি সাৰ প্ৰয়োগ কৰি কৰিব পৰা নাই। বৰমাৰ নাথকুচি গাৱত এঘৰ কৃষকে তেখেতৰ তিনি বিঘা মাটিত খেতি কৰি হাই ইয়েল দিং ভেৰাইটি লৈ বৰ্ত্তমান ১৫ বিঘা নিজৰ মাটি কৰিছে। এতিয়া তেখেতে ২২ হাজাৰ টকা ৰিণ লৈ খেতি কৰিবলৈ লৈছে। মই কলো আপোনাৰ ভয় হোৱা নাইনে ? তেওঁ কলে যে, মই এবছৰৰ মূৰতে এই ধাৰ মাৰিব পাৰিম। যোৰহাটৰ মাজ গায়ন গাৱত এজন খেতিয়কে ১ বিঘা মাটিত ২৮ মোন ধান উৎপন্ন কৰিছে। বেচি উদাহৰণ দিব পাৰিলোহেতেন সময়ৰ অভাৱ। গতিকে মাননীয় সদস্য দেউৰীয়ে কোৱাৰ দৰে পথাৰলৈ গৈছো। আমি যদিও আপোনালোকক বেচি দিব পৰা নাই তথাপিও বিভাগে কৃষকৰ লগত লগ লাগি দিয়াৰ বাবে চেষ্টা কৰিছো। সপ্তমতে দেভেলপমেণ্ট কৰপৰেচন কথা কৈছো। আমাৰ এই বিভাগক মাহী আইৰ চকুৰে চাইছিল। এতিয়া আপগ্ৰেদ কৰিবৰ কাৰণে চেষ্টা কৰিম। তাৰ পিচত এগ্ৰিকালচাৰ ইঞ্জিনিয়াৰিঙৰ ক্ষেত্ৰত মই কব বিচাৰো যে, যিবিলাক টেক্টৰ আছে সেইবিলাক বেয়া ভাল কৰিবলৈ ৪০ কিলোমিটাৰ যাব লাগে। টেক্টৰ বেচি হলে মেৰামতিৰ কাৰণে টেকনিকেল মানুহ লাগিব যাতে সেই ঠাইলৈ গৈ ৰিপেয়াৰ কৰিব পাৰে। তাৰ প্লেন প্ৰটেকচনৰ কথা। আগতে উৰাজাহাজৰ দ্বাৰা ঔষধ চতিওৱা হৈছিল। এই ব্যৱস্থা অন্য দেশত আছে। আমাৰ ইয়াত ধানৰ খেতিৰ ওচৰতে মাহৰ খেতি তাৰ ওচৰতে

পুখুৰীত মাছৰ খেতি সেইকাৰণে অসুবিধা হৈছে। মেকানাইজ খেতিৰ কাৰণে আগবাঢ়িব পৰা নাই।

এক্সটেনচন ফাৰমাৰ গ্ৰপ চিডুৰেল কাষ্ট কম্পনেণ্ট জোন, ট্ৰাইবেল চাব-প্লেন এই গোটেই কথাখিনি তেখেতে কৈছে। ৰিহপুৰীয়াত যিজন অফিচাৰ আমি চাচপেণ্ড কৰিব লগীয়া হল, তেওঁ ট্ৰাইবেলৰ চহী দি বস্তু নিছে কিন্তু মানুহজন নাই। মন্ত্ৰী হিচাবে মোক আপত্তি দিছিল। পিচত চাচপেণ্ট কৰাত সেই একেখিনি মানুহেই আপত্তি দিছে যে চাচপেণ্ড কৰাটো ভুল হল। গতিকে এনে-কুৱা বিলাক ক্ষেত্ৰত বিভাগক অলপমান জোৰ দি কাম কৰিবলৈ দিলে মই চেলেঞ্জ কৰিছো নিশ্চয় এই বিভাগবোৰ নিকা কৰিব পাৰিম। তাৰ পিচত বিহপুৰীয়াৰ যি দুই এটা ব্যক্তিগত কথা কোৱা হৈছে পুলিচৰ ৰিপৰ্ট বিচৰা হৈছিল, কিন্তু খুজি খুজি পোৱা নাই। মইতো নিজে গৈ দায়েৰী দিব নোৱাৰো, ৰিপৰ্ট আনিব নোৱাৰো। পুলিচ বিভাগটো মোৰ নিজৰ নহয়, গতিকে এনে ধৰণেৰে আন আন বিভাগৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হয় ফলত ব্যৱস্থা হাতত লওঁতে পলম হয়। কিন্তু কোনো মানুহৰ প্ৰতি আমি দুৰ্বলতা দেখুৱা নাই।

অধ্যক্ষ মহোদয়, আমাৰ কৃষি আৰু কৃষক এই দুটা সুপ্ত সিংহ, আমি এওঁলোকক জগাই তুলিব লাগিব। আমি আমাৰ অৰ্থনীতি গঢ়িবৰ হলে কৃষকক জগাব লাগিব। আনাৰ ৰাজনীতি গঢ়িব হলে কৃষকক সংগঠন কৰিব লাগিব। এজন মন্ত্ৰীৰ হেচাত সমস্ত কৃষক জাগি নুঠে যদি মাননীয় সদস্য সকলে সহায় নকৰে। মই আশা কৰিছো ইয়াৰ পিচত কৰ্ত্তন প্ৰস্তাৱটো উঠাই লব।

Shri Binoy Kumar Basumatary : I am ready to with draw the Cut Motion, but the hon'ble Minister has not tackled the main point that this department is the most top heavy department of the Government. Will you trim it ?

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই আগতেই কৈছো অন্য অফিচাৰ টাওনলৈ গলে মানুহে আহি লগ ধৰে, কিন্তু আমি গৈ লগ ধৰিব লাগে। কাজেই প্ৰশাসনত অলপ বেছি খৰচ পৰিছে।

Shrj Binoy Kumar Basumatary : I am not satisfied. Any way, I beg leave to withdraw the Cut Motion.

Mr. Speaker : Is it the pleasure of the August House to grant leave to withdraw the Cut Motion ?

(Voices yes, yes)

Cut Motion withdrawn

Now I put the main grant before the House that a sum of Rs. 33,73,86,000 be granted to the Minister in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985 for the administration of "Agriculture".

The Grant is passed

Shri Golok Rajbanshi (Minister, Agriculture) : On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 52,48,000 be granted to the Minister in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985 for the administration of "Weights and Measures".

Mr. Speaker : There is no cut motion to this grant. So I put the grant before the August House that a sum of Rs. 52,48,000 be granted to the Minister in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985 for the administration of "Weights and Measures".

The Grant is passed

Shri Raghunath Pamegam (Minister, Rural Development) : On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs.43,17,68,000 be granted to the Minister in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985 for the administration of "Rural Development".

Mr. Speaker : There is a cut motion tabled by Shri Binoy Kumar Basumatary and Shri Bimal Gayari.

Shri Binoy Kumar Basumatary : Sir, I beg to move that the total provision of Rs. 43,17,68,000 under Grant No. 62 in respect of "Rural Development" at pages 36-55 of Volume II,Part XX of the Budget, be reduced to Re 1, i. e, the amount of the whole grant of Rs.43,17,68,000 do stand reduced to Re 1.

Sir, if we go to this budget, we can understand that this is a new department and the allocations made under various colums are empty. Most the of funds are kept in suspense and the allocations are mentioned as only grants-in-aid. At page 37 of the Budget under Section-Revenue there is a column Economic Service which is solely dependent on other departments to share the allocations. The success of the rural development depends on formulating various objectives. If we study this, we find that no clear-cut policy has been evolved by the Govt for this Rural Development. Sir, in page 38, Water Supply & Sanitation Agriculture and Minor Irrigation are mentioned. But, Sir, agriculture had already had a separate department. Minor Irrigation also have a separate department as also a Corporation. Now, Sir, if the Rural Development wished to use this head Minor Irrigation for the development of the rural areas, what sort of minor irrigation schemes will be taken up ? Minor Irrigation Corporations in UP and Punjab are entrusted with the digging of tubewells. But if this is a rural development and the projects and plans of Minor Irrigation are super-imposed by rural development programme, then it will not go to benefit the rural people. It

will go to benefit the big contractors and industrialists. Therefore, Sir, your idea about Minor Irrigation should be specified. I would say that if at all Govt thinks of embarking on minor irrigation scheme, then it will certainly help us. If it is going to instal deep tube wells and others then it is not going to serve the purpose. Again I have already mentioned that this department has a department has a danger. At page 37 the government has proposed Rs. 87 lakhs for Direction & Administration and again at page 39 the amount proposed is Rs. 52 lakhs for Direction and Administration and the total is Rs. 1. 39 crores. Being a new Department if it is going to concentrate on a top heavy administration, then it is not going to benefit the rural people. Sir, since this budget is almost a blank, most of the amouts is kept in suspense: but it is very essential now that the Government clarifies their policy. While discussing on this, this is a telegram sent to me which I read out. "Funds Placed Fir IRDP/NREP Already exhausted ( . ) Sanction of Subsidy or IRDP Loans held up as Bank Balance is Rupees Three Thousand Only Each At UCO and PGB Mangaldoi ( . ) Bank Balance At UCO Kharupetia Will Be Nill Within This Week. Further, Payment To NREP Workers Held Up For Insfficient Fund At Block Level And No Fund At Agency Level ( . ) Unpleasant Situation At Field Level Apprehended ( . ) Therefore Kindly Release ;. Twenty, Five Lakhs and Rs. Forty Lakhs Under IRDP And NREP Respectively. Progress Report Upto Feby 84 Already submitted ( · ) Report To Secretary Rural Development And Agricultural Commissioner Dispur for NEEdful ( . )"

This is a telegram sent by the Project Director, Mangoldoi and today I have received a letter from the B.D.O. concerned in my constituency which states that all works are being stopped because not a single penny is there. Sir, this department had started in a good way but now when the works have started gaining momentum it is faced with a breakdown and grinding to a stanstill. This is the way this government is thinking of rural development. And so I express my most sorrowful apprehension that this is not going to work. Now I support the cut motion and conclude my speech,

( Shri Hemen Das wanted to speak some thing )

Mr. Speaker: I would like some time because the Minister will have to reply.

শ্ৰীহেমেন দাসঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীবিনয় কুমাৰ বসুমতাৰী ডাঙৰীয়াই যিটো কৰ্ত্তণ প্ৰস্তাব উত্থাপন কৰিছে সেইটোৰ মই সমৰ্থন কৰি দুৱাযাৰ মান কথা কব বিচাৰিছো। কথা হল এই বিভাগটোৰ কাৰণে যি খিনি টকা দিয়া হৈছে সেই টকা খৰচ কৰিবৰ কাৰণে এই বিভাগটো যি ধৰণেৰে গঢ়ি তুলিব লাগিছিল সেই ধৰণেৰে গঢ়ি তুলিব পৰা নাই। ফলত টকা বিলাক কত কেনেকৈ খৰচ হৈছে সেইটোৰ কোনো নিয়ম নাই। কামৰূপ জিলাত ডি আৰ ডি এত যি ধৰণেৰে টকা খৰচ কৰা হৈছে সেইদৰে অন্য জিলাত খৰচ কৰা হোৱা নাই। সেইদৰে বৰপেটা জিলাত এন আৰ পিৰ টকা যি ধৰণেৰে খৰচ কৰা হৈছে সেইদৰে অন্য জিলাত খৰচ কৰা হোৱা নাই। বৰপেটা জিলাই এন আৰ পিত কাম কৰাৰ কাৰণে যিমান টকা পায় অন্য জিলাই নাপায়। ইয়াৰ ভিতৰত আৰু এটা কথা হৈছে যে এন আৰ পিত বেচি মাটিৰ কাম হয়। কিন্তু এই কামৰ কাৰণে প্লেন এচটিমেট লাগে। প্লেন এচটিমেট কৰিবলৈ হলে গড়কাপ্তানী বিভাগৰ অভিযন্তাৰ ওচৰ চাপিব লাগে। কাৰণ এই বিভাগৰ নিজা অভিযন্তা নাই। এই দৰে আনৰ ওপৰত নিৰ্ভৰ কৰি এই বিভাগে কিমান কাম কৰিব? যদি কাম সঁচাকৈ আৰু সোনকালে কৰিব বিচাৰে তেন্তে এই বিভাগটো অভিযন্তা লোৱাৰ ব্যৱস্থা হব লাগে।

আই আৰ ডি পিৰ সম্পৰ্কত পৰ্য্যালোচনা কৰা হৈছে। সচাঁ কথা আই আৰ ডি পি লোৱা হৈছে। কিন্তু এই আই আৰ ডি পিত কৃষকৰ কাৰণে যি খিনি টকা দিয়া হৈছে সেইটো কৃষকে পোৱা নাই। যি টকা কৃষকৰ কাৰণে দিছে সেই টকাও কৃষকে পোৱা নাই

আৰু এটা কথা হৈছে যে ডি আৰ ডি এৰ মাধ্যমত বেচি ভাগ টকা পায়। মাননীয় সদস্য শ্ৰীবিনয় বসুমতাৰী ডাঙৰীয়াই কৈ গৈছে যে ডি আৰ ডি এৰ অফিচ এতিয়াও সম্পূৰ্ণৰূপে গঢ়ি উঠা নাই। যেতিয়ালৈকে অফিচ বিলাক গঢ়ি তুলিব নোৱাৰে কৰ্মচাৰী নিযুক্তি দিব নোৱাৰে তেতিয়ালৈ এই বিভাগৰ কোনো কাম হব নোৱাৰে। গতিকেই মই কৰ্ত্তণ প্ৰস্তাবটো সমৰ্থন কৰি বিভাগীয় মন্ত্ৰী মহোদয়ক কব খুজিছো যে যি ৪৩ কোটি টকা বিচাৰিছে সেই টকা খিনি খৰচ কৰিব পৰাকৈ আগতেই বিভাগ বিলাক গঢ়ি তোলক। নহলে যি টকা লৈছে সেই টকা খৰচ নহব। খৰচৰ নামত অপচয়হে হব।

*Shri Jiba Kanta Gogoi : Sir, I support the Demand made by the hon'ble Minister and oppose the cut motion. At the outset I congratulate our Prime Minister, Smti, Indira Gandhi for enunciating rural development programme for the upliftment of the toiling masses. Sir, this Rural Development is under item 3 of the 20-Point programme and for this purpose, this DRDA has been formed under which NREP, IRDP RLGP schemes are introduced. I am happy to note that under NREP our achievement is 58% and under RLGP the achievement is 67% during the last year. These programmes are two sided firstly, they give employment to the people and at the same time bring about development throughout the country. These NREP and RLGP during the last year achieved good results and in the coming year 1984-85, the achievement should be doubled. I am happy to note that our Chief Minister yesterday announced that for every Gaon Panchayat under RLGP Rs, 1,25,000/ will be alloted; last

*Speech not corrected

year only 30000/40000 were alloted. But this year Rs. 1,25,000/-has been alloted with a view to initiating accelerated development in the rural areas by improving and making roads etc. So far as IRDP is concerned we had achieved 67% success and 53,740 families had been benefitted. We should give more facility under IRDP for the benefit of the rural people and for giving credit facility to most of the families. Credit camps should also be intensified for the upliftment of our rural peo le. There are many banks which give troubles to our creditors and so we should have a bank of our own, in the cooperative or public sector so that we can finance our people more easily and without any difficulty. Development of the health of children and women is also introduced in 7 Blocks.

Mr. Speaker : Mr. Gogoi. only 10 minutes to go and within that time the Minister will have to reply and thereaf er clarifications will be sought.

Shri Jiba Kanta Gogoi : I suggest Sir, in conclusion, that our young men and women in the rural areas should be offered training facilities so that the rural programme is put in realit/.

শ্ৰীৰঘুনাথ পামেগাম (গ্ৰাম্য উন্নয়ন মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আজি মাননীয় সদস্য সকলে ৰুৰেল ডেভেলপমেণ্ট বিভাগৰ ওপৰত আলোচনাত অংশ গ্ৰহণ কৰি যিখিনি পৰামৰ্শ আগবঢ়াইছে তাৰ কাৰণে তেখেত সকলক মোৰ আন্তৰিক ধন্যবাদ জনাইছো। এই ৰুৰেল ডেভেলপমেণ্ট বিভাগ আমাৰ ৰাজ্যত এটা নতুন বিভাগ। গতিকে এই বিভাগত যে এডমিনিষ্ট্ৰেটিভ চেটআপত কিছু অসমপূৰ্ণতা আছে এই কথা মাননীয় সদস্য .সকলে উল্লেখ কৰি গৈছে। কাৰণ এই বিভাগৰ কাম কাজ আৰম্ভ কৰিবলগীয়া হৈছিল পি এণ্ড চিদি বিভাগৰ ওপৰত নিৰ্ভৰ কৰি। ক্ৰমে ক্ৰমে এতিয়া আমি নিজাৰবীয়াকৈ কৰ্ম্মচাৰী নিয়োগ কৰিবলৈ লৈছো। তুলনামূলকভাবে এতিয়া অন্য বিভাগতকৈ এই বিভাগটো উন্নতৰ অৱস্থালৈ আহিছে।

মাননীয় সদস্য শ্ৰীবসুমতাৰী ডাঙৰীয়াই এটা কথা কৈছে যে এই বিভাগৰ বিশেষ একো পলিচি নাই। এই বিভাগৰ পলিচিৰ কথা কবলৈ গলে এটা কথাই কব লাগিব যে ৰুৰেল ডেভেলপমেণ্টৰ যি কেইটা আঁচনি লোৱা হৈছে সেই আটাই-কেইটা আঁচনিয়ে কুৰিদফীয়া আচনিৰ ভিতৰত অন্তৰভুক্ত অধ্যক্ষ মহোদয় আপুনি জানে কুৰিদফীয়া আঁচনি কাৰ কাৰণে কৰা হৈছে। আমাৰ দেশত দৰিদ্ৰ সীমাৰেখাৰ তলত থকা লোক সকলৰ সামুহিকভাবে উন্নতিকৰণৰ ব্যৱস্থা কৰা আৰু দৰিদ্ৰসীমা ৰেখাৰ তলত থকা লোক সকলক ব্যক্তিগতভাবে আৰ্থিক সুবিধা দান কৰিবৰ কাৰণেই এই আঁচনি প্ৰচলন কৰা হৈছে। বিভিন্ন আঁচনি যেনে এন আৰ ইপি, আই আৰ-দিপিৰ যোগেদি এটা অঞ্চলৰ বিভিন্নধৰণৰ সামুহিক অভাব অভিযোগ সম্পুৰ্ণ দূৰ কৰাৰ চেষ্টা কৰা হৈছে। এন আৰ পি যোগে সামুহিকভাবে আৰু আই আৰ দিপিৰ যোগে দৰিদ্ৰসীমাৰ ৰেখাৰ তলত থকা সকলক সুবিধা দি আগবঢ়াই আনিবলৈ যত্ন কৰা হৈছে। পোনপটীয়াভাবে পলিচি বুলি কলে ইয়াকে কব লাগিব। এই আঁচনি কাৰ্য্যকৰী কৰিবৰ কাৰণে ৰাজ্যিক পাৰ্য্যায়ত ডাইৰেক্টৰেট আৰু জিলা পৰ্য্যায়ত দি আৰ দিএ আছে। দি আৰ দিএ বিলাকত এডভাইজৰী কমিটি আছে য'ত আমাৰ মাননীয় সদস্য সকলো সদস্য হিচাৱে আছে তেওঁলোকৰ পৰামৰ্শমতে এই আঁচনিবিলাক কাৰ্য্যকৰী কৰা হয়। এই কমিটিত বিভিন্ন অনুস্থানৰ লগত জৰিত থকা ব্যক্তিসকলকো সদস্য কৰা হৈছে। জিলা আৰু মহকুমা পৰ্য্যায়ত ইয়াৰ একোখন ষ্টিয়াৰিং কমিটি আছে। এই ষ্টিয়াৰিং কমিটি বিলাকে নীতি নিৰ্দ্ধাৰণ কৰি দিয়ে আৰু তেওঁলোকে আঁচনি অনুমোদন কৰিলেহে বিভিন্ন আচনি কাৰ্য্যকৰী কৰা হয়। মাননীয় সদস্য শ্ৰীবসুমতাৰী ডাঙৰীয়াই মাইনৰ ইৰিগেচনৰ কথা কৈছে। মহকুমা পৰ্য্যায়ৰ যি ষ্টিয়েৰিং কমিটি আছে তাত তেখেতে নিশ্চয় এই কথা অলোচনা কৰিব পাৰিব। তেখেতে এই বিভাগটো তপ হেভি হোৱা বুলি কৈছে। ৰুৰেল ডেভেলপমেণ্ট বিভাগৰ দ্বাৰা আমি যিখিনি পৰিমানৰ ধন ব্যয় কৰিবলৈ লৈছো অন্যান্য বিভাগৰ তুলনাত আমাৰ কৰ্ম্মচাৰী সংখ্যা বহুত কম। এই বিভাগত ৪৩ কোটি টকা খৰছ কৰিবলৈ লোৱা হৈছে। ষ্টাফিং পেটাৰ্ন চাবলৈ গলে আমাৰ ডিৰেক্টৰ এজন, জইণ্ট ডিৰেক্টৰ ৬ জন, ডেপুটি ডিৰেক্টৰ ৬ন, জুনিয়ৰ ইঞ্জিনিয়াৰ ৩ জন, অধিক্ষক ৩ জন ফিল্ড এচিষ্টেণ্ট ৫ জন, ইউ দি এ ৭ জন, ষ্টেনো ৪ জন, ড্ৰাইভাৰ ১৩ জন। গতিকে তপ হেভি হোৱা বুলি কলে বিশ্বাস কৰিবলৈ টান। ডাইৰেক্টৰ পৰ্য্যায়ত যি সলল বিষয়া আছে বা কৰ্ম্মচাৰী আছে তেওঁলোকে দিনে ৰাতিয়ে কাম কৰা কাৰণেহে এডমিনিষ্ট্ৰেটিভ চেট আপটো সম্পূৰ্ণ নোহোৱা স্বত্বেও আমি

পাবলগীয়া কামখিনি পাইছো। মাননীয় সদস্য গৰাকীয়ে ফিগাৰৰ ক্ষেত্ৰত এটা কথা কৈছে বোধকৰো ৰাজ্যপালৰ ভাষণৰ সময়তো তেখেতে সেই বিষয়ে উল্লেখ কৰিছিল ; তেখেতৰ কথাটো আংশিকভাৱে সত্য। আৰ এল ইজিপিৰ ফাণ্ড আমি এতিয়ালৈকে পোৱা নাছিলো আৰু সেই কাৰণে এন আৰ ইপি বা আই আৰ দিপিৰ টকাকে ব্যয় কৰি থকা হৈছিল। আনহাতে শোনিতপুৰ জিলাৰ এলটমেণ্টৰ পৰা এই টকা খৰছ কৰা হৈছিল। এতিয়া আমি বেংক ড্ৰাফট পাইছো আৰু দুই চাৰিদিনৰ ভিতৰতে দিবলৈ চেষ্টা কৰি আছো। গতিকে দৰং জিলাৰ যিখিনি আৰ্থিক অনাটন হৈছিল সেইখিনি এতিয়া আতৰ কৰিব পৰা যাব।

মাননীয় সদস্য শ্ৰীদাস ডাঙৰীয়াই মই আগতে কোৱা কথা কেইটামান কৈছে। এই বিভাগৰ সংগঠনটো ভাল কৰিব কাৰণে যি সকল কৰ্ম্মচাৰী নিয়োগ কৰিব লাগিছিল সেইখিনি কৰা নাই আৰু সোনকালে কৰি দায়ীত্ব অৰ্পন কৰাৰ কথা কৈছে। আংশিকভাবে এই কথা মই আগতে কৈ গৈছো। পুৰ্ব্বৰ যিবিলাক ব্লক ডেভেলপমেণ্ট অফিছাৰ, জুনিয়ৰ ইঞ্জিনিয়াৰ পি এণ্ড চিদিৰ আছিল তেওঁলোকৰ দ্বাৰাই বা তেওঁলোকৰ ওপৰত নিৰ্ভৰ কৰি এই কাম বিলাক কৰিবলগীয়া হৈছিল। এতিয়া আমি ব্লক লেভেলটত কিছু সংখ্যক কৰ্ম্মচাৰী নিয়োগ কৰিছো। সেই কেইটা হল—ব্লক লেভেল এক্সটেনশ্যন অফিচাৰ (ক্ৰেডিট) এক্সটেনশ্যন অফিচাৰ (ফিচাৰী) এক্সটেনশ্যন অফিচাৰ (ষ্টেটিচটিকচ) আৰু গ্ৰাম সেৱক আদি বহু ঠাইত ইতিমধ্যে গ্ৰাম সেৱক নিয়োগ কৰা হৈছে। অৱশ্যে কামৰূপ আৰু শিৱসাগৰত এই নিযুক্তি সম্পূৰ্ণ কৰিব পৰা হোৱা নাই। এই ক্ষেত্ৰত ষ্টাফ চিলেকশ্যন কমিটিও পাতি দিয়া হৈছে। কিন্তু বৰ্ত্তমান বিধান সভা চলি থকা কাৰণে ষ্টাফ চিলেকশ্যনৰ কাম সম্পূৰ্ণ কৰিব পৰা হোৱা নাই। বিধান সভা শেষ হলেই এই কাম সম্পুৰ্ণ কৰিব পৰা হব। সেই কাৰণে মই আপোনালোকক জনাব খোজো যে এই বিভাগটো নতুন বিভাগ হিচাবে দোষ-ক্ৰুতি থাকিব পাৰে। কিন্তু আমাৰ সকলোৰে যদি সহায় সহযোগিতা আগ বঢ়াই তেনেহলে এই বিভাগটোৱে ভবিষ্যতে ভাল কাম কৰিব পাৰিব বুলি আমি আশা কৰিব পাৰো। এইখিনিকে কৈ মাননীয় সদস্য দুগৰাকীয়ে যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে সেইটো উঠাই লব বুলি অনুৰোধ কৰি সামৰণি মাৰিলো।

Shri Benoy Kumar Basumatary : Sir, I have only one more point. The Hon'ble Supreme Court has given a judgement that wage rate shoutd be Rs. 10/-. But Sir, in

case of RLEGP, the rate is Rs. 8/- and in case of NREP is Rs. 9/-. Will the Government honour the judgement of the Supreme Court and I request Government to enhance the wage rate to Rs. 10/-.

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী)ঃ এইটো আমি যোগাযোগ কৰি ব্যৱস্থা গ্ৰহণ কৰিম।

শ্ৰীহেমেন দাস ঃ অধ্যক্ষ ডাঙৰীয়া, মই শ্ৰীবিনয় বসুমতাৰীৰ পৰাহে গম পালো যে এন, আৰ, ই, পিত ৯ টকাকৈ দিয়ে। তেওঁলোকৰ তাত ৮ টকাকৈ দিছে। কিন্তু মোৰ অঞ্চলত ৮ টকাকৈ দিছে।

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) ঃ সেইটো বিচাৰ কৰি ব্যৱস্থা লোৱা হব।

Shri Benoy Kumar Basumatary : Sir, I again insist that there is lot of confusion about wage rate. This must be clarified and with this hope, I beg leave to withdraw the Cut Motion.

Mr. Speaker : Is it the pleasure of the House to grant leave to withdraw the Cut Motion?

(Voices Yes, yes).

The leave is granted and Cut Motion is withdrawn

Now, I put the main grant before the House that sum of Rs. 43 crores 17 lakhs 68 thousand be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year [ending the 31st March, 1985 for the administration of "Rural Development".

The grant is passed.

Now Item No. 3

## Calling Attention Notice

শ্ৰীহেমেন দাস ঃ চাৰ, মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৫৪ নং নিয়ম অনুসৰি ১৯৮৪ চনৰ ১ ফেব্ৰুৱাৰী তাৰিখৰ 'গণ চাবুক"

কাকতত প্ৰকাশিত" নিলম্বিত নিৰ্দ্দেশ প্ৰত্যাহাৰ" শৰীক বাতৰিটোৰ প্ৰতি মীন বিভাগৰ মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিলো।

Shri Upendra Das (Minister): Mr. Speaker Sir, Government attention has been drawn to the news item published in the Gana Chabuk dated 1.2.84 under the caption "নিলম্বীত নিৰ্দ্দশ প্ৰত্যাহাৰ"।

The fact of the case is as follows.

A case of misappropriation of Government money amounting to Rs. 57,412.89 in the office of the District Fishery Development Officer, Dhubri was intimated to Govt. by the Accountant General, Assam on 23.8.83. On receipt of this intimation the Director of Fisheryes, Assam and directed to make an enquiry and to submit a report on the case. The Audit party of the Department was detailed for an enquiry. After thorough enquiry, the audit party submitted a report to the Government. On scrutiny of the said report it was established that Shri B. Bora, UDA was directly involved in the misappropriation of the Government money while Shri N. Ahmed, District Fishery Development Officer, Dhubri and Shri P. Dhar, Assistant Fishery Officer were also indirectly responsible for the same irregularities. A police case has already been instituted against Shri B, Bora, UDA. Besides, the report also revealed that Shri Bora was instrumental in making a fake rubber stamp similar to the stamp used by the Stat Bank of India, Dhubri and attempted to pass relevant chalans with the same fake stamp. Considering the audit report, all the three persons viz: (1) Shri N. Ahmed, District Fishery Development Officer, (2) Shri P,

Dhar, Asstt. Fishery Officer. Dhubri and (3) Shri B. Bora, UDA, were placed under suspension.

Subsequently appeal petitions for withdrawal of the suspension orders were received. After carefully examining the appeal petitions as well as the records it was found that both Shri N. Ahmed, DFDO and Shri P. Dhar, Asstt. Fishery Officer were not direetly involved in the misappropriation although there had been negligence on their part, in discharge of their duty, and considering this the suspension order on these two officer have been withdrawn subject to continuation of departmental proceedings instituted against them.

শ্ৰীহেমেন দাস : চাৰ, মোৰ আৰু এটা স্পটীকৰণ আছে ! যিবিলাক মানুহৰ ওপৰত অভিযোগ আছে সেইবোৰ সম্পূৰ্ণকৈ উঠাই লোৱা হবনে নহয় ?

Shri Upendra Das (Minister) : Mr. Speaker Sir, it was found that these two officers were not directly involved in this misappropriation case. Therefore, suspension orders were withdrawn as suspension would entail heavy loss of Government money. Officer is suspended to facilitate further enquiry into the matter. During the period of suspension, an officer is given subsistance allowance and it is considered that suspension is not a punishment. Hence, suspension order was withdrawn pending disposal of departmental proceedings.

Shri Hemen Das: Sir, my point is that why the Departmental proceeding have not been dropped ?

Shri Upendra Das (Minister) : Departmental proceedings are drawn to prove the charges framed against them. It would be decided on the face of the findings.

Mr. Speaker : The House stands adjourned till 9 A.M. tomorrow the 16th of March 1984.

## ADJOURNMENT

The House then rose at 5-10 PM and stood adjourned till 9 AM on Friday, the 16th March 1984

Dated Dispur
The 15th March, 1984

P. D. Barua
Secretary
Assam Legislative Assembly